বিনামূলীয়া পাঠ্যপুথি



# অংকুৰণ

## (পঞ্চম ভাগ)

(পঞ্চম শ্ৰেণীৰ বাবে)


L4M2V3

শিক্ষা (প্ৰাথমিক) বিভাগ
অসম চৰকাৰ

# ক্ৰিয়া-কলাপত ব্যৱহাৰ হোৱা প্ৰতীকসমূহ আৰু ইয়াৰ অৰ্থ

 — গাওঁ আহা, গোৱা, লগে-ভাগে গোৱা

 — কওঁ আহা, কোৱা, ছবি চাই কওঁ, শব্দ কওঁ

 — কোৱা

 — পঢ়োঁ আহা, তুমিও পঢ়া

 — লিখোঁ আহা, লিখা, পঢ়োঁ আৰু লিখোঁ, ছবিৰ নাম পূৰোৱা, চাই চাই লিখা, শব্দ গঠন কৰোঁ

 — জানো আহা, শিকোঁ আহা, চিনাকি হোৱা

 — কৰোঁ আহা, কৰা, ক'ত আছে বিচৰা, প্ৰকল্প

 — আঁকা, আঁকো আহা, ৰং দিয়া, ছবি সম্পূৰ্ণ কৰা

 — কোৱা, লিখা, পঢ়া, কৰা, মিলোৱা, নাম পূৰোৱা ইত্যাদি

 — কৰা আৰু কোৱা, খেলা, গাই গাই নাচা, মিলাওঁ আহা

 — অভিনয় কৰা

 — সাঁথৰ ভাঙা

 — যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

 — আয়ত্ত নোহোৱালৈকে নিজাববীয়াকৈ অনুশীলন কৰা

L4M2V3

# অংকুৰণ

পঞ্চম ভাগ

(পাঠ্য তথা অভ্যসন পুথি)

পঞ্চম শ্ৰেণীৰ বাবে


প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম




নাম ..........................................................

শ্ৰেণী .................... শাখা .................... ৰোল নং ....................

বিদ্যালয় ........................................ চন ....................


শিক্ষা (প্ৰাথমিক) বিভাগ,

অসম চৰকাৰ

**ANKURAN : PANCHAM BHAG** - An integrated text-cum-workbook for Class V, in Assamese, developed and reviewed by SCERT, Assam, through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Ltd, on behalf of Govt. of Assam.

**Free Textbook.**

---

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১২ ইং চন
দ্বিতীয় প্ৰকাশ ঃ ২০১৩ ইং চন
তৃতীয় প্ৰকাশ ঃ ২০১৪ ইং চন
চতুৰ্থ প্ৰকাশ ঃ ২০১৫ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৬ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৭ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৮ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৯ইং চন
নৱম প্ৰকাশ ঃ ২০২০ইং চন

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ চন্দ্ৰকান্ত প্ৰেছ্ প্ৰাইভেট লিমিটেড
চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ,
গুৱাহাটী - ৭৮১০০৫

# শিক্ষক-শিক্ষয়িত্ৰীয়ে মন কৰিবলগীয়া কথা

আগৰ শ্ৰেণীৰ পাঠ্যপুথি **'অংকুৰণ'**ৰ দৰে পঞ্চম শ্ৰেণীৰ পাঠ্যপুথিখনো ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিৰ আৰ্হিত প্ৰস্তুত কৰা হৈছে। পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে পূৰ্বৰ ধাৰা, দৰ্শন আদি প্ৰতিফলিত কৰা হৈছে। এই সকলো দিশৰ প্ৰতি দৃষ্টি ৰাখি পাঠ আদান-প্ৰদানত আগবাঢ়িলে উদ্দেশ্য ফলপ্ৰসূ হ'ব। বিশেষকৈ মন কৰিবলগীয়া দিশসমূহ ঃ

(১) পাঠ্যপুথিখনত মুঠতে চৈধ্যটা পাঠ সন্নিৱিষ্ট কৰা হৈছে।

(২) পাঠৰ প্ৰকাৰসমূহ হ'ল- পদ্য/কবিতা, ছবিৰে কাহিনী, সাধু ,গল্প, জনজাতীয় সাধু, জীৱনী, বৰ্ণনামূলক পাঠ, কথোপকথন ইত্যাদি।

(৩) পাঠৰ ক্ৰিয়া-কলাপত প্ৰতীক ব্যৱহাৰ কৰা হৈছে। সেই অনুসৰি পাঠদান কাৰ্যত আগবাঢ়িলে শিক্ষাদান সহজ হ'ব।

(৪) পাঠসমূহৰ ক্ৰিয়া-কলাপক চাৰিটা ভাগত ভাগ কৰা হৈছে — পাঠভিত্তিক ক্ৰিয়া, ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ), জ্ঞান সম্প্ৰসাৰণ (পাঠ্যপুথি বহিৰ্ভূত) আৰু প্ৰকল্প।

(৫) পাঠভিত্তিক ক্ৰিয়া-কলাপ নিৰ্দিষ্ট পাঠৰ সহায়ত কৰাব। ব্যাৱহাৰিক ব্যাকৰণৰ ক্ৰিয়া-কলাপ পাঠত থকা ব্যাকৰণৰ আধাৰত প্ৰস্তুত কৰা হৈছে। এই ক্ৰিয়া-কলাপসমূহ শিকাৰুৰ বাবে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ একো একোটা অংশ স্বৰূপহে। তদুপৰি, প্ৰয়োজন অনুসৰি ব্যাকৰণৰ প্ৰাৰম্ভিক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ ধাৰণা আৰু ব্যৱহাৰ স্থায়ীকৰণৰ বাবে আপুনি বিভিন্ন ব্যাকৰণ পুথি অধ্যয়ন কৰিব আৰু অবিৰত মূল্যায়নৰ ব্যৱস্থা কৰিব।

(৬) পাঠত লাভ কৰা অভিজ্ঞতা আৰু ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনত লাভ কৰা অভিজ্ঞতাৰ লগত সামঞ্জস্য ৰাখি জ্ঞান সম্প্ৰসাৰণৰ ক্ৰিয়া-কলাপ অনুশীলন কৰাব।

(৭) ক্ৰিয়া-কলাপত দিয়া প্ৰকল্পসমূহ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰাটো নিশ্চিত কৰিব, কিয়নো প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পৰ্যৱেক্ষণ, বিশ্লেষণ, সিদ্ধান্ত গ্ৰহণ আদিৰ দক্ষতা বাঢ়ে। প্ৰকল্পৰ জৰিয়তে স্থানীয় কলা-সংস্কৃতি, উৎসৱ-পাৰ্বণ আৰু ভাষিক বিষয়বস্তুৰ তথ্য সংগ্ৰহ আৰু সংৰক্ষণৰ বাবে ক্ষেত্ৰ-ভ্ৰমণৰ ব্যৱস্থা কৰি শিকাৰুক বাস্তৱ অভিজ্ঞতা দিব। প্ৰকল্পৰ কামত ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ অভিভাৱকসকলক দিহা-পৰামৰ্শ দিব।

(৮) এই পাঠ্যপুথিখনত পদ্য, সাধু বা বিভিন্ন পাঠত স্বাভাৱিকভাৱে অহা নতুন যুক্তাক্ষৰসমূহ শিকোৱা হৈছে। লগতে তৃতীয় শ্ৰেণীত শিকি অহা যুক্তাক্ষৰবোৰ পুনৰ আলোচনা, দৃঢ়ীকৰণ আৰু মূল্যায়নৰ বাবে দিয়া হৈছে।

(৯) যুক্তাক্ষৰ শিকনৰ বাবে ক্ৰমান্বয়ে 'যুক্তাক্ষৰ পঢ়োঁ আৰু লিখোঁ', 'যুক্তাক্ষৰ গঠন কৰোঁ', আদি অনুশীলন কৰাব। ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব নোৱৰালৈকে বাৰে বাৰে কৰাব।

(১০) 'গাওঁ আহা', 'কৰোঁ আহা', 'পঢ়োঁ আহা', লিখোঁ আহা', 'কওঁ আহা'- ইত্যাদি ক্রিয়া-কলাপত শিকাৰুক শিক্ষক বা আনে সহায় কৰিব। আনহাতে, 'কৰোঁ', 'পঢ়োঁ', 'গাওঁ', 'শিকোঁ', 'কওঁ' আদি শিকাৰুৱে নিজেই অনুশীলন কৰিব। মূল্যায়নৰ ক্ষেত্ৰত আকৌ 'কৰা', 'গোৱা', 'পঢ়া', 'লিখা' আদিৰ নিৰ্দেশনা দিয়া হৈছে। এবাৰতে শিকনীয় দিশৰ বিকাশ নোহোৱা ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে অনুশীলন কৰাব যাতে তেওঁলোকে বাঞ্ছিত লক্ষ্যত উপনীত হ'ব পাৰে।

(১১) এবাৰতে শিকনীয় দিশৰ স্পষ্ট ধাৰণা নহ'লে দুৰ্বলতাখিনি চিনাক্ত কৰি ক্রিয়া-কলাপসমূহ আগতকৈ সহজ কৰি পুনৰ মূল্যায়ন কৰিব।

(১২) প্ৰয়োজনবোধে ক্রিয়া-কলাপসমূহ শ্ৰেণীৰ বাহিৰতো কৰাব।

(১৩) পাঠ্যপুথিত থকাৰ বাহিৰে স্থানীয়ভাৱে প্ৰচলিত গীত-মাত, কাহিনী, সাধু আদি সংগ্ৰহ কৰি অনুশীলন কৰাব। এই ক্ষেত্ৰত ভাষাৰ মান্যৰূপৰ উপৰি কথিত ৰূপৰ প্ৰয়োগতো গুৰুত্ব দিব। পাঠত সন্নিৱিষ্ট গীত-মাতসমূহ শিকাওঁতে স্থানীয় সমল ব্যক্তিৰ সহায় ল'ব। সুবিধা অনুসৰি প্ৰতিষ্ঠিত কবি, সাহিত্যিকসকলৰ ৰচিত ৰচনাৱলী ছাত্ৰ-ছাত্ৰীক দেখুওৱাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল।

(১৪) বহুভাষিক পৰিৱেশত শিক্ষা গ্ৰহণ কৰা শিশু আৰু বিশেষভাৱে সক্ষম শিশুৰ প্ৰতি গুৰুত্ব দিব। বিশেষভাৱে সক্ষম শিশুৰ শাৰীৰিক আৰু মানসিক প্ৰকাৰ অনুসৰি বহা স্থানৰ সুবিধা কৰি দিব। ক্রিয়া-কলাপ কৰাওঁতে তেওঁলোকৰ প্ৰতি বিশেষভাৱে যত্ন ল'ব।

(১৫) পাঠদান কৰিবলৈ যোৱাৰ পূৰ্বে পাঠৰ আঁচনি আৰু আহিলা (শব্দ কাৰ্ড, বাক্য কাৰ্ড, বিভিন্ন পাঠ বিষয়ক আহিলা, বস্তু আদি) প্ৰস্তুত কৰি ল'ব।

(১৬) শ্ৰেণীকক্ষত পাঠটো আৰম্ভ কৰাৰ আগে আগে সেই পাঠটোৰ পটভূমি ব্যাখ্যা কৰিব আৰু সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞানৰ বুজ ল'ব।

(১৭) শিকনীয় দিশত প্ৰয়োজন সাপেক্ষে অভিভাৱকৰ লগত সম্পৰ্ক সাধন কৰি সহযোগিতা বিচাৰিব।

(১৮) যুক্তাক্ষৰ ভাঙোতে দিয়া শব্দবোৰৰ অৰ্থ বাস্তৱ উদাহৰণেৰে বুজাই দিব। আখৰ জোঁটনি আৰু শব্দাৰ্থৰ ক্ষেত্ৰত বিশেষকৈ 'অসমীয়া হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান'কৈ আধাৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব।

(১৯) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পঠন আৰু লিখন অৰ্হতা আয়ত্ত কৰোৱাবলৈ বাৰে বাৰে অনুশীলন কৰাব।

(২০) শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা ধৰণে মূল্যায়নত গুৰুত্ব দিব।

(২১) প্ৰতিটো পাঠ পঢ়োৱাৰ পাছত শ্ৰুতলিপি দিয়াৰ ব্যৱস্থা কৰিব।

---

**ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যবহাৰ কৰিব:**

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক ।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

**মোবাইলত QR Code ব্যবহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—**

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক-ছাত্ৰ/শিক্ষক/অন্য
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰবেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

**Desktop অত QR Code ব্যবহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি**

1) QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | অসম আমাৰ ৰূপহী | ১ — ৯ |
| ২। | পখী আৰু মানুহ | ১০ — ১৮ |
| ৩। | অৰূপৰ আৱেদন | ১৯ — ৩০ |
| ৪। | পিঠাৰ মেল | ৩১ — ৩৭ |
| ৫। | ড° বাণীকান্ত কাকতি | ৩৮ — ৪৬ |
| ৬। | জোনাকৰ জেউতি | ৪৭ — ৫৫ |
| ৭। | ফুলকোঁৱৰৰ গীত | ৫৬ — ৬৩ |
| ৮। | ৰঙৰ ৰহস্য | ৬৪ — ৭২ |
| ৯। | ভতুৰা আৰু খঁকুৱাৰ খৰিয়াল | ৭৩ — ৮৪ |
| ১০। | তিনিটা মাছৰ কাহিনী | ৮৫ — ৯৩ |
| ১১। | অমলপ্ৰভা দাস | ৯৪ — ১০৪ |
| ১২। | আগতে নিজে নিকা হ' | ১০৫ — ১১০ |
| ১৩। | ওজা-পালি | ১১১ — ১১৯ |
| ১৪। | সৰু ছোৱালী আৰু পখী | ১২০ — ১২৫ |
| | *শব্দ সম্ভাৰ* | ১২৬ — ১৩২ |

পাঠ ১


# অসম আমাৰ ৰূপহী





অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।
গোটেই জীৱন বিচাৰিলেও
অলেখ দিৱস ৰাতি
অসম দেশৰ দৰে নেপাওঁ
ইমান ৰসাল মাটি।

চিৰ বিনন্দীয়া তোমাৰ সেউজ পৰিৱেশ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।
ব'হাগতে আমাৰে আই
মহুৰা হৈ ঘূৰে
মাঘত সোণৰ হাতেৰে
লখিমী আদৰে।




শৰৎ নিশাই তৰাৰে সজায় আইৰে কেশ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।
পাহাৰ-ভৈয়াম একে কৰা ৰামধনুৰেই দৰে
তোমাৰ ভাষাৰ মৰমবোৰে মিলন সেতু গঢ়ে
লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰোঁ,
জন্ম ল'লোঁ ইয়াতেই, ইয়াতে যেন মৰোঁ।
পাম ক'ত এনে মধুৰ ৰূপৰ সমাৱেশ
ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ।



গীতিকাৰ - ড° ভূপেন হাজৰিকা

*(উৎস ঃ ড° দিলীপ কুমাৰ দত্তৰ 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ', পৃষ্ঠা - ১৭৭*
*প্ৰকাশক — বনলতা, পাণবজাৰ, গুৱাহাটী ১ )*



**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**গীতটি শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া আৰু আবৃত্তি কৰা।**

**গীতটি একক আৰু দলীয়ভাৱে (সমৱেত সংগীত হিচাপে) গোৱা।**

**উত্তৰ দিয়া।**

(ক) ড° ভূপেন হাজৰিকাই 'আই' বুলি কাক সম্বোধন কৰিছে?

(খ) ড° ভূপেন হাজৰিকাই মাঘ মাহত কি আদৰাৰ কথা কৈছে?

(গ) শৰৎ নিশাই আইৰ কেশ কিহেৰে সজায়?

(ঘ) পাহাৰ-ভৈয়ামৰ মিলন সেতু কিহে গঢ়ে?

(ঙ) ড° ভূপেন হাজৰিকাই ক'ত মৃত্যুবৰণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে?

(চ) এই গীতটিত গীতিকাৰ ড° ভূপেন হাজৰিকাই 'সূৰ্য উঠা দেশ' মানে কোনখন দেশক বুজাইছে?

(ছ) গীতিকাৰ ড° ভূপেন হাজৰিকাই গোটেই জীৱন বিচাৰিলেও অসমৰ দৰে আন ক'তো কি নোপোৱাৰ কথা কৈছে?

**ড° ভূপেন হাজৰিকাই অসমৰ পৰিৱেশ কেনেকুৱা বুলি কৈছে লিখা।**

**দলত আলোচনা কৰি বহলাই লিখা।**

(ক) ৰামধনু কি আৰু ৰামধনুৰ দৰে পাহাৰ-ভৈয়াম একে কৰা মানে কি?

(খ) লৌহিত্য মানে কি? ইয়াৰ বহল পাৰক কিয় গীতিকাৰে প্ৰণিপাত জনাইছে?

**গীতটিৰ মূল কথাখিনি কোৱা আৰু লিখা।**



**উত্তৰ দিয়া।**

(ক) গীতটিত **'ম'** আখৰটো ২০ বাৰ ব্যৱহাৰ হৈছে। **'ৰ'** আখৰটো কেইবাৰ ব্যৱহাৰ হৈছে?

(খ) গীতটিত 'া' **-কাৰ** (স্বৰ) চিনটো ৪০ বাৰ ব্যৱহাৰ হৈছে। ইয়াত কোনটো **-কাৰ** (স্বৰ) চিন এবাৰো ব্যৱহাৰ হোৱা নাই?

(গ) গীতটিত থকা **'ৰ'** আৰু **'ৰে'** -ৰে শেষ হোৱা শব্দবোৰ লিখা।

| **ৰ-ৰে শেষ হোৱা** | | |
|---|---|---|
| আ | মা | ৰ |
| দে | | ৰ |
| | মা | ৰ |
| দি | | ৰ |
| | ণ | ৰ |
| | | ৰ |
| ভা | | ৰ |
| | ধু | ৰ |
| পা | | ৰ |
| ৰূ | প | ৰ |

| | | **ৰে -ৰে শেষ হোৱা** | | |
|---|---|---|---|---|
| | | | ঘূ | ৰে |
| | | | | ৰে |
| | | আ | মা | ৰে |
| | | হা | | ৰে |
| | | | ই | ৰে |
| | | আ | | ৰে |
| | | | | ৰে |
| | ভা | | | ৰে |
| | লৌ | | | ৰে |
| ম | ৰ | ম | বো | ৰে |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



**গীতটিৰ পৰা -কাৰ (স্বৰ) চিন যোগ হৈ ৰূপৰ পৰিৱৰ্তন ঘটা আখৰবোৰ বিচাৰি উলিয়াই লিখা আৰু সেইবোৰত কি কি -কাৰ (স্বৰ) চিন যোগ হৈছে ভাঙি দেখুওৱা।**

**যেনে- ৰূপহী → ৰূ → ৰূ ৰ + ঊ -কাৰ**



**গীতটিত থকা যুক্তাক্ষৰযুক্ত শব্দবিলাকৰ যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা আৰু সেইবোৰৰ প্ৰতিটোৰে দুটাকৈ নতুন শব্দ লিখা।**

**যেনে- বিনন্দীয়া → ন্দ → ন + দ আনন্দ, সুন্দৰ**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**উদাহৰণত দেখুওৱাৰ দৰে শব্দ গঠন কৰা।**

**(ক) উদাহৰণ — ৰূপহ - ৰূপহী,   কাঁহ - কাঁহী**

কপাহ -      চেনেহ -      বাঁহ -

**(খ) উদাহৰণ — ৰস - ৰসাল,      নোম - নোমাল**

জীপ -      তেজ -      কোব -

**(গ) উদাহৰণ — সোণ - সোণালী,      ৰং - ৰঙালী**

ৰূপ -      জোন -      ভোগ -

**(ঘ) উদাহৰণ — বিনন্দ - বিনন্দীয়া,      চহৰ - চহৰীয়া**

দুখ -      নিয়ম -      নগৰ -



**দলগতভাৱে আলোচনা কৰি একে অৰ্থ প্ৰকাশ কৰা শব্দ (সমাৰ্থক) লিখা।**

**উদাহৰণ — সূৰ্য -** বেলি, ৰবি, ভাস্কৰ, তপন, ভানু, অৰুণ, দিবাকৰ, দিনমণি

পদুম - ..........................................................................................

ঘৰ - ..........................................................................................

আকাশ - ..........................................................................................

বায়ু - ..........................................................................................

পৃথিৱী - ..........................................................................................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দবোৰ গীতটিত আছে। তাৰ পৰা বিচাৰি উলিয়াই লিখা।

যেনে - আৰম্ভণি - শেষ ঠেক -

বিচ্ছেদ - অনাদৰ -

নিৰস - দিৱস -

কুৰূপা - পশ্চিম -

তলৰ অংশ দুটা আঁচ টানি মিলোৱা।

| | |
|---|---|
| যি চিত্ৰ আঁকে | সোণালী |
| যি ৰসেৰে পৰিপূৰ্ণ | চিত্ৰকৰ |
| যি সোণৰ নিচিনা বৰণৰ | গীতিকাৰ |
| যি গীত লিখে | ৰসাল |



তলৰ শব্দবোৰেৰে বাক্য সাজা ঃ

অলেখ - ..........................................................................................

আদৰ - ..........................................................................................

পৰিৱেশ - ..........................................................................................

সমাৱেশ - ..........................................................................................

বিনন্দীয়া - ..........................................................................................

## গ — জ্ঞান সম্প্ৰসাৰণ

'অসম আমাৰ ৰূপহী' ত থকা আখৰকেইটাৰ সহায়ত নতুন শব্দ গঠন কৰা।

{যিটো আখৰৰ লগত যিটো - কাৰ (স্বৰ) চিন যুক্ত হৈ আছে তেনেকৈয়ে থাকিব আৰু এটা শব্দত কোনো আখৰ এবাৰতকৈ বেছি ব্যৱহাৰ হ'ব নোৱাৰিব}।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

| | | | | | | |
|---|---|---|---|---|---|---|
| যেনে - | ৰূপ | অৰূপ | ৰূপম | মা | মাহী | মহী |
| | পৰ | পৰম | পৰমা | ..... | ...... | ...... |
| | মৰ | অমৰ | সমৰ | ...... | ...... | ...... |




**'জন্ম ল'লোঁ ইয়াতেই, ইয়াতে যেন মৰোঁ' বুলি ড° ভূপেন হাজৰিকাই কামনা কৰাৰ দৰে কবি নলিনীবালা দেৱীয়েও তেওঁৰ 'জনমভূমি' নামৰ কবিতাটোত নিজৰ জনমভূমিতে মৰাৰ কথা লিখিছে। সেই কবিতাটো সংগ্ৰহ কৰি পঢ়ি চোৱা।**



**'চিৰ বিনন্দীয়া তোমাৰ সেউজ পৰিৱেশ'**

অসমৰ চিৰ সেউজ পৰিৱেশ এতিয়া আছে নে?
যদি নাই তেনেহ'লে কেনেকৈ ই বিনষ্ট হ'ল?
বৰ্তমান কি কৰিলে আমি আমাৰ পৰিৱেশ সেউজীয়া কৰি ৰাখিব পাৰিম? সেইবিষয়ে আলোচনা চক্ৰ পাতি যুক্তি সহকাৰে নিজৰ নিজৰ মত ব্যক্ত কৰা।

☞ *ছাত্ৰ-ছাত্ৰীক আলোচনা চক্ৰ পতাত সহায় কৰিব*



জানো আহা

***লখিমী আদৰা (ধানৰ আগ অনা উৎসৱ)***— *খেতি চপোৱাৰ অৰ্থে পালিত উৎসৱৰ অংগৰূপে পৰম্পৰাগত ৰীতি অনুযায়ী গছীধান ঘৰলৈ অনা কাৰ্য।*

***সাঁঙুৰি দিয়া বা খোৱা*** — *কোনো এঘৰত ধান চপাবলৈ সমূহীয়াকৈ অথচ কোনো পাৰিশ্ৰমিক অবিহনে কৰি দিয়া কাম। এই অৰ্থতে সাঁঙুৰি দিয়া মানুহে যি ভোজ-ভাত খায় তাকে সাঁঙুৰি খোৱা বোলে। ইয়াকে সাঁউৰি খোৱাও বোলা হয়।*

***ন-খোৱা*** — *নকৈ চপোৱা খাদ্য শস্য, বিশেষকৈ নতুন ধানৰ চাউলেৰে লগে-ভাগে খোৱা প্ৰীতি ভোজ। সাধাৰণতে পৰ্যাপ্ত মাছ-পুঠিৰে ভোজ-ভাতৰ আয়োজন কৰা হয়।*

***খেতি উঠা উৎসৱ*** — *পথাৰৰ পৰা খেতি চপোৱা কাৰ্যৰ সমাপ্তি উপলক্ষে আয়োজিত উৎসৱ, যত আনন্দ সহকাৰে পৰমজনাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা হয়।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## ঘ—প্ৰকল্প

- ‘ অসম আমাৰ ৰূপহী’ এটি দেশপ্ৰেমমূলক গীত। ড° ভূপেন হাজৰিকাই ৰচনা কৰা অন্য দুটি দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰি গোৱা। যেনে - ‘মহাবাহু ব্ৰহ্মপুত্ৰ.....’
- অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত থলুৱা নৃত্যৰ ছবি সংগ্ৰহ কৰা। এতিয়া ছবিবোৰ এলবামত লগাই নৃত্যৰ নাম, কোন জনগোষ্ঠীৰ মাজত সেই নৃত্য প্ৰচলিত আৰু কোন উৎসৱৰ লগত জড়িত সেই বিষয়ে লিখি থোৱা।

☛ *ড° ভূপেন হাজৰিকাৰ গীত সংগ্ৰহ কৰাত সহায় কৰিব।*



**জানি থোৱা**

*ড° ভূপেন হাজৰিকাৰ জীৱন পঞ্জী*

১৯২৬ : *৮ ছেপ্টেম্বৰত শদিয়াত জন্ম।*
*পিতৃ - নীলকান্ত হাজৰিকা*
*মাতৃ - শান্তিপ্ৰিয়া হাজৰিকা*

১৯৩০ : *৫ বছৰ বয়সতে গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ সভাত প্ৰথম গীত পৰিৱেশন ।*

১৯৩৬ : *‘জয়মতী’ বোলছবিৰ বাবে দুটি গীত বাণীবদ্ধ।*

১৯৩৭ : *‘কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিল নামৰে তান’ - ৰচিত প্ৰথম গীত।*

১৯৩৯ : *‘ইন্দ্ৰমালতী’ ছবিত অভিনয় আৰু ‘মইনা কেতিয়া আহিলি তই’ গীতটি পৰিৱেশন।*

১৯৪০ : *তেজপুৰ চৰকাৰী বয়জ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ।*

১৯৪২ : *কটন কলেজৰ পৰা ইন্টাৰমিডিয়েট পাছ কৰি বেনাৰস হিন্দু বিশ্ববিদ্যালয় আৰু ‘স্কুল অৱ আৰ্ট’ ত ভৰ্তি।*

১৯৪৩ : *আকাশবাণীত গীত পৰিৱেশন।*

১৯৪৬: ৰাজনীতি বিজ্ঞানত এম.এ. পাছ কৰি বি.বৰুৱা কলেজত প্ৰবক্তা হিচাপে যোগদান।

১৯৪৮ : 'চিৰাজ' বোলছবিৰ সংগীত পৰিচালনা আৰু অভিনয়।

১৯৫০ : প্ৰিয়ম পেটেলৰ সৈতে নিউয়ৰ্ক চহৰত বিবাহ সম্পন্ন ।

১৯৫২ : কলম্বিয়া বিশ্ববিদ্যালয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ। তেওঁৰ থেছিচৰ বিষয় আছিল 'মাছ কমিউনিকেশ্বন ইন ইণ্ডিয়া'জ এডাল্ট এডুকেশ্বন'।

১৯৫৪ : গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰবক্তাৰূপে যোগদান।

১৯৬০ : 'মানুহে মানুহৰ বাবে' গীতটি ৰচনা ।

১৯৬১ : 'শকুন্তলা' ছবিৰ পৰিচালনা, এই কথাছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ।

১৯৬৬ : 'লটি-ঘটি' কথাছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ।

১৯৬৭ : নাওবৈচা সমষ্টিৰ পৰা অসম বিধান সভালৈ বিধায়ক হিচাপে নিৰ্বাচিত।

১৯৭৩ : প্ৰথমবাৰৰ বাবে হিন্দী বোলছবিৰ সংগীত পৰিচালক।

১৯৭৬ : ৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ 'স্বৰ্ণকমল পুৰস্কাৰ' লাভ।

১৯৮৫ : ৰাষ্ট্ৰীয় ফিল্ম এৱাৰ্ড জুৰীৰ সভাপতি।

১৯৮৮ : অসম চৰকাৰৰ 'শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা' লাভ আৰু 'সংগীত নাটক অকাডেমী'ৰ বঁটা লাভ।

১৯৯৩ : 'অসম সাহিত্য সভা'ৰ সভাপতি নিৰ্বাচিত আৰু 'দাদা চাহেব ফাল্কে বঁটা' লাভ ।

১৯৯৮ : 'সংগীত নাটক অকাডেমী'ৰ সভাপতি হিচাপে মনোনীত।

২০০১ : ভাৰত চৰকাৰৰ 'পদ্মভূষণ' সন্মান লাভ।

২০০৮ : অসম চৰকাৰৰ 'অসম ৰত্ন' উপাধি লাভ।

২০১১ : ৫ নৱেম্বৰত দেহাৱসান (মুম্বাইত)।

২০১২ : ভাৰত চৰকাৰৰদ্বাৰা মৰণোত্তৰভাৱে 'পদ্মবিভূষণ' সন্মান লাভ।

(উৎস— ড° ভূপেন হাজৰিকাৰ অনুলিখিত আত্মজীৱনী 'মই এটি যাযাবৰ'।)

## পাঠ ১

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- উপযুক্ত সুৰ, তাল, লয়ত গীত (কবিতা) আবৃত্তি কৰিব পৰা আৰু গাব পৰা
- অসমৰ পৰিৱেশ সম্পৰ্কে অৱগত হোৱা আৰু ইয়াৰ সৌন্দৰ্য উপলব্ধি কৰি ক'ব পৰা
- গীতৰ (কবিতা) মূল কথাখিনি শুদ্ধকৈ ক'ব আৰু লিখিব পৰা
- স্বদেশপ্ৰীতি, প্ৰকৃতিপ্ৰীতিৰ মনোভাৱ গঢ়ি তোলা
- একে অৰ্থ বুজোৱা শব্দ, বিপৰীত অৰ্থ প্ৰকাশক শব্দ, যুক্তাক্ষৰযুক্ত শব্দ গঠন, বাক্য গঠন আদিৰ জৰিয়তে শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিব পৰা
- গীতিকাৰ ড° ভূপেন হাজৰিকাৰ বিষয়ে জনা
- অসমৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ভাষাই যে পাহাৰ-ভৈয়ামৰ মানুহৰ মাজত মিলনৰ সেতু গঢ়ে তাৰ আভাস পোৱা
- বিভিন্ন জনগোষ্ঠীৰ থলুৱা নৃত্য আৰু উৎসৱৰ নাম জনা
- ড° ভূপেন হাজৰিকাই ৰচনা কৰা দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰি গাব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| গীত (কবিতা) | শুদ্ধ সুৰত গাব পৰা | আবৃত্তি কৰিব পৰা | অসমৰ প্ৰাকৃতিক পৰিৱেশৰ বিষয়ে ক'ব আৰু লিখিব পৰা | গীতটোৰ মূল কথাখিনি ক'ব আৰু লিখিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | - কাৰ(স্বৰ) চিন বা - কাৰযুক্ত শব্দ গঠন কৰিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা | বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখিব পৰা | বাক্য গঠন কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | শব্দজ্ঞান বৃদ্ধি হোৱা, নতুন শব্দ গঠন কৰিব পৰা | আন কবিতা পঢ়িব পৰা | পৰিৱেশ সংৰক্ষণৰ উপায় চিন্তা কৰি ক'ব পৰা | লখিমী আদৰা আদি উৎসৱৰ বিষয়ে ক'ব পৰা | গীতিকাৰ ভূপেন হাজৰিকাৰ বিষয়ে জনা আৰু ক'ব পৰা | |
| | | | | | | |
| প্ৰকল্প | ড° ভূপেন হাজৰিকাই ৰচনা কৰা দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰি গাব পৰা | | অসমৰ বিভিন্ন জনগোষ্ঠীৰ নৃত্যৰ বিষয়ে জনা | বিভিন্ন জনগোষ্ঠীৰ উৎসৱৰ লগত পৰিচয় হোৱা | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ২

V3E4M8

# পখী আৰু মানুহ

ন্ধ, ক্ষ, ষ্ট, প্ত



এখন দেশত সৰ্বধনু নামৰ এজন ৰজা আছিল। তেওঁ আছিল চিকাৰপ্ৰিয়। চৰাইৰ মঙহ নহ'লে তেওঁ ভাতকে নাখাইছিল। তেওঁ সদায় ধনু-কাঁড়েৰে কপৌ, শালিকা, বগলী আদি চৰাই বধ কৰিছিল। এদিন মধুকৰ নামৰ এজন যুৱকে ৰজা সৰ্বধনুক এই কামৰ বাবে তিৰস্কাৰ কৰি ক'লে- "মহাৰাজ, ভোজনৰ তৃপ্তিৰ বাবে চৰাই মৰাটো আপোনাৰ উচিত হোৱা নাই। আপুনি বোধকৰোঁ জানে যে পখীকুল মানুহৰ বাবে অতি উপকাৰী। শালিকাৰ নিচিনা চৰাইবোৰেই পথাৰৰ শইচ নষ্ট কৰিব পৰা কীট-পতংগবোৰ ধৰি খাই খেতি-বাতি ৰক্ষা কৰে। আচলতে চৰাইবোৰ খেতিয়কৰ পৰম বন্ধু। গতিকে প্ৰজাৰ মংগলৰ বাবে আপুনি চৰাই চিকাৰ কৰিবলৈ এৰি পেলাওক।"


যুৱকজনৰ কথা শুনি ৰজাৰ বৰ খং উঠিল। খঙৰ ভমকত তেওঁ যুৱকজনক কোনোমতেহে নমৰাকৈ থাকিল। ৰজাই কিন্তু চৰাই-চিৰিকটি মাৰিবলৈ নেৰিলে। ফলত ৰাজ্যত পখী নিধন কাৰ্য অব্যাহত থাকিল। সেই কাৰণে চৰাইবোৰেও ভয় খাই সেই ঠাই এৰি আন দেশলৈ গুচি গ'ল। দেশত চৰাই-চিৰিকটিৰ সঁচ পাবলৈকে নোহোৱা হ'ল।

মনৰ দুখত মধুকৰো এদিন দূৰণিৰ ৰাজ্য এখনলৈ গুচি গ'ল। সেই ৰাজ্যৰ ৰজাজনৰ সন্তান বুলিবলৈ আছিল মাত্ৰ একেজনী ছোৱালী। তাইৰ নাম মাধৱী। মধুকৰৰ সজ আচৰণত ৰজা বৰ সন্তুষ্ট হ'ল। সেয়েহে তেওঁ নিজৰ একমাত্ৰ সন্তান মাধৱীক মধুকৰৰ সৈতে বিয়া দি তেওঁক সেই ৰাজ্যৰ ৰজা পাতি দিলে।



ইফালে সৰ্বধনুৰ ৰাজ্যত চৰাইবোৰ নোহোৱা হ'লত কীট-পতংগৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু সেইবোৰে পথাৰৰ শস্য খাই শেষ কৰিলে। গছ-গছনি, পাত, লতা আদি সকলো শুকাই গ'ল। বৰষুণো নোহোৱা হ'ল। দেশত দুৰ্ভিক্ষই দেখা দিলে। ৰজা, প্ৰজা সকলোৱেই খাদ্যৰ অভাৱত পৰি ভিক্ষা কৰিবলৈ বাধ্য হ'ল।

ৰজা সৰ্বধনুৱে ভিক্ষা খুজি খুজি এদিন মধুকৰৰ ৰাজ্যত উপস্থিত হ'ল। ৰজা মধুকৰে সৰ্বধনু ৰজাক চিনি পালে। তেওঁ সৰ্বধনুক আদৰ-সাদৰ কৰি নি ৰাজকাৰেঙৰ অতিথিৰূপে আদৰিলে। তাৰ পাছত মধুকৰে সৰ্বধনুৰ আগত নিজৰ পৰিচয় ব্যক্ত কৰি ক'লে- "মহাৰাজ, মই মধুকৰ। ময়েই আপোনাক পখী বধ কৰিবলৈ বাধা দিছিলোঁ। গপত গংগাটোপটো যেন হৈ আপুনি মোৰ কথা নুশুনিলে। সেয়েহে এতিয়া তাৰ কু-ফল ভোগ কৰিবলগীয়া হৈছে। ভৱিষ্যতলৈ আপুনি কেতিয়াও চৰাই বধ নকৰিব।" এইবুলি তেওঁ নিজৰ ৰাজ্যৰ পৰা ৰজাক চৰাই এজাক দি ক'লে- "এই চৰাইজাক আপুনি লৈ যাওক। ইহঁতক আপুনি নিজৰ সন্তানৰ দৰে লালন-পালন কৰিব।" এইবুলি মধুকৰে চৰাই এজাক সজাত ভৰাই সৰ্বধনু ৰজাক উপহাৰ দিলে। সৰ্বধনুৱেও মধুকৰৰ কথামতে চৰাইজাকক নিজ ৰাজ্যলৈ নি মুকলি আকাশত মেলি দিলেগৈ।



**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

  **সাধুটো ভালদৰে পঢ়া আৰু নিজৰ কথাৰে কোৱা।**

 **উত্তৰ দিয়া।**

(ক) সৰ্বধনু কেনেকুৱা প্ৰকৃতিৰ ৰজা আছিল?

(খ) সৰ্বধনু ৰজাৰ প্ৰিয় খাদ্য কি আছিল?

(গ) সাধুটোত মানুহৰ উপকাৰী প্ৰাণী বুলি কাক কোৱা হৈছে?

(ঘ) মধুকৰে বিয়া কৰোৱা ছোৱালীজনীৰ নাম কি?

(ঙ) মধুকৰে ৰজাক ৰাইজৰ মংগলৰ বাবে কি কৰিবলৈ উপদেশ দিছিল?

 **কোনে, কাক,কেতিয়া আৰু কিয় কৈছিল বহলাই লিখা।**

(ক) 'আচলতে চৰাইবোৰ খেতিয়কৰ পৰম বন্ধু। গতিকে প্ৰজাৰ মংগলৰ বাবে আপুনি চৰাই চিকাৰ কৰিবলৈ এৰি পেলাওক।'

(খ) 'এই চৰাইজাক আপুনি লৈ যাওক। ইহঁতক আপুনি নিজৰ সন্তানৰ দৰে লালন-পালন কৰিব।'

 **কাৰণ দৰ্শাই লিখা।**

(ক) সৰ্বধনু ৰজাৰ ৰাজ্যত কিয় বৰষুণ নোহোৱা হ'ল?

(খ) কীট-পতংগৰ সংখ্যা বৃদ্ধিয়ে সৰ্বধনুৰ ৰাজ্যত কি সমস্যাৰ সৃষ্টি কৰিলে?

(গ) মধুকৰে সৰ্বধনুক কেনেদৰে সহায় কৰিছিল?

 **ৰজা সৰ্বধনুৱে ভিক্ষা খুজি খুজি গৈ কাৰ ৰাজ্যত উপস্থিত হৈছিলগৈ? তাৰ পাছত তেওঁৰ কি হৈছিল? বুজাই লিখা।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ বাক্যবোৰ পাঠৰ কথাৰ লগত মিলাই শুদ্ধকৈ লিখা।**

(ক) সৰ্বধনু নামৰ ৰজাজনে চৰাইৰ মঙহ খাবলৈ বেয়া পাইছিল।

(খ) ৰজা সৰ্বধনুৱে মধুকৰ নামৰ যুৱকজনক খং কৰা নাছিল।

(গ) কীট-পতংগবোৰে খেতি-বাতি ৰক্ষা কৰে।

(ঘ) ৰজা মধুকৰে সৰ্বধনু ৰজাক চিনি নাপালে।

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

(ন্ব, ক্ব, ব্জ, গ্ব)

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ন্ব | ন | + | ৱ | **নই** | **ৱই** | ন্ব | — | অন্বেষণ | অন্বেষা |
| ব্জ | ব | + | জ | **বই** | **জই** | ব্জ | — | অব্জ | কুব্জ |
| গ্ব | গ | + | ৱ | **গই** | **ৱই** | গ্ব | — | দিগ্বিজয় | দিগ্বিদিগ্ |
| ক্ব | ক | + | ৱ | **কই** | **ৱই** | ক্ব | — | পক্ব | পক্বান্ন |

**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

| | | | | | |
|---|---|---|---|---|---|
| ন | + | ৱ | **নই** | **ৱই** | ন্ব |
| ব | + | জ | **বই** | **জই** | ব্জ |
| গ | + | ৱ | **গই** | **ৱই** | গ্ব |
| ক | + | ৱ | **কই** | **ৱই** | ক্ব |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পঢ়োঁ আহা



দুৱাৰত কব্জা লগোৱা হয়।

কুব্জ মানে কুঁজা।

পদুম ফুলৰ আন এটা নাম অব্জ।

সমন্বয় শব্দই একগোট হোৱা বুজায়।

একলব্য ধনুৰ্বিদ্যাত পৰিপক্ক আছিল।

সীতাৰ অন্বেষণত ৰাম আৰু লক্ষ্মণ হাবিয়ে বননিয়ে ঘূৰি ফুৰিছিল।

বিপৰীত লিংগ বুজোৱা শব্দ লিখা।

| | | | | | |
|---|---|---|---|---|---|
| উদাহৰণ— | ৰজা | — ৰাণী | | যুৱক | — |
| | ল'ৰা | — | | দবা | — |
| | বন্ধু | — | | | |

শব্দবোৰ ভাঙি দেখুওৱা ।

| | পদ | শব্দ | বিভক্তি |
|---|---|---|---|
| উদাহৰণ — | মধুকৰে | মধুকৰ | + এ |
| | যুৱকে | — | — |
| | মানুহে | — | — |
| | চৰাইজাকক | — | — |
| | ৰজাক | — | — |
| | কাঁড়েৰে | — | — |
| | দেশলৈ | — | — |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**পাঠৰ পৰা বিচাৰি উলিয়াই তলৰ তালিকাখনত বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদবোৰ লিখা।**

| বিশেষ্য | বিশেষণ | সৰ্বনাম |
|---|---|---|
| পখী | সজ | তেওঁ |
| | | |
| | | |
| | | |
| | | |
| | | |



## জানো আহা

একবচন আৰু বহুবচনৰ আভাস ইতিমধ্যে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পাঠ্যপুথিত পাইছা। একবচনত প্ৰাণী বা বস্তুক নিৰ্দিষ্টকৈ বুজাবলৈ শব্দৰ পাছত টো, জন, পাট আদি প্ৰত্যয় ব্যৱহাৰ কৰা হয়। এইবোৰেই **নিৰ্দিষ্টতাবাচক প্ৰত্যয়।**

উদাহৰণস্বৰূপে, মানুহজন বোলোঁতে এজন মানুহক বুজোৱাৰ উপৰি সেই মানুহজনক নিৰ্দিষ্টকৈ বুজাইছে।

কিছুমান **নিৰ্দিষ্টতাবাচক প্ৰত্যয়** হ'ল — টো, গৰাকী, জনী, খন, ডাল, জোপা, পাট, গছি ইত্যাদি।

শব্দত প্ৰয়োগ কৰিলে হ'ব — মানুহটো, মানুহগৰাকী, ছোৱালীজনী, নৈখন, বাঁহডাল, গছজোপা, চাকিগছি, বঠাপাট ইত্যাদি।

চুলিকোছা, চাউলমুঠি, খৰিপোলা — এই শব্দবোৰে একে বস্তুৰে একোটা থূপ বা গোট বুজাইছে। গোট বুজালেও এইবোৰ একবচনৰ প্ৰত্যয় হিচাপে ব্যৱহাৰ হ'ব পাৰে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বিপৰীত অৰ্থবোধক শব্দ লিখা।

| | | |
|---|---|---|
| প্ৰিয় | ভয় | বন্ধু |
| সুফল | অনুচিত | পুৰস্কাৰ |
| অপকাৰী | অমংগল | অনুপস্থিত |

বাক্য ৰচনা কৰা।

| | | |
|---|---|---|
| আদৰ-সাদৰ | লালন-পালন | খেতি-বাতি |
| চৰাই-চিৰিকটি | গছ-গছনি | কীট-পতংগ |

## গ— জ্ঞান সম্প্ৰসাৰণ

চৰায়ে আমাৰ কি কি উপকাৰ সাধন কৰে দলত আলোচনা কৰি লিখা।

পশু-পক্ষী, গছ-গছনিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্কৰ কথা দলত আলোচনা কৰি লিখা।

তৰ্ক প্ৰতিযোগিতা পাতোঁ আহা

'এটি সুস্থ-সবল পৰিৱেশৰ বাবে গছ-গছনি, চৰাই-চিৰিকটি আৰু বিভিন্ন প্ৰাণীৰ আৱশ্যকতা আছে।'

*বিষয়টোৰ সপক্ষে আৰু বিপক্ষে সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*




## জানো আহা

‘মুখত দুডাল দূবৰি বন দুডাল খৰিকা
মোৰ চোতালত ওমলহি অ’ ঘনচিৰিকা।’

গীতিকাৰ নৱকান্ত বৰুৱাই ৰচনা কৰা আৰু ড° বীৰেন্দ্ৰনাথ দত্তই কণ্ঠ দিয়া এই গীতটো তোমালোক আটায়ে নিশ্চয় শুনিছা। দোক-মোকালিতে চোতালৰ আগত চিক্ চিক্ চিচিক্, চিক্ চিক্ চিচিক্ কৈ গীত গাই আপোন পাহৰি নাচি-বাগি জঁপিয়াই ফুৰা কণমানি চৰাইবোৰেই হ’ল ঘনচিৰিকা বা ঘৰচিৰিকা। ঘৰৰ আশে-পাশে থাকে কাৰণে মানুহে সম্ভৱ ইহঁতক ঘৰচিৰিকা বোলে। বহুতে আকৌ ঘন ঘন কৈ জঁপিয়াই চিৰিক্ চিৰিক্‌কৈ মাতি থাকে কাৰণে ইহঁতক ঘনচিৰিকাও বোলে।

ইহঁতৰ মূল আহাৰ ঘেঁহু, গম, ধান, চাউল আদি। ইয়াৰ উপৰি গৰু, ম’হ, ঘোঁৰা আদিৰ গোবৰত থকা হজম নোহোৱা শস্যৰ গুটি খায়ো ইহঁত জীয়াই থাকে। শস্য নষ্ট কৰা পোক-পৰুৱা খাই ঘৰচিৰিকাই মানৱ জাতিৰ উপকাৰ সাধন কৰে। দোক-মোকালিৰ পৰা সন্ধিয়ালৈকে ইহঁতে গোটেই দিনটো জঁপিয়াই ফুৰি আহাৰ সংগ্ৰহ কৰিয়েই কটায়। ভাৰতৰ প্ৰায় সকলো ঠাইতে ঘৰচিৰিকা দেখা যায়।



## ঘ— প্ৰকল্প

- **চৰাইৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা।**
- **পৰিৱেশ বিনষ্ট নোহোৱাকৈ ৰাখিবলৈ তিনিটা শ্লোগান লিখি শ্ৰেণী-কোঠা আৰু বিদ্যালয়ৰ সন্মুখত সকলোৱে পঢ়িব পৰাকৈ আৰি থোৱা।**
- **তোমালোকে দেখা আৰু জনা, মানুহৰ বসতিৰ আশে-পাশে থকা, চৰাই-চিৰিকটিৰ নামৰ এখন তালিকা কৰা আৰু সিহঁতৰ বিষয়ে চমুকৈ লিখা।**

☞ *পাঠটোৰ পৰা শ্ৰুতলিপি দিব।*

## পাঠ ২

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধুটো শুনি, বুজি নিজৰ কথাৰে ক'ব পৰা
- সাধু পঢ়ি, বুজি সাধুটোৰ বিষয়ে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব পৰা
- মানুহৰ বাবে পখীকুল  যে অতি উপকাৰী সেই বিষয়ে অৱগত হোৱা
- চৰাই সংৰক্ষণৰ প্ৰতি সচেতন হোৱা
- একবচন, বহুবচন, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, লিংগ, বিভক্তিৰ ব্যৱহাৰ সম্পৰ্কে জনা
- বিপৰীত অৰ্থবোধক শব্দ জনা, বাক্য ৰচনা কৰিব পৰা, বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ চিনাক্ত কৰিব পৰা
- নতুন শব্দৰ অৰ্থ জনা
- ম্ব, ক্ত, জ্ঞ, গ্ম যুক্তাক্ষৰকেইটাৰ লগত পৰিচয় হোৱা, ভাঙিব পৰা আৰু গঠন কৰিব পৰা
- সাধুটোৰ জৰিয়তে পৰিৱেশৰ প্ৰতি সজাগতাৰ ভাব জন্মা
- চৰাইৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰিব পৰা
- তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| সাধু পাঠ | সাধু শুনি বুজি ক'ব পৰা | নিজৰ কথাৰে সাধু সজাই পৰাই ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | | |
|---|---|---|---|---|---|---|
| | | | | | | |
| **ভাষা অধ্যয়ন** (ব্যৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা, গঠন কৰিব পৰা আৰু পঢ়িব পৰা | বিপৰীত অৰ্থবোধক শব্দ লিখিব পৰা | বিশেষ্য, বিশেষণ, সৰ্বনাম পদ চিনাক্ত কৰিব পৰা | বাক্য গঠন কৰিব পৰা | শব্দ বিভক্তিৰ চিনৰ বিষয়ে জনা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | চৰাই-চিৰিকটিৰ উপকাৰিতাৰ বিষয়ে জনা | পশু-পক্ষী, গছ-গছনিৰ সৈতে থকা মানুহৰ সম্পৰ্ক বুজি পোৱা | তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পৰা | | | |
| | | | | | | |
| **প্ৰকল্প** | চৰাইৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰিব পৰা | পৰিৱেশ সজাগতাৰ বিষয়ে শ্লোগান লিখিব পৰা | চৰাই-চিৰিকটিৰ নামৰ তালিকা কৰিব জনা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ  তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৩

C3I2N4

# অৰূপৰ আবেদন

বহুদিনৰ মূৰত অৰূপ আজি স্কুললৈ আহিছে। তাৰ খা-খবৰ লোৱাত লগৰীয়াহঁত ব্যস্ত। এনেতে শিক্ষয়িত্ৰী ৰেহেনা খাতুন বাইদেউ আহি শ্ৰেণী কোঠাত সোমাল। সোমায়েই তেওঁ অৰূপক দেখি সুধিলে—“অৰূপ, তুমি দেখোন কেইবাদিনো স্কুল খতি কৰিলা, কিবা অসুখ-বিসুখ হৈছিল নেকি?” “হয় বাইদেউ” বুলি সি তাৰ জেপৰ পৰা এখন কাগজ উলিয়াই শিক্ষয়িত্ৰী বাইদেউৰ হাতত দিলে। তেখেতে কাগজখন মেলি চাই পঢ়িলে—

*শ্ৰীহৰি সহায়*          *নামশালা*

*তাং-১৫-০৫-১৩*

পূজনীয়া বাইদেউ,

প্ৰথমতে মোৰ সেৱা গ্ৰহণ কৰিব। যোৱা ৫-০৫-১৩ তাৰিখে মই গাঁৱৰে এঘৰলৈ ভোজ খাবলৈ গৈছিলোঁ। খাই অহাৰ পৰাই মোৰ পেট-চলা আৰম্ভ হৈছিল। মা-দেউতাহঁতে কিবা-কিবি খুৱাইছিল; কিন্তু পেট-চলা বন্ধ নহ’ল। শেষত ডাক্তৰক দেখুৱাই মোক চেলাইন দিবলগীয়া হৈছিল। তাৰ পাছতো দুৰ্বল হৈ থকা বাবে এইকেইদিন স্কুললৈ আহিব পৰা নাছিলোঁ। এতিয়া অলপ ভাল পাইছোঁ।

এই দহদিন স্কুলত উপস্থিত থাকিব নোৱাৰিলোঁ। অনুগ্ৰহ কৰি অনুপস্থিত থকা দিনকেইটাৰ বাবে ছুটী মঞ্জুৰ কৰে যেন। এয়ে মহোদয়াৰ ওচৰত মোৰ সৰল মিনতি। শ্ৰদ্ধাৰে, ইতি—

আপোনাৰ প্ৰিয় ছাত্ৰ
অৰূপ হাজৰিকা
৫ ম মান, ‘ক’ শাখা
ৰোল নং—৭



চিঠিখন পঢ়ি উঠি শিক্ষয়িত্ৰী বাইদেৱে ক'লে- "অৰূপ, তুমি লিখিতভাৱে জনোৱা বাবে মই ভাল পাইছোঁ। কিন্তু এইখন তুমি মোলৈ দিয়া চিঠিহে হৈছে। স্কুলত অনুপস্থিত থাকিলে বা থাকিবলগীয়া হ'লে ছুটী মঞ্জুৰীৰ বাবে আৱেদনহে কৰিব লাগে। আৱেদনক 'দৰ্খাস্ত' বুলিও কোৱা হয়। চিঠি আৰু আৱেদন একে নহয়। মই তোমালোকক শিকাই দিছোঁ ৰ'বা। ভৱিষ্যতে তোমালোকে এনেধৰণেৰে আৱেদন লিখিবা।" এই বুলি ৰেহেনা বাইদেৱে ব'ৰ্ডত এনেদৰে লিখি দিলে—

<u>**আৱেদন**</u>

নৱজ্যোতি আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ মাননীয় প্ৰধান শিক্ষক মহোদয়ৰ সমীপেষু।
৫ ম শ্ৰেণী, 'ক'- শাখাৰ শ্ৰেণী-শিক্ষয়িত্ৰী মহোদয়াৰ জৰিয়তে।

বিষয় ঃ ছুটী মঞ্জুৰীৰ আৱেদন। তাৰিখ—১৫/৫/১৩

মহাশয়,

বিনীত নিৱেদন এই যে, পেট-চলা ৰোগত ভোগাৰ বাবে যোৱা ৫-০৫-১৩ তাৰিখৰ পৰা ১৪-০৫-১৩ লৈ মই স্কুলত উপস্থিত থাকিব পৰা নাছিলোঁ।

সেই কাৰণে এই আৱেদনখনি সহানুভূতিৰে বিৱেচনা কৰি উক্ত দিনকেইটিৰ ছুটী মঞ্জুৰ কৰিবলৈ দয়ালু মহোদয়ৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

অৰূপৰ পেট-চলাটো সত্য
জগত হাজৰিকা
অভিভাৱকৰ চহী
১৫/০৫/১৩

আপোনাৰ একান্ত বাধ্য ছাত্ৰ
অৰূপ হাজৰিকা
৫ ম মান, 'ক' শাখা
ৰোল নং-৭ ।

এতিয়া চিঠি আৰু আৱেদনৰ মাজত থকা প্ৰভেদ নিশ্চয় ধৰিব পাৰিছা। আৱেদন আৰু চিঠিৰ লিখন শৈলী বেলেগ বেলেগ। চিঠি আৰু আৱেদনত মূল চাৰিটা ভাগ থাকে। সেইকেইটা হ'ল— শিৰোনামা, সম্বোধন, মূল অংশ আৰু সামৰণি।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পাঠটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**

**উত্তৰ দিয়া।**

(ক) অৰূপে কি কাৰণত কেইবাদিনো স্কুলত অনুপস্থিত আছিল?

(খ) অৰূপৰ পেট-চলা ৰোগ কিয় হৈছিল?

(গ) অৰূপে দিয়া চিঠিখন পঢ়ি শিক্ষয়িত্ৰীগৰাকীয়ে কি কৈছিল?

(ঘ) আৱেদনক আৰু কি বুলি কয়?

(ঙ) অৰূপে পঢ়া স্কুলখনৰ নাম কি?

(চ) অৰূপে কি বিচাৰি আৱেদন কৰিছিল?

**শব্দবোৰৰ অৰ্থ লিখোঁ আহা**

ব্যস্ত খতি পেট-চলা ছুটী মঞ্জুৰ একান্ত শৈলী শিৰোনামা

**'অৰূপ, তুমি দেখোন কেইবাদিনো স্কুল খতি কৰিলা, কিবা অসুখ-বিসুখ হৈছিল নেকি?'— এই প্ৰশ্নটো কোনে, কেতিয়া, কাক কৰিছিল?**

**স্কুলত অনুপস্থিত থাকিলে কাৰ জৰিয়তে কালৈ আৱেদন কৰিব লাগে?**

**অৰূপে লিখা পত্ৰ আৰু শিক্ষয়িত্ৰী বাইদেৱে শিকোৱা আৱেদনখনৰ মাজত কি কি পাৰ্থক্য দেখিলা? কোৱা আৰু লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

### জানো আহা

অৰূপৰ চিঠিখনত থকা—

"যোৱা ৫/৫/১৩ তাৰিখে মই এঘৰলৈ ভোজ খাবলৈ **গৈছিলোঁ**। খাই অহাৰ পৰাই মোৰ পেট-চলা আৰম্ভ **হৈছিল**। মা-দেউতাই কিবা-কিবি **খুৱাইছিল**; কিন্তু পেট-চলা বন্ধ হোৱা **নাছিল**।"

ওপৰৰ বাক্যকেইটিত থকা **গৈছিলোঁ, হৈছিল, খুৱাইছিল** আৰু **নাছিল** এই ক্ৰিয়া পদকেইটাই ইতিমধ্যে হৈ যোৱা কামবোৰৰ অৰ্থ প্ৰকাশ কৰিছে। এনেদৰে **আগতে হৈ যোৱা কাৰ্যৰ অৰ্থ প্ৰকাশ কৰা ক্ৰিয়াৰ কালক অতীত কাল বুলি কোৱা হয়।**

শিক্ষয়িত্ৰীগৰাকীয়ে কোৱা বাক্য দুটা মন কৰা—

"অৰূপ, তুমি লিখিতভাৱে জনোৱা বাবে মই ভাল **পাইছোঁ**। কিন্তু এইখন তুমি মোলৈ দিয়া চিঠিহে **হৈছে**।"

ইয়াত **পাইছোঁ** আৰু **হৈছে** এই ক্ৰিয়া পদ দুটিয়ে কামটো এতিয়া নাইবা সদায় কৰা বা হোৱা বুজাইছে। এতিয়া **কৰা, হোৱা বা চলি থকা অৰ্থ প্ৰকাশ কৰা ক্ৰিয়াৰ কালক বৰ্তমান কাল বুলি কোৱা হয়।**

যেনে— কাডমে গান **গাইছে**। বাছাপীয়ে **নাচিছে**।

"মই তোমালোকক শিকাই দিছোঁ **ৰ'বা**। ভৱিষ্যতে তোমালোকে এনেধৰণেৰে আবেদন **লিখিবা**।"

ওপৰৰ বাক্য দুটাত ব্যৱহাৰ হোৱা **ৰ'বা** আৰু **লিখিবা** এই ক্ৰিয়া পদ দুটাই এতিয়ালৈকে সম্পন্ন নোহোৱা কামৰ অৰ্থ বুজাইছে। এনেদৰে **আগলৈ হ'বলগীয়া কামৰ অৰ্থ প্ৰকাশ কৰা ক্ৰিয়াৰ কালক ভৱিষ্যত কাল বুলি কোৱা হয়।**

যেনে— কাইলৈ বাইদেৱে আমাক সাধুকথা **ক'ব**।
আমি মনপুতি **শুনিম**।
সাধু শুনি বৰ ভাল **লাগিব**।

**পাঠটিত থকা অতীত কাল বুজোৱা ক্ৰিয়া পদবোৰ বিচাৰি উলিয়াই লিখা।**



**তলৰ বাক্যবোৰৰ কাষত দুটাকৈ পদ দিয়া আছে। তাৰে এটাহে বাক্যটোৰ লগত খাপ খায়। খাপ নোখোৱা পদটোত কটা ‘X’ চিন দিয়া। তাৰপাছত খাপ খোৱা পদটোৰে বাক্যটো পুনৰ লিখা।**

**উদাহৰণ**— মণিকা কালি স্কুললৈ | ~~আহিব~~ | আহিছিল

মণিকা কালি স্কুললৈ আহিছিল

| | | | |
|---|---|---|---|
| (ক) মই কাইলৈ গুৱাহাটীলৈ | যাম | গৈছিলোঁ | । |
| (খ) সৌৰা, চৰাইবোৰ আকাশত | উৰিছে | উৰিছিল | । |
| (গ) যোৱাবেলি আমাৰ ইয়াত বানপানী | হ'ব | হৈছিল | । |
| (ঘ) আহা, আমি ঘৰলৈ | যাওঁ | গৈছিলোঁ | । |
| (ঙ) মই কিতাপ | পঢ়োঁ | পঢ়ে | । |
| (চ) তুমি কি | কৰিছে | কৰিছা | ? |
| (ছ) তেওঁ ধান | দাইছা | দাইছে | । |
| (জ) আমি ছবি | আঁকিছিলোঁ | আঁকিছিল | । |
| (ঝ) তোমালোকে গীত | গাইছিল | গাইছিলা | । |
| (ঞ) তেওঁলোকে বল | খেলিছিল | খেলিছিলা | । |
| (ট) দেউতা আজি আহি | পাম | পাব | । |
| (ঠ) সিহঁতে কাইলৈ চিনেমা | চাব | চাম | । |
| (ড) আমি বৰশী | বাম | বাব | । |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তোমালোকে লিখা শুদ্ধ বাক্যবোৰ কাল অনুসৰি শ্ৰেণী বিভাজন কৰি লিখা।**

**উদাহৰণ —**

| অতীত কাল | বৰ্তমান কাল | ভৱিষ্যত কাল |
|---|---|---|
| মণিকা কালি স্কুললৈ আহিছিল। | মই কিতাপ পঢ়োঁ। | মই কাইলৈ গুৱাহাটীলৈ যাম। |

*☞ ক্ৰিয়াৰ কাল সম্পৰ্কীয় ক্ৰিয়া-কলাপ দুটা কৰাওঁতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

**তলৰ খালী ঠাইবোৰ ক্ৰিয়াপদেৰে পূৰোৱা।**

(ক) যোৱাবেলি আমি বনভোজ খাবলৈ ________ ।

❍ আমাৰ লগত ছাৰ-বাইদেউসকলো ________ ।

❍ বাটত তেখেতসকলে আমাক বৰ ভাল ভাল কথা ________ ।

❍ মাজে মাজে আমি গান ________, স্ফূৰ্তি ________ আৰু কৌতুক শুনি ________ ।

(খ) পছোৱা বতাহ বলিছে। সৌৱা পথাৰত এজাক গৰখীয়া ল'ৰাই খেলি ________। তেওঁলোকৰ কেইজনমানে হাডুগুডু ________। আন কেইজনমানে চিলা ________। এজনে আকৌ গছৰ তলত বহি বাঁহী ________। আন এজনে আঁহতৰ পাতেৰে টুপী ________।

(গ) মা কাইলৈ মামাহঁতৰ ঘৰলৈ ________। তাত তেওঁ কেইদিনমান ________। মাহীদেউৰ বিয়াৰ পাছতহে উভতি ________। আহোঁতে মোলৈ লাৰু-পিঠা ________।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**শব্দ সাজি বাক্য ৰচনা কৰা।**

| | | | | |
|---|---|---|---|---|
| অ | ৰূপ | → | অৰূপ | অখাদ্য খোৱাৰ বাবে অৰূপৰ পেটৰ অসুখ হৈছিল। |
| | সহ্য | → | | |
| | খাদ্য | → | | |
| | সুখ | → | | |
| | মিল | → | | |

| | | | | |
|---|---|---|---|---|
| অনু | গ্ৰহ | → | অনুগ্ৰহ | অনুগ্ৰহ কৰি বিদ্যালয়ত উপস্থিত থাকিব নোৱৰা দিনকেইটাৰ ছুটী মঞ্জুৰ কৰে যেন। |
| | উপস্থিত | → | | |
| | ৰূপ | → | | |
| | মান | → | | |
| | উচিত | → | | |

## গ — জ্ঞান সম্প্ৰসাৰণ



**অৰূপে শ্ৰেণী-শিক্ষয়িত্ৰীলৈ লিখা চিঠিখন এবাৰ ভালকৈ চাওঁ আহা—**

**শিৰোনামা**— চিঠিখনৰ ওপৰ অংশৰ একেবাৰে সোঁ কোণত লিখা আছে 'নামশালা' আৰু তলত তাৰিখ আছে ১৫-০৫-১৩; অৰ্থাৎ অৰূপে নামশালা নামৰ ঠাইখনত বহি ২০১৩ চনৰ মে' মাহৰ ১৫ তাৰিখে চিঠিখন লিখিছিল। তেনেদৰে আমি সকলোৱে আনলৈ চিঠি লিখোঁতে চিঠি লিখা ঠাইখনৰ নাম আৰু তাৰিখ লিখিব লাগে। চিঠিৰ এই অংশটোকে শিৰোনামা বুলি কোৱা হয়।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**সম্বোধন**— শিৰোনামাৰ তলত চিঠিখনৰ বাঁওফালে আৰম্ভণিতে 'পূজনীয়া বাইদেউ' বুলি লিখিছে। অর্থাৎ চিঠিখন যালৈ লিখিছে তেওঁক সম্বোধন কৰিছে। আমি চিঠি লিখোঁতে সচৰাচৰ এনেদৰে সম্বোধন কৰোঁ—



পিতৃ-মাতৃ বা জ্যেষ্ঠজনক — পূজনীয়/পূজনীয়া

আত্মীয় স্বজন/জ্যেষ্ঠজনক — শ্ৰদ্ধেয়/শ্ৰদ্ধেয়া

জ্যেষ্ঠ বিষয়া বা বিভাগীয় প্ৰধানক — মহোদয়/মহোদয়া

সন্মানীয় পদবীত থকাসকলক — মাননীয়/মাননীয়া

বন্ধু - বান্ধৱী বা সৰুসকলক — মৰমৰ/প্ৰিয়

মান্যজনে পুত্ৰ-কন্যা, ছাত্ৰ-ছাত্ৰী, জী-জোঁৱাইলৈ লিখিলে— কল্যাণীয়/কল্যাণীয়া

**মূল অংশ**— সম্বোধনৰ তলত সাদৰ/সম্ভাষণ জনোৱাৰ পাছত ঘৰৰ আন সদস্যলৈ শ্ৰদ্ধা/মৰম জনাই মূল বক্তব্য প্ৰকাশ কৰিব লাগে। চিঠিৰ এই অংশত নিজৰ খা-খবৰ, সুখ-দুখ, আনন্দ-বেদনা, অভাৱ-অভিযোগ, ব্যক্তিগত চিন্তা-ভাৱনা ব্যক্ত কৰিব লাগে। এই অংশত যালৈ চিঠি লিখা হয় তেওঁলোকৰ খা-খবৰ সোধাৰ উপৰি নিজৰ পৰিয়াল, অঞ্চল বা বিদ্যালয়ৰ ঘটনা আদিও ব্যক্ত কৰিব পাৰি।

**বিদায় সম্ভাষণ/সামৰণি**— চিঠিৰ এই ভাগত সিটো পক্ষৰ উত্তৰ কামনা কৰি পত্ৰ লিখকে চিঠিৰ সামৰণি মাৰে।

সদৌ শেষত ইতি, তোমাৰ বন্ধু/বান্ধৱী বুলি নিজৰ নামটো লিখিব লাগে। কিন্তু ব্যক্তি বিশেষে সামৰণিৰ সম্বোধন বেলেগ বেলেগ হয়, যেনে—পৰিচিত ব্যক্তি, আত্মীয়-স্বজন, বন্ধু-বান্ধৱী আদিৰ বেলিকা ইতি, **আপোনাৰ/ তোমাৰ/ তোৰ** বুলি লিখি নিজৰ নাম চহী বা ঘৰত মতা, পৰিচিত নাম লিখিব লাগে।

— সন্মানীয় ব্যক্তিলৈ লিখা চিঠিত ইতি, **আপোনাৰ গুণ-মুগ্ধ,**

— নিমন্ত্ৰণী-পত্ৰত সচৰাচৰ ইতি, **বিনীত/বিনয়াবনত/ভৱদীয়,**

— কর্তৃপক্ষলৈ (অধ্যক্ষ/প্ৰধান শিক্ষক)লিখিলে ইতি, **আপোনাৰ একান্ত বাধ্য ছাত্ৰ-ছাত্ৰী।**

— কাৰ্যালয় আৰু ব্যৱসায় সংক্ৰান্তীয় চিঠিত ইতি, **আপোনাৰ বিশ্বাসী।**

— সম্বন্ধ বিশেষে ইতি, **আপোনাৰ/তোমাৰ শুভাকাংক্ষী/সেৱক** আদি লিখিব লাগে।

**খামৰ ওপৰত—** চিঠিৰ খামত যালৈ চিঠি পঠোৱা হয় তেওঁৰ অৰ্থাৎ পাবলগীয়াজনৰ পিনকোডসহ সম্পূৰ্ণ ডাক-ঠিকনা লিখিব লাগে। তেনেদৰে প্ৰেৰকৰো নাম-ঠিকনা লিখিব লাগে।

কম কথাতে শুৱলাকৈ চিঠি লিখিব পৰাটো এটা ভাল কলা আৰু চিঠি পালে উত্তৰ দিয়াটো প্ৰয়োজনীয় শিষ্টাচাৰ। চিঠি আদান-প্ৰদানৰ জৰিয়তে মানুহৰ মাজত সদ্ভাৱ, প্ৰীতি আৰু সামাজিক সম্পৰ্ক গঢ়ি উঠে। মনৰ ভাব মুকলিকৈ প্ৰকাশ কৰাৰ বিশ্বাসযোগ্য সহজ উপায় হৈছে চিঠি।



**চিঠিৰ প্ৰকাৰ—**

(১) ব্যক্তিগত চিঠি-পত্ৰ

(২) আৱেদন পত্ৰ

(৩) ব্যাৱসায়িক চিঠি-পত্ৰ

(৪) কাৰ্যালয় সম্বন্ধীয় চিঠি-পত্ৰ



**স্কুল খতি কৰিলে পঢ়া-শুনাৰো ক্ষতি হয়। সেই ক্ষতি আমি কেনেদৰে পূৰ কৰিব পাৰোঁ দলত আলোচনা কৰোঁ আহা।**



**সমূহীয়া ভোজভাত খালে তলত দিয়া কোনবোৰ কাৰণত আমাৰ পেটৰ অসুখ হ'ব পাৰে?**

— সোৱাদ পাই সৰহকৈ খালে

— আঞ্জাত বেছি জ্বলা-মচলা হ'লে

— অসময়ত খোৱাৰ বাবে

 তলৰ চিঠিখনৰ উত্তৰ লিখা।



ৰণাকুছি
ডাক-ঘৰ—দীঘেলী
তাং-০১-০৬-২০১৩

*কল্যাণীয় প্ৰণৱ,*

*পোনপ্ৰথমে মোৰ হিয়া ভৰা মৰম আৰু শুভাশিস ল'বা। ভালেমান দিন তোমাৰ পৰা চিঠি-পত্ৰ নাপাই চিন্তা লাগি আছে। সৰুবাপু পোনাকণৰ অসুখ ভাল হ'ল নে? দেউতাৰাৰ কাম-কাজ (ব্যৱসায়) কেনে চলিছে? চিঠি পোৱাৰ লগে লগে সবিশেষ জনাই উত্তৰ দিবা।*

*ছমহীয়া পৰীক্ষা ওচৰ চাপিছে নিশ্চয়? মন দি পঢ়া-শুনা কৰিবা। ছাত্ৰ জীৱনত পঢ়াটোৱেই হৈছে প্ৰধান কাম। এতিয়া প্ৰতিযোগিতাৰ যুগ। পৰীক্ষাত ভাল ফল দেখুৱাবলৈ যত্ন কৰিবা। পোনাকণক মোৰ মৰম দিবা আৰু মাৰা-দেউতাৰাক মোৰ কুশল বাতৰি জনাবা। বিশেষ নাই। তোমাৰ মংগল কামনাৰে, ইতি—*

*তোমাৰ আইতাৰা,*
*দময়ন্তী*

*শ্ৰীমান প্ৰণৱ বৰবৰা*
*মাৰফৎ — প্ৰধান শিক্ষক,*
*ধাই আলি এম.ই. স্কুল*
*ডাক-ঘৰ — শিৱসাগৰ (অসম)*
*পিন নং — ৭৮৫০০১*

**দলত আলোচনা কৰি লিখা।**

(ক) বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাই প্ৰধান শিক্ষক মহোদয়লৈ আবেদন পত্ৰ

(খ) নৱাগত আদৰণী সভাৰ অভিজ্ঞতা বৰ্ণাই বন্ধু- বান্ধৱীলৈ চিঠি

(গ) চিঠি আৰু আবেদনৰ মূল ভাগ কেইটা আৰু কি কি? কোনটো ভাগত কি লিখিব লাগে?

## ঘ — প্ৰকল্প

- **স্থানীয় ডাক-ঘৰত হোৱা কাম-কাজৰ বুজ লৈ তলৰ বিষয়বোৰৰ চমু টোকা লিখা। (আৱশ্যকবোধে ডাক-ঘৰৰ বিষয়া, কৰ্মচাৰীৰ সহায় লোৱা।)**

✸ ডাক-টিকট

✸ পোষ্ট-কাৰ্ড

✸ খাম

✸ মনি-অৰ্ডাৰ/বৈদ্যুতিন মনি-অৰ্ডাৰ

✸ ক্ষুদ্ৰ সঞ্চয়/ডাক বীমা

✸ পিন কোড নম্বৰ



**তৈয়াৰ কৰা।**

✸ খাম

✸ শুভেচ্ছাপত্ৰ (নৱবৰ্ষৰ, জন্মদিনৰ)

## পাঠ ৩

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- চিঠি আৰু আবেদনৰ ধাৰণা স্পষ্ট হোৱা আৰু লিখিব পৰা
- শব্দৰ অৰ্থ শিকি প্ৰয়োগ কৰিব পৰা
- ছুটী ল'লে কাৰ জৰিয়তে, কালৈ, কেনেকৈ আবেদন বা দৰ্খাস্ত লিখিব লাগে তাক জনা
- পাঠৰ বিষয়বস্তু বুজি লৈ প্ৰশ্নৰ যথাযথ উত্তৰ দিব পৰা
- চিঠি লিখাৰ কৌশল আয়ত্ত কৰিব পৰা
- ক্ৰিয়াৰ কালৰ ধাৰণা পোৱা আৰু প্ৰয়োগ কৰিব পৰা
- পাঠৰ পৰা অতীত কালৰ ক্ৰিয়া পদ বিচাৰি লিখিব পৰা
- খাম আৰু শুভেচ্ছা পত্ৰ তৈয়াৰ কৰিবলৈ শিকা
- ডাক-ঘৰৰ কাম-কাজৰ বিষয়ে জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| **বৰ্ণনামূলক পাঠ** | পাঠটো স্পষ্ট আৰু শুদ্ধকৈ পঢ়িব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | আবেদন লিখিব পৰা হোৱা | আবেদন আৰু চিঠিৰ মাজত থকা পাৰ্থক্য বুজি লিখিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | ক্ৰিয়াৰ কাল নিৰ্ণয় কৰিব পৰা | ক্ৰিয়া পদ ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণ কৰিব পৰা | বাক্য গঠন কৰিব পৰা | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | চিঠি লিখিব পৰা | প্ৰয়োজন অনুসৰি আবেদন লিখিব পৰা | চিঠিৰ উত্তৰ দিব পৰা | চিঠিৰ ভাগ কেইটা আৰু কি কি তাক জনা আৰু ক'ব পৰা | | |
| | | | | | | |
| **প্ৰকল্প** | খাম আৰু শুভেচ্ছা পত্ৰ তৈয়াৰ কৰিব পৰা | ডাক-ঘৰৰ কাম-কাজৰ বিষয়ে জানি লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৪

# পিঠাৰ মেল

অকমানিহঁতৰ ভঁৰালী কোঠাত
বিহু উৰুকা ৰাতি
পাচিত বহি পিঠাবোৰে
আছিল কথা পাতি।
চুঙা পিঠাই মাতিলে ঘপৰাই
"খোলাচাপৰীয়া বাই!
দেশৰ কথা,দহৰ কথা
শুনিছনে নাই?





এই দেশত আৰু বেছি দিন
নাই আমাৰ ভাত"
"কিয় কৰ তেনে দুখলগা কথা?"
সুতুলীয়ে দিলে মাত।
ফেনি পিঠায়ে দিলে উত্তৰ
ফেন উলিয়াই—
"হওঁতে আমাৰ চুঙা বোপাই
মিছা কোৱা নাই।
আজিকালি আৰু অকমানিয়ে
নাপায় আমাক চিনি,
লুচি লাগে, বিচ্‌কুট লাগে,
লাগে চাহ পানী।

টপাটপ ৰসৰ গোল্লা
মুখত সুমাব পাই
লাৰু আৰু পিঠাবোৰক হায়
ঘিণৰ চকুৰে চায়।
পিঠাৰ এই ঘোৰ অপমান
তালৈ কোনে কৰে কাণ,
এইদৰে হ'লে আমি বেছি দিন
জীয়াই থকাই টান।"



কবি — অতুল চন্দ্ৰ হাজৰিকা

(উৎস- সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ 'শিশু-সাহিত্য সম্ভাৰ', দ্বিতীয় খণ্ড, পৃষ্ঠা ৭৩৪, প্ৰকাশক - এছ. এইছ. এডুকেশ্বনেল ট্ৰাষ্ট, গুৱাহাটী ৭৮১০০৫। মূল পদ্যটো দীঘল। পাঠৰ উপযোগী কৰি সম্পাদনা কৰা হৈছে)।

**ক্ৰিয়া-কলাপ** ক — পাঠভিত্তিক ক্ৰিয়া

**পদ্যটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**

**দলত ভাগ হৈ পদ্যটো আবৃত্তি কৰা।**

**'পিঠাৰ মেল' পদ্যটো কাহিনী আকাৰে কোৱা।**



**কোনে, কাক, কি প্ৰসংগত কৈছে ?**

(ক) "এই দেশত আৰু বেছি দিন
নাই আমাৰ ভাত।"

(খ) "কিয় কৰ তেনে দুখ লগা কথা?"

(গ) "লাৰু আৰু পিঠাবোৰক হায়
ঘিণৰ চকুৰে চায়।"

**তলৰ খালী ঠাইত বাকচত থকা উপযুক্ত শব্দেৰে পূৰোৱা-**

| | | | |
|---|---|---|---|
| ভঁৰালী কোঠা | উৰুকা | পাচি | ঘপৰাই |
| ঘোৰ অপমান | হঠাৎ | ঘিণ | |

**উদাহৰণ— অতি অসন্মান/অৱমাননা — ঘোৰ অপমান**

অকস্মাৎ ________

বিহুৰ আগদিনা ________

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

শস্য আদি থ'বৰ বাবে বাঁহৰ কাঠিৰে সজা বহল মুখৰ সঁজুলি .................

লৰালৰিকৈ কৰা কাৰ্য .................

ঘৃণা, ভাল নোপোৱা .................

বস্তু সামৰি থোৱা কোঠা .................



**পদ্যটোত উল্লেখ থকা পিঠাৰ নামবোৰ পাচিৰ পৰা বিচাৰি উলিয়াই খালী ঠাইত লিখা।**

উদাহৰণ — চুঙা পিঠা

____________________

____________________

____________________

____________________

____________________

____________________

____________________




**উত্তৰ লিখা।**

(ক) খোলাচাপৰীয়া পিঠাক কোনে কি বুলি সম্বোধন কৰিছিল?

(খ) কি কি পিঠাই 'পিঠাৰ মেল' ত ভাগ লৈছিল?

(গ) অকমানিয়ে পিঠা, লাৰুৰ সলনি কি কি খাবলৈ বিচাৰে?

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

"চুঙা পিঠাই মাতিলে ঘপৰাই খোলাচাপৰীয়া বাই"

'ঘপৰাই' শব্দটোৰ দৰে 'টপৰাই' শব্দটোৱেও 'ততালিকে' অৰ্থ প্ৰকাশ কৰে।

**উদাহৰণ** — ক) ৰাজুৱে সকলো কথাতে ঘপৰাই মাতে।

খ) সি টোপনিৰ পৰা ঘপৰাই উঠিল।

গ) সকলো প্ৰশ্নৰ উত্তৰ ঘপৰাই দিয়া সহজ কথা নহয়।



**ওপৰত 'ঘপৰাই' শব্দটো ব্যৱহাৰ কৰি লিখাৰ নিচিনাকৈ 'টপৰাই' শব্দটো ব্যৱহাৰ কৰি তিনিটা বেলেগ বেলেগ বাক্য লিখা।**

ক) ______________________________

খ) ______________________________

গ) ______________________________



**দলত আলোচনা কৰি শব্দবোৰৰ পাৰ্থক্য উলিয়াই একোটাকৈ বাক্য ৰচনা কৰা।**

**উদাহৰণ — পাঁতি (শাৰী অৰ্থত) — তামোলৰ পুলিবোৰ পাঁতি পাঁতিকৈ ৰুৱা।**

**পাটী (ঢাৰি বা পাটী) — পাটীত বহি কণমইনাই সাধু শুনি আছে।**

| | | | | | |
|---|---|---|---|---|---|
| (ক) কথা | কঠা | (খ) পানী | পাণি | (গ) মাটি | মাতী |
| (ঘ) দিন | দীন | (ঙ) কালি | কালী | (চ) খালি | খালী |

☛ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## জানো আহা

"লাৰু আৰু পিঠাবোৰক হায় ঘিণৰ চকুৰে চায়।"

ওপৰৰ **'আৰু'** শব্দৰ দৰে আন কিছুমান শব্দ আছে যিবোৰৰ কোনো পুৰুষ, বচন আৰু বিভক্তিতেই ৰূপৰ সলনি নহয়।

যেনে— **এতেকে, বা, নতুবা, নাইবা, অথবা, কিন্তু, অথচ** আদি এনে ধৰণৰ শব্দ। এই শব্দবোৰকে **অব্যয় পদ** বোলা হয়।



**নাওখনত দিয়া অব্যয় পদেৰে তলৰ বাক্যকেইটা সম্পূৰ্ণ কৰা।**




(ক) ৰমলা .......................... ৰহিমলা দুয়ো বাই-ভনী।

(খ) বিদ্যাই পৰম ধন .......................... মনোযোগেৰে পঢ়া-শুনা কৰিব লাগে।


(গ) এটা ঘৰ .......................... এখন চকীৰ ছবি আঁকা।

(ঘ) কাহিনী শুনিও .......................... ৰস পোৱা যায়।

(ঙ) মই আজি খেলিবলৈ নাযাওঁ .......................... কাইলৈ মোৰ পৰীক্ষা আছে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ — জ্ঞান সম্প্ৰসাৰণ



'আকস্মিক বক্তৃতা' অনুষ্ঠান পাতি তলৰ বিষয়বস্তুৰ বিষয়ে কোৱা।

| | | | |
|---|---|---|---|
| চুঙা পিঠা | উৰুকা | ৰসৰ গোল্লা (ৰসগোল্লা) | বিহুৰান |
| ফেনি পিঠা | বিহু | নাৰিকলৰ লাৰু | তিল পিঠা |



দলত আলোচনা কৰি লিখোঁ আহা—

(ক) তোমালোকৰ ঘৰত বিহু আৰু আন আন উৎসৱত কি কি পিঠা ভাজে আৰু পোৰে?

(খ) পদ্যটোত থকা পিঠাবোৰৰ বাহিৰে কি কি অসমীয়া পিঠা আৰু জলপানৰ নাম জানা?

(গ) তুমি দেখা আৰু খোৱা কিছুমান পিঠা আৰু লাৰুৰ ছবি আঁকি তাৰ তলত নামবোৰ লিখা।



যি কোনো এবিধ লাৰু বা পিঠাৰ প্ৰস্তুত প্ৰণালী সম্পৰ্কে ঘৰত সুধি টোকা বহীত লিখা।



## ঘ — প্ৰকল্প

- পদ্যটিৰ কথাখিনি নাটকৰ ৰূপত লিখি অভিনয় কৰা।

*☞ নিজ নিজ অঞ্চলৰ খোৱা বস্তুৰ নামেৰে আকস্মিক বক্তৃতা পাতিব।*
*☞ কাৰ্যবোৰ কৰাওঁতে প্ৰয়োজন অনুসৰি সহায় কৰিব।*

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্য আবৃত্তি কৰিব পৰা
- পদ্যটোৰ জৰিয়তে কথোপকথনৰ কৌশল আয়ত্ত কৰা
- ব্যংগ্যাত্মক পদ্যৰ ৰস আস্বাদন কৰিব পৰা
- পদ্যটোৰ কথাখিনি কাহিনী আকাৰে ক'ব পৰা
- পদ্যটো বুজি প্ৰশ্নৰ উত্তৰ দিব পৰা
- স্থানীয় পিঠা-পনা, লাৰু আদিৰ নাম জানি লিখিব পৰা
- অৰ্থৰ পাৰ্থক্য অনুসৰি বাক্য ৰচনা কৰিব পৰা
- অব্যয় পদৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা
- আকস্মিক বক্তৃতাত অংশগ্ৰহণ কৰি বিভিন্ন বিষয় সম্পৰ্কে ক'ব পৰা
- পিঠা-পনা, লাৰু আদিৰ প্ৰস্তুত প্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰি ক'ব পৰা
- থলুৱা জা-জলপানসমূহ যে আমাৰ পৰম্পৰাগত জাতীয় খাদ্য সেই কথা জনা আৰু উপকাৰিতাৰ বিষয়ে বুজি পোৱা
- পদ্যটো নাটকৰ ৰূপ দি অভিনয় কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | পদ্যটোৰ কথাখিনি কাহিনী আকাৰে ক'ব পৰা | কথোপকথনত ভাগ ল'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দাৰ্থ বুজি প্ৰয়োগ কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | অৰ্থানুসৰি বাক্য গঠন কৰিব পৰা | অৰ্থৰ পাৰ্থক্য থকা একে উচ্চাৰণৰ শব্দৰে বাক্য ৰচনা কৰিব পৰা | অব্যয় পদৰ বিষয়ে জনা আৰু ব্যৱহাৰ কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | আকস্মিক বক্তৃতাত ভাগ ল'ব পৰা | থলুৱা জা-জলপানৰ নাম জনা আৰু ক'ব পৰা | পিঠাৰ প্ৰস্তুত প্ৰণালীৰ বিষয়ে লিখিব পৰা | লাৰু আৰু পিঠাৰ ছবি আঁকিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | পদ্যটোৰ কথাখিনি নাটক আকাৰে লিখি অভিনয় কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৫

# ডক্টৰ বাণীকান্ত কাকতি

Z6W7Y8



বাটৰ কাষৰ ঘৰটোলৈ আঙুলিয়াই ঈৰ্ষা-পৰায়ণ মানুহ দুজনমানে বেমাৰ দেখুৱাবলৈ অহা মানুহকেইজনক হাঁহি হাঁহি ক'লে— "যোৱা, সৌজন নতুন ডাক্তৰ আহিছে, তেওঁৰ চিকিৎসা বৰ ভাল।" তেওঁলোকৰ কথামতে মানুহকেইজন কাষৰ ঘৰটোৰ ফালে আগবাঢ়ি গ'ল। তেওঁলোকক অনুকৰণ কৰিয়ে পাছলৈ নতুন ডাক্তৰৰ ওচৰলৈ চিকিৎসা বিচাৰি মানুহৰ সোঁত ববলৈ ধৰিলে। ডাক্তৰ বুলি ভবা এই ব্যক্তিগৰাকীয়ে হ'ল ডক্টৰ বাণীকান্ত কাকতি। তেখেতে বুজিলে যে ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ কাৰণে কিছুমান মানুহে ঈৰ্ষাতে সহজ-সৰল মানুহ কিছুমানক ৰোগীৰ ৰূপত তেখেতৰ ঘৰলৈ পঠিয়াইছে। এই কথা ধৰিব পাৰি বাণীকান্ত কাকতিয়ে জোকৰ মুখত চূণ দিবলৈ বিচাৰিলে। সেয়েহে তেখেতে ডাক্তৰৰ ভূমিকা পালন কৰিবলৈ হোমিওপেথিক চিকিৎসাৰ পুথি কেইখনমান কিনি আনি পঢ়িবলৈ আৰম্ভ কৰিলে। তেখেত আছিল সৰুৰে পৰা দৃঢ়মনা আৰু আত্মসন্মানবোধসম্পন্ন ব্যক্তি। জীৱনৰ কোনো পৰিস্থিতিতে তেখেতে হাৰ মানিব খোজা নাছিল। গতিকে কম দিনৰ ভিতৰতে এই চিকিৎসা পদ্ধতিৰ অ, আ, ক, খ আয়ত্ত কৰি ল'লে। পাছলৈ ৰোগীক বিধিমতে বিধানো দিলে। তেখেতৰ মনৰ দৃঢ়তা দেখি কৌতুক কৰাসকলেও তবধ মানিলে আৰু তেখেতৰ প্ৰতি তেওঁলোকৰ শ্ৰদ্ধাৰ ভাব জাগি উঠিল।

বাণীকান্ত কাকতিয়ে 'আছামিজ, ইটচ্ ফৰ্মেচন এণ্ড ডেভেলপমেণ্ট' ('অসমীয়া ভাষাৰ গঠন আৰু বিকাশ') নামৰ গৱেষণা গ্ৰন্থখনৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। সেই সময়ত ডক্টৰেট ডিগ্ৰী লাভ কৰা লোকৰ সংখ্যা আঙুলিৰ আগত লেখিব পৰা আছিল।

আনহাতে চিকিৎসা শাস্ত্ৰৰ ডাক্তৰ ডিগ্ৰীধাৰী লোকৰ সংখ্যাও নগণ্য আছিল। সেই সময়ত বাণীকান্ত কাকতিয়ে কটন কলেজত অধ্যাপনা কৰিছিল আৰু গুৱাহাটীৰ ৰিহাবাৰীৰ নিজা ঘৰত আছিল। তেখেতে ডক্টৰেট ডিগ্ৰী লাভ কৰা বাতৰিটো ৰৌজাল-বৌজাল হৈ প্ৰচাৰ হৈছিল। বহুলোকে এই কথাত গৌৰৱবোধ কৰিছিল যদিও এচাম চকুচৰহা লোকে খবৰটো শুনি জ্বলি-পুৰি মৰিছিল। কৌতুক-প্ৰিয় এচাম লোকে তাকে লৈ আকৌ এনেদৰে ধেমালি কৰিছিল। প্ৰকৃততে তেখেত আছিল ভাষা-বিজ্ঞানৰহে ডক্টৰেট ডিগ্ৰীধাৰী। নিষ্ঠা আৰু সাধনাৰ ফলত মানুহে যে সুখ্যাতি অৰ্জন কৰিব পাৰে, সেই কথা আমি ডক্টৰ বাণীকান্ত কাকতিৰ কৰ্মময় জীৱনৰ পৰাই শিকিব পাৰোঁ।

কথাতে কয় "যি মূলা বাঢ়ে তাৰ দুপাততে চিন।" এই কথাষাৰ ডক্টৰ বাণীকান্ত কাকতিৰ জীৱনত প্ৰতিফলিত হৈছিল। সৰুৰে পৰাই সকলো কথা আঁতিগুৰি মাৰি জানিবলৈ তেখেতৰ আগ্ৰহ আছিল। তেখেতে ওৰেটো জীৱন জ্ঞান অৰ্জনত আত্ম-নিয়োগ কৰিছিল। ইয়াৰ ফলত কেইবাখনো মহৎ গ্ৰন্থ তেখেতৰ কাপৰ পৰা নিগৰি ওলাইছিল। সেইবিলাকৰ ভিতৰত গৱেষণা গ্ৰন্থখন বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থত অসমীয়া ভাষাৰ উৎপত্তি, ইয়াৰ শব্দ ভাণ্ডাৰ আৰু বিশেষত্ব সম্পৰ্কে বিস্তৃত বিশ্লেষণ আছে।



এনেদৰে ভাষা চৰ্চা কৰা লোকসকলক ভাষা-বিজ্ঞানী বোলা হয়। ডক্টৰ বাণীকান্ত কাকতি এগৰাকী অগ্ৰণী ভাষা-বিজ্ঞানী আছিল।

**জানো আহা**

- ড° বাণীকান্ত কাকতিৰ জন্ম ১৮৯৪ চনৰ ১৫ নৱেম্বৰত, বৰপেটা জিলাৰ বাটিকুৰিহা গাঁৱত, দেহাৱসান ১৯৫২ চনৰ ১৫ নৱেম্বৰত।
- ড° বাণীকান্ত কাকতিৰ জন্মৰ আগতেই পিতৃ ললিতৰাম কাকতিৰ মৃত্যু হৈছিল।
- ১৯১১ চনত ড° বাণীকান্ত কাকতিয়ে প্ৰৱেশিকা পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছিল।
- ১৯১৩ চনত তেখেতে কটন কলেজৰ পৰা আই-এ পৰীক্ষা দি কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল।
- ড° বাণীকান্ত কাকতিয়ে ইংৰাজীত অনাৰ্চসহ কলকাতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা বি. এ. পাছ কৰিছিল।

- ১৯১৮ চনত ইংৰাজী (সাহিত্য) বিষয়ত এম. এ. পাছ কৰি কটন কলেজত ইংৰাজী অধ্যাপক হিচাপে নিযুক্ত হয়।
- ১৯২৩ চনত পুনৰবাৰ ইংৰাজী খ-শাখাত (ভাষা বিষয়ত) পৰীক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰে।
- ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি এইচ. ডি. ডিগ্ৰী লাভ কৰিছিল। তাৰ আগতে সেই বিশ্ববিদ্যালয়ৰ পৰা কোনো অসমীয়াই এই ডিগ্ৰী লাভ কৰা নাছিল।
- তেখেতে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল—

| | |
|---|---|
| — পুৰণি অসমীয়া সাহিত্য | — পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা |
| — কলিতা জাতিৰ ইতিবৃত্ত | — ডা' মাডাৰ্ গডেছ্ কামাখ্যা |
| — সাহিত্য আৰু প্ৰেম | — ডা' বৈষ্ণৱাইট্ মিথ্ এণ্ড লি'জেণ্ডছ্ |
| — পখিলা (শিশুৰ বাবে) | — আছামিজ, ইটচ্ ফৰ্মেচন এণ্ড ডেভেলপমেন্ট |

(সংগ্ৰহ —বাণীকান্ত কাকতি, 'জীৱন আৰু কৃতি', প্ৰথম প্ৰকাশ, প্ৰকাশক— ভৱানী প্ৰিন্ট এণ্ড পাব্লিকেচনচ্)

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া



**পাঠটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**



**উত্তৰ দিয়া।**

(ক) নিষ্ঠা আৰু সাধনাৰ ফলত মানুহে কি অৰ্জন কৰিব পাৰে?

(খ) বাণীকান্ত কাকতিয়ে জীৱনৰ বেছিভাগ সময় কি কামত আত্ম-নিয়োগ কৰিছিল?

(গ) নতুন ডাক্তৰ বুলি কাক কোৱা হৈছে?

(ঘ) তেখেতে কি চিকিৎসা কৰিছিল?

(ঙ) বাণীকান্ত কাকতিয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰা গ্ৰন্থখনৰ নাম কি?



**ডক্টৰ বাণীকান্ত কাকতিৰ বিষয়ে পাঠটোৰ আলমত লিখা।**



**ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ পাছত ডক্টৰ বাণীকান্ত কাকতিক লৈ কি ঘটনা ঘটিছিল, চমুকৈ লিখা।**



**অভিধান বা শব্দ সম্ভাৰ চাই অৰ্থ লিখা।**

| | | | |
|---|---|---|---|
| ঈৰ্ষা-পৰায়ণ | আয়ত্ত | সাধনা | থত্‌মত্‌ |
| পৰিস্থিতি | নিষ্ঠা | একান্ত | সুখ্যাতি |
| আত্ম-নিয়োগ | প্ৰবল | চৰ্চা | গতি-গোত্ৰ |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



**তলৰ শব্দকেইটাৰ পৰা যুক্তাক্ষৰ বাছি উলিয়াই ভাঙি দেখুওৱা।**

| | | | | | |
|---|---|---|---|---|---|
| নিষ্ঠা | | = | | + | |
| বিজ্ঞানী | | = | | + | |
| ডক্টৰ | | = | | + | |



**তলৰ আঁচ টনা শব্দবোৰৰ সলনি ব্যক্তিবাচক সৰ্বনাম পদ ব্যৱহাৰ কৰি বাক্যবোৰ পুনৰাই লিখা।**

(ক) ডক্টৰ বাণীকান্ত কাকতি এগৰাকী ভাষা-বিজ্ঞানী আছিল।

(খ) ৰহিমে পঢ়া-শুনা মনোযোগেৰে কৰে।

(গ) নীলাই গান গাই ভাল পায়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**বাক্য ৰচনা কৰা।**

| | | | |
|---|---|---|---|
| সহজ-সৰলভাৱে | প্ৰবল | চিকিৎসা | দৃঢ়মনা |
| আঁতিগুৰি | কৌতুক-প্ৰিয় | জোকৰ মুখত চূণ | থত্মত্ খা |



**এটা শব্দত প্ৰকাশ কৰোঁ আহা**

(ক) যি শিক্ষাদান কৰে ———

(খ) যি ৰোগীক চিকিৎসা কৰে ———

(গ) যি ভাষা চৰ্চা কৰে ———

(ঘ) একে সময়তে হোৱা ———

(ঙ) একান্ত মনে চিন্তা কৰা ———

(চ) যি শিক্ষা গ্ৰহণ কৰে ———






**জানো আহা**

**‘প্ৰকৃততে তেখেত আছিল ভাষা-বিজ্ঞানৰহে ডক্টৰেট ডিগ্ৰীধাৰী লোক।’ ভাষানো কি ?**

মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ মুখেৰে যি কথা কয়, তাকে ভাষা বুলি কোৱা হয়। কিন্তু অৰ্থহীন কথা ভাষা হ’ব নোৱাৰে। আকৌ অংগ-ভংগীক ভাষা বুলি গণ্য কৰা নহয়। কাৰণ অংগ-ভংগীৰে সীমিত ভাবহে প্ৰকাশ কৰিব পাৰি। এনেদৰে প্ৰকাশ কৰা ভাষাত বাক্-ধ্বনিৰ দৰে ন ন সৃষ্টিৰ ক্ষমতা নাথাকে।

ভাষাৰ ৰূপ দুটা — কথিত ৰূপ আৰু লিখিত বা সাধু বা মান্য ৰূপ।

**কথিত ভাষা**— বিভিন্ন অঞ্চলত কোৱা ভাষাৰ ভিন ভিন ৰূপকে কথিত ভাষা বোলে।

**লিখিত বা সাধু বা মান্য ভাষা**— লিখিত ভাষাত বেমেজালি নহ’বৰ কাৰণে সকলোৱে মিলি এটা নিৰ্দিষ্ট অঞ্চলৰ উপভাষাকে লিখিত ভাষা বুলি গ্ৰহণ কৰে। সেই উপভাষাটোৰ ৰূপকে সাধু বা মান্য ভাষা বুলি কোৱা হয়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

জ্ঞান ........................ সৰল ........................ সাধাৰণ ........................

চোকা ........................ ৰোগী ........................ সুখ্যাতি ........................

## গ — জ্ঞান সম্প্ৰসাৰণ

**জানো আহা**

ভাব সম্প্ৰসাৰণ — **জোকৰ মুখত চূণ দিয়া**। ইয়াৰ সাধাৰণ অৰ্থ হ'ল যথোপযুক্ত প্ৰত্যুত্তৰ দিয়া।

**ব্যাখ্যা—** জোক এবিধ ক্ষুদ্ৰ জীৱ। সাধাৰণতে গছ, বন, পানীৰ ডোঙা, জেকা ঠাই আদিত ইয়াৰ বসতি। ই মানুহ, গৰু, ম'হ আদিৰ দেহৰ পৰা তেজ শুহি খায়। জোক থকা ঠাইলৈ মানুহে আহ-যাহ কৰিলে মানুহৰ গাত জোক লাগি ধৰে আৰু বগাই গৈ আঙুলিৰ ফাঁক, ভৰি, কান্ধ, ডিঙি আদিত লাগি ধৰি তেজ শোহে। তেতিয়া তাক এৰুৱাবলৈ চূণ ব্যৱহাৰ কৰা হয়। সাপৰ দেহত ফেনাইল পৰাৰ দৰে জোকৰ মুখত চূণ পৰিলে ই কোঁচ খাই যায়। চূণৰ মাত্ৰা বেছি হ'লে ই মৰি যায়। কোনো মানুহৰ কথাৰ যোগ্য প্ৰত্যুত্তৰ দিবলৈ এই বচনফাকি প্ৰয়োগ কৰা হয়। বাণীকান্ত কাকতিয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ পাছত কৌতুক-প্ৰিয় কেইজনমানে তেখেতক ডাক্তৰ সাজি তেখেতৰ ওচৰলৈ ৰোগীক চিকিৎসাৰ বাবে পঠিয়াইছিল। তেওঁলোকে জানিছিল যে কাকতি প্ৰকৃত চিকিৎসক নহয়। কাকতিয়েও, তেখেতে যে ৰোগী চিকিৎসা কৰিব পাৰে, সেই কথা হোমিওপেথিক চিকিৎসা বিদ্যা শিকি লৈ কৰি দেখুৱালে আৰু চকু-চৰহাসকলক যথাযোগ্য উত্তৰ দিলে। তেতিয়া সেই কৌতুক-প্ৰিয় মানুহকেইজনে তবধ মানিলে। এনেদৰে কাকতিয়ে জোকৰ মুখত চূণ দিলে।

**তলৰ ফকৰা-যোজনাটো শিক্ষকৰ সহায়ত বুজি লৈ বহলাই লিখা।**

**যি মূলা বাঢ়ে তাৰ দুপাততে চিন।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

  জানো আহা

**কৃষ্ণকান্ত সন্দিকৈৰ পৰিচয়-** ১৮৯৮ চনৰ জুলাই মাহৰ ২০ তাৰিখে যোৰহাটত কৃষ্ণকান্ত সন্দিকৈৰ জন্ম হৈছিল। তেখেতৰ পিতৃ আছিল ৰাধাকান্ত সন্দিকৈ আৰু মাতৃ আছিল নাৰায়ণী সন্দিকৈ।

কৃষ্ণকান্ত সন্দিকৈয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীত এম.এ. পাছ্ কৰিছিল। তেখেতে উচ্চ শিক্ষাৰ বাবে লণ্ডনলৈ গৈছিল।

কৃষ্ণকান্ত সন্দিকৈয়ে ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্য-চৰ্চা কৰিছিল। তেখেতে বাঁহী আলোচনী, চেতনা, আৱাহন আদি পত্ৰিকাত বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখিছিল। কৃষ্ণকান্ত সন্দিকৈৰ অধ্যয়নৰ পৰিসৰ আছিল ব্যাপক আৰু গভীৰ। তেখেতে বেদকে ধৰি প্ৰাচীন ভাৰতীয় সাহিত্য, পাশ্চাত্য সাহিত্য, অভিধান আৰু ব্যাকৰণৰ আলোচনা কৰিছিল। আনহাতে জীৱনৰ প্ৰথমছোৱাত কেইটিমান গীত আৰু কবিতাও লিখিছিল।

পৃথিৱীৰ কেইবাটাও উন্নত ভাষা তেখেতে আয়ত্ত কৰিছিল। বিশেষকৈ তেখেত আছিল সংস্কৃত ভাষা-সাহিত্যৰ বিশ্ববিশ্ৰুত পণ্ডিত।

শিক্ষাবিদ কৃষ্ণকান্ত সন্দিকৈ এগৰাকী দক্ষ প্ৰশাসকো আছিল। তেখেতে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। তেখেতে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল — 'শ্ৰীহৰ্ষৰ নৈষধ চৰিত', 'যশস্তিলক' আৰু 'সেতুবন্ধ'।

তেখেত ১৯৩৭ চনত অসম সাহিত্য সভাৰ সভাপতি হৈছিল। সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সন্মিলনৰো তেখেত সভাপতি আছিল। এনে বহু সামাজিক অনুষ্ঠানৰ লগত তেখেত ওতপ্ৰোতভাৱে জড়িত আছিল।

 **উত্তৰ দিয়া।**

(ক) কৃষ্ণকান্ত সন্দিকৈৰ জন্ম চনটো কি?


(খ) তেখেতে কেতিয়াৰ পৰা সাহিত্য চৰ্চা কৰিছিল?

(গ) তেখেতে কোনটো বিষয়ত এম. এ. পাছ্ কৰিছিল?

(ঘ) তেখেতে ৰচনা কৰা গ্ৰন্থকেইখনৰ নাম লিখা।

(ঙ) তেখেতে কি কি আলোচনীত প্ৰবন্ধ লিখিছিল?

সাঁথৰ ভাঙো আহা



গছত লাগে

আনোতাই আনে

ৰান্ধোতাই ৰান্ধে

খাওঁতাই কিন্তু পেলাই দিয়ে।

'মহাভাৰত' শব্দটোত থকা আখৰকেইটাৰে বেলেগ বেলেগ শব্দ গঠন কৰা।

উদাহৰণ — ম — মহা, মৰত, মত

হা ——— ——— ———

ভা ——— ——— ———

ৰ ——— ——— ———

ত ——— ——— ———

ঘ — প্ৰকল্প

- প্ৰত্যেকেই আমাৰ সমাজত প্ৰচলিত হৈ থকা সাঁথৰ আৰু ফকৰা-যোজনা চাৰিটাকৈ সংগ্ৰহ কৰি লিখা।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## পাঠ ৫

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পাঠৰ পৰা নতুন শব্দৰ অৰ্থ শিকি প্ৰয়োগ কৰিব পৰা
- জীৱনী সাহিত্যৰ বিষয়ে জ্ঞান লাভ কৰা
- পণ্ডিত তথা শিক্ষাবিদ ডক্টৰ বাণীকান্ত কাকতিৰ জীৱনৰ পৰা অনুপ্ৰেৰণা লাভ কৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- ভাষা কি সেই বিষয়ে বুজি পোৱা
- ঘৰুৱা ভাষা আৰু মান্য ভাষা সম্পৰ্কে সাধাৰণ ধাৰণা পোৱা
- বিপৰীত অৰ্থ বুজোৱা শব্দ, এটা শব্দত প্ৰকাশ কৰা আদিৰ জৰিয়তে শব্দ ভাণ্ডাৰ বৃদ্ধি কৰিব পৰা
- ভাব-সম্প্ৰসাৰণ কৰিব পৰা, সাঁথৰ ভাঙিব পৰা, ফকৰা-যোজনা সংগ্ৰহ কৰি লিখিব পৰা
- ডক্টৰ বাণীকান্ত কাকতিৰ দৰে আন উল্লেখযোগ্য শিক্ষাবিদৰ বিষয়ে জনা আৰু ক'ব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গদ্য পাঠ (জীৱনী) | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পাঠত থকা নুবুজা শব্দৰ অৰ্থ জনা | | | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা | বাক্য ৰচনা কৰিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা | ঘৰুৱা ভাষা আৰু মান্য ভাষাৰ পাৰ্থক্য জনা | ভাষা, উপভাষাৰ বিষয়ে জনা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | ভাব বহলাই লিখিব পৰা | কৃষ্ণকান্ত সন্দিকৈৰ বিষয়ে জানি ক'ব আৰু লিখিব পৰা | সাঁথৰ ভাঙিব পৰা | অৰ্থপূৰ্ণ শব্দ গঠন কৰিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | সাঁথৰ আৰু ফকৰা-যোজনা সংগ্ৰহ কৰি লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৬

# জোনাকৰ জেউতি

জ্ঞ দ্ৰু




মৰমৰ

নিয়ৰ,

মোৰ মৰম ল'বা। বহুত দিনৰ মূৰত তোমালৈ লিখিলোঁ। তোমাৰ মাৰা-দেউতাৰাক মোৰ সেৱা জনাইছোঁ। নৰ ভাইটিকো মোৰ মৰম যাচিছোঁ।

তোমাক আজি এটা সুখবৰ দিওঁ। আমাৰ অঞ্চলটোৰ বহুদিনীয়া আশা পূৰ কৰি গাঁৱত এটা পুথিভঁৰাল স্থাপিত হৈছে। পুথিভঁৰালটোৰ নাম ৰখা হৈছে 'জোনাক'। ই আমাৰ সকলোৰে মনৰ আকাশ পোহৰাই তুলিব বুলি আশা কৰিছোঁ। কিয়নো ইয়াত বহুতো কিতাপ থাকিব। সেইবিলাক পঢ়ি আমি বিভিন্ন দিশৰ জ্ঞান অৰ্জন কৰিব পাৰিম, নতুন নতুন কথা জানিব পাৰিম, নহয়নে বাৰু? আমাৰ গাঁৱৰে নীলকান্ত দাদাক ইয়াৰ পুথিভঁৰালী পাতিছে। তেওঁক সকলোৱে কিতাপৰ পোক বুলি কয়। কাৰণ তেওঁ কিতাপ পঢ়ি বেছি সময় কটায় আৰু কিতাপ-পত্ৰবোৰ পৰিপাটিকৈ সজাই পৰাই ৰাখিব জানে।

আমাৰ গাঁৱৰ গাঁওবুঢ়া শ্ৰীযুত মাণিক চন্দ্ৰ বৰুৱাই পুথিভঁৰালটোৰ দুৱাৰ মুকলি কৰে। উদ্বোধনী ভাষণত শ্ৰীবৰুৱাই কয় যে পুথিভঁৰাল ল'ৰা-বুঢ়া সকলো লোকৰ বাবেই এটা অতি প্ৰয়োজনীয় অনুষ্ঠান। এই পুথিভঁৰাল বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানতো থকা উচিত। গাঁও পৰ্যায়ত গ্ৰাম্য পুথিভঁৰাল, জিলা পৰ্যায়ত জিলা পুথিভঁৰাল আৰু ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক পুথিভঁৰাল চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা অনুষ্ঠান। সকলোৱে অতীতৰ পৰা এই পুথিভঁৰালৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি আহিছে। প্ৰসংগত প্ৰাচীন ভাৰতৰ নালন্দা


বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰিব পাৰি। এই পুথিভঁৰালটো অতি ডাঙৰ আৰু বিখ্যাত আছিল।

এই অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত কমল বৰুৱাই শিশু উপযোগী দহখন কিতাপ পুথিভঁৰাললৈ দান কৰে। তাৰে মাজত 'বিজ্ঞানৰ সৰু সৰু কথা- ১' নামৰ কিতাপ এখনো আছে। সেইখন আনি মই পঢ়িলোঁ। কিতাপখন পঢ়ি বৰ ভাল লাগিল। তাৰ পৰা বহু কথা শিকিবও পাৰিলোঁ। অৱশ্যে এইখনৰ দ্বিতীয় ভাগো আছে। সেইখন পুথিভঁৰালটোৰ বাবে সংগ্ৰহ কৰিবলৈ মই পুথিভঁৰালী দাদাক খাটনি ধৰিছোঁ। তুমিও যেনেতেনে কিতাপ দুখন আনি পঢ়িবা দেই। সেই দুখনৰ পৰা বহুতো নতুন কথা জানিব পাৰিবা।

অ', তোমালোকৰ গাঁৱত এইবেলি 'গ্ৰন্থমেলা' পতাৰ কথা বাতৰি কাকতত পঢ়িবলৈ পাইছোঁ। তুমি কিবা নতুন কিতাপ কিনিছা নেকি? কিনিছা যদি জনাবাচোন। তোমাৰ পঢ়া-শুনা কেনে চলিছে? মোৰ একপ্ৰকাৰ ভালেই। চিঠিৰ উত্তৰ দিবা। শেষত পুনৰ মৰমেৰে সামৰিলোঁ। ইতি —

তোমাৰ মৰমৰ বন্ধু
মুকুট

শ্ৰীনিয়ৰ বেজবৰুৱা
প্ৰযত্নে - শ্ৰীযুত আনন্দ বেজবৰুৱা
পাণবজাৰ
ডাক-ঘৰ- গুৱাহাটী
জিলা - কামৰূপ
পিন - ৭৮১০০১



**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**উত্তৰ দিয়া।**

(ক) 'জোনাকৰ জেউতি' পাঠটোত কোনে কালৈ চিঠি লিখিছিল?

(খ) চিঠিখনত লিখা ভাল খবৰটো কি?

(গ) পুথিভঁৰালটোৰ নাম কি ৰখা হৈছিল?

(ঘ) পুথিভঁৰালীজনৰ নাম কি?

(ঙ) পুথিভঁৰালটো কোনে উদ্বোধন কৰিছিল?

(চ) পুথিভঁৰাললৈ দহখন কিতাপ কোনে দান কৰিছিল?

(ছ) মুকুটে নিয়ৰক যেনেতেনে পঢ়িবলৈ কোৱা কিতাপ দুখনৰ নাম কি?

(জ) প্ৰাচীন ভাৰতৰ বিখ্যাত পুথিভঁৰালটো থকা বিশ্ববিদ্যালয়খনৰ নাম কি?

**পুথিভঁৰালৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনাই নিজ নিজ বন্ধু/বান্ধৱীলৈ চিঠি লিখা।**

**"ই আমাৰ মনৰ আকাশ পোহৰাই তুলিব বুলি আশা কৰিছোঁ।" এই বাক্যশাৰী কোনে, কাক, কি প্ৰসংগত কৈছে? বহলাই লিখা।**

**বৰ্তমান সময়ত দেশ-বিদেশৰ বা-বাতৰি বিভিন্ন উপায়েৰে পোৱা যায়। তোমালোকে কি কি উপায়েৰে দেশ-বিদেশৰ খা-খবৰ পোৱা সেইবোৰৰ নাম লিখা।**

**কি কি গুণৰ বাবে নীলকান্ত দাদাক পুথিভঁৰালী পাতিছিল?**

গামোচাখনত সিঁচৰতি হৈ থকা শব্দবোৰ শিতান অনুসৰি ভগোৱা।

গ্ৰন্থ গ্ৰন্থকাৰ গ্ৰন্থাগাৰ পাঠক
পাঠক পুথি পুথিভঁৰাল পুস্তকালয়
লিখক প্ৰণেতা পঢ়ুৱৈ পুস্তক

উদাহৰণ—

| কিতাপ | লিখোঁতা | পঢ়োঁতা | ভঁৰাল |
|---|---|---|---|
| পুথি | | | |
| পুস্তক | | | |
| গ্ৰন্থ | | | |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ পঢ়োঁ আৰু লিখোঁ আহা**

বিজ্ঞান জ্ঞ = জ + ঞ জই ঞই জ্ঞ

দ্ৰুত দ্ৰু = দ + ৰ + উ দই ৰই দ্ৰ তাত উ-কাৰে দ্ৰু

**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

জ + ঞ জই ঞই জ্ঞ

দ + ৰ + উ দই ৰই দ্ৰ তাত উ-কাৰে দ্ৰু

**পঢ়োঁ আহা**

জ্ঞান বিজ্ঞান অজ্ঞান আজ্ঞা

কদ্ৰু দ্ৰুম দ্ৰুপদ দ্ৰুত

- কিতাপ পঢ়িলে জ্ঞান বাঢ়ে।
- বিজ্ঞানে আমাক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰে।
- দ্ৰুত গতিৰ ডাক-সেৱাই আমাৰ উপকাৰ সাধিছে।
- শিক্ষাই অজ্ঞানতা দূৰ কৰে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

তোমালোকে বাক্যৰ প্ৰকাৰ সম্বন্ধে ইতিমধ্যে জানি আহিছা। সাধাৰণতে বাক্যক সৰল , যৌগিক, জটিল আৰু মিশ্ৰ বাক্য হিচাপে পাইছা। তদুপৰি ভাব অনুসৰিও বাক্য বিভিন্ন প্ৰকাৰৰ আছে। যেনে, 'গ্ৰন্থমেলাত কিবা নতুন কিতাপ কিনিছা নেকি?' এই বাক্যটোত প্ৰশ্ন সোধা হৈছে। গতিকে এনে বাক্যক **প্ৰশ্নবোধক বাক্য** বোলে। প্ৰশ্নবোধক বাক্যবোৰত কি, কিয়, নে, নেকি আদি প্ৰয়োগ কৰা হয় যদিও এনে অব্যয় প্ৰয়োগ নহ'লেও বাক্যৰ সুৰ লহৰৰ ভিত্তিত প্ৰশ্নবোধক হ'ব পাৰে। যেনে, তুমি যাবলৈ ওলালা?

**আদেশ, অনুজ্ঞা, অনুৰোধ, উপদেশ আদি বুজোৱা বাক্যক অনুজ্ঞাসূচক বাক্য বোলে।** যেনে—

(ক) আপুনি এবাৰ নহাকৈ নাথাকে যেন।

(খ) দৰবটো দিনে তিনিবাৰকৈ খাবা।

(গ) তুমি এতিয়াই ইয়াৰ পৰা আঁতৰ হোৱা।

**সেইদৰে আৱেগ, উৎকণ্ঠা, বিস্ময়, বিতৃষ্ণা, ঘৃণা বা আনন্দোল্লাস প্ৰকাশ কৰা বাক্যক ভাবাৱেগসূচক বাক্য বোলা হয়।** যেনে—

(ক) আঃ কি চমৎকাৰ!

(খ) আয়ৈ দেহি! তোমাৰ আজি এই দশা!

(গ) কি! মোক এনেকৈ ক'বলৈ তোমাৰ ইমান সাহস!

**ইতিবাচক বাক্যক সদৰ্থক বাক্য বোলে। সেইদৰে নাই, নহয় বুজোৱা বাক্যক নঞৰ্থক বাক্য বোলে।** যেনে—

(ক) মোৰ এটা কলম আছে। **(সদৰ্থক)**

(খ) মোৰ হাতৰ আখৰ সুন্দৰ নহয়। **(নঞৰ্থক)**

**সন্দেহ, অনিশ্চয় আদি ভাব প্ৰকাশ কৰা বাক্যক অনিশ্চয়াৰ্থক বাক্য বোলে।** যেনে—

(ক) তেওঁ জানো ঘূৰি আহিব?

(খ) ডাক্তৰজন যদি ঠিক সময়ত পালেহিহেঁতেন!

**দলত আলোচনা কৰি চমু টোকা লিখা।**

— পুথিভঁৰাল

— গ্ৰন্থমেলা



**পাঠৰ পৰা বহুবচন আৰু একবচন বুজোৱা শব্দবোৰ উদাহৰণত দেখুওৱাৰ দৰে লিখা।**

| **একবচন** | **বহুবচন** |
|---|---|
| মোৰ | আমাৰ |
| ............. | ........... |
| .............. | ........... |
| .............. | ........... |

**তোমালোকক শিক্ষকে নাইবা মাৰা-দেউতাৰাই আদেশ, উপদেশ আৰু অনুৰোধ কৰি কোৱা পাঁচটা বাক্য লিখা।**

**তলৰ বাক্যকেইটা প্ৰশ্নবোধক বাক্যলৈ নিয়া।**

(ক) বিদ্যালয়ত হৰিৰ উপস্থিতি নিয়মীয়া।

(খ) গছজোপাত লমা-লমে আম লাগিছে।

(গ) বেবীয়ে পঢ়িবলৈ ভাল পায়।

(ঘ) ৰিজু গৰম বন্ধত ঘৰলৈ আহিব।

**দলত আলোচনা কৰি শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

পৰিপাটি নতুন উপযোগী আশা।

**তলৰ শব্দবোৰেৰে বাক্য সাজা।**

সংগ্ৰহ উপযোগী পুথি কিতাপ গ্ৰন্থমেলা

*গ্ৰন্থমেলা আৰু ভ্ৰাম্যমাণ পুথিভঁৰাল সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ — জ্ঞান সম্প্ৰসাৰণ



### জানো আহা

**পুথিভঁৰাল বা গ্ৰন্থাগাৰ**

বিভিন্ন ধৰণৰ কিতাপ-পত্ৰ, আলোচনী, খবৰ-কাকত বা তথ্য-পাতি আদি অধ্যয়নৰ কাৰণে য'ত গোটাই ৰখা হয় তাকে পুথিভঁৰাল বা গ্ৰন্থাগাৰ বোলে। গ্ৰন্থাগাৰত অভিধান, সাধুকথা, জীৱনী, উপন্যাস, কবিতা, নাটক, শিশু-গ্ৰন্থ, অনুবাদ-সাহিত্য আদিৰ লগতে বাতৰি কাকত, আলোচনী আৰু লাগতিয়াল কিতাপ-পত্ৰবোৰ সু-শৃংখলভাৱে থোৱা হয়। পুথিভঁৰালত কিতাপ-পত্ৰ আদান-প্ৰদানৰ অৰ্থে একোগৰাকী পুথিভঁৰালী বা গ্ৰন্থাগাৰিক থাকে। আজি-কালি প্ৰায় সকলো ঠাইতে গ্ৰন্থাগাৰ আছে। কিছুমান ঠাইত সেই অঞ্চলৰ শুভাকাংক্ষী লোকে ন্যাসৰ দ্বাৰা শিশুসকলৰ বাবে শিশু-গ্ৰন্থাগাৰ পাতি দিয়ে। গুৱাহাটীত 'বিষ্ণু নিৰ্মলা ন্যাস'ৰ তত্ত্বাৱধানত এটি শিশু-পুথিভঁৰাল আছে। সেইদৰে ভবেন্দ্ৰনাথ শইকীয়া ন্যাসৰ তত্ত্বাৱধানত 'আৰোহণ'ত এটি শিশু-পুথিভঁৰাল আছে।

**নালন্দা বিশ্ববিদ্যালয়**

নালন্দা বিশ্ববিদ্যালয়ে এসময়ত প্ৰসিদ্ধ শিক্ষানুষ্ঠান হিচাপে খ্যাতি লভিছিল। ইয়াত দেশ-বিদেশৰ ছাত্ৰ আহি ভৰি পৰিছিল। ইয়াৰ শিক্ষাৰ মান অতি উচ্চ খাপৰ আছিল। চীন দেশৰ পৰিব্ৰাজক হিউৱেনচ্যাঙে ইয়াত যোগ শাস্ত্ৰ পঢ়িছিল।

নালন্দা বিশ্ববিদ্যালয়ত যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ ভিতৰতে ডাঙৰ পুথিভঁৰাল আছিল। সেই পুথিভঁৰালটো ন-মহলীয়া আছিল আৰু তাৰ নাম আছিল 'ৰত্নোদধি'। নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংক শাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে ভিতৰে দহ হাজাৰ ছাত্ৰ আছিল। শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত এইখন বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল। তেওঁ কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল। ইয়াত ব্যাকৰণ, তৰ্ক শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ, দৰ্শন শাস্ত্ৰ আৰু অধ্যাত্ম বিজ্ঞানৰ শিক্ষা দিয়া হৈছিল।



**গ্ৰন্থমেলা আৰু পুথিভঁৰালৰ পাৰ্থক্য লিখা।**

তোমালোকৰ নিজ অঞ্চলত বা বিদ্যালয়ত থকা পুথিভঁৰালৰ বিষয়ে লিখা।

তলত উল্লেখ কৰা সাহিত্যিকসকলৰ নামৰ পৰা শিশু-সাহিত্যিকসকলৰ নাম বিচাৰি লিখা।

- লক্ষ্মীনাথ বেজবৰুৱা
- জ্যোতিপ্ৰসাদ আগৰৱালা
- ৰজনীকান্ত বৰদলৈ
- মিত্ৰদেৱ মহন্ত
- অতুলচন্দ্ৰ হাজৰিকা
- আব্দুল মালিক
- নৰকান্ত বৰুৱা
- মহেশ্বৰ নেওগ
- নিৰ্মলপ্ৰভা বৰদলৈ
- বন্দিতা ফুকন
- ভবেন্দ্ৰ নাথ শইকীয়া
- গগন চন্দ্ৰ অধিকাৰী।

## ঘ — প্ৰকল্প

- **দলত আলোচনা কৰি তলৰ বিষয়সমূহ লৈ এটি টোকা প্ৰস্তুত কৰা।**

(ক) এখন শিশু-আলোচনীৰ নাম
— সম্পাদকৰ নাম
— তোমাৰ ভাল লগা শিতান
— আলোচনীখন তোমাৰ কিয় ভাল লাগে?

(খ) দুজন শিশু-সাহিত্যিকৰ নাম
— তেখেতসকলে লিখা পুথিৰ নাম

(গ) তিনিখন বাতৰি কাকতৰ নাম
— সম্পাদকৰ নাম
— শিশু-চ'ৰাৰ নাম



☞ *পাঠৰ পৰা শ্ৰুতলিপি দিব।*

☞ *শিশু-সাহিত্যিকসকলৰ নাম বিচৰা কাৰ্যটোত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

## পাঠ ৬

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বৰ্ণনামূলক পাঠ পঢ়ি বুজি পোৱা আৰু লিখিব পৰা
- পুথিভঁৰাল আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনা
- পুথিভঁৰালীৰ কাম সম্পৰ্কে জানিব পৰা
- পুথিভঁৰাল আৰু গ্ৰন্থমেলাৰ পাৰ্থক্যৰ বিষয়ে জনা
- শব্দৰ অৰ্থ জানি বাক্য ৰচনা কৰিব পৰা
- প্ৰশ্নবোধক, অনুজ্ঞাসূচক, ভাবাবেগসূচক, সদৰ্থক আৰু নঞৰ্থক বাক্যৰ বিষয়ে জনা
- সদৰ্থক বাক্যক প্ৰশ্নবোধক বাক্যলৈ পৰিবৰ্তন কৰিব পৰা
- একবচন আৰু  বহুবচন বুজোৱা শব্দ লিখিব পৰা
- 'জ্ঞ', 'দ্ৰ' যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পৰা
- বিপৰীত  অৰ্থ প্ৰকাশক শব্দ  জনা
- শিশু-আলোচনী, শিশু-সাহিত্যিক আৰু তেখেতসকলে ৰচনা কৰা পুথিৰ নাম জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| বৰ্ণনামূলক পাঠ | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | বন্ধু-বান্ধৱীলৈ চিঠি লিখিব পৰা | শব্দৰ অৰ্থ বুজি বাক্য লিখিব পৰা | পুথিভঁৰালীৰ কাম সম্পৰ্কে ক'ব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | 'জ্ঞ', 'দ্ৰ' - যুক্তাক্ষৰযুক্ত শব্দ ভাঙিব আৰু গঠন কৰিব পৰা | যুক্তাক্ষৰ থকা বাক্য পঢ়িব আৰু লিখিব পৰা | একবচন আৰু বহুবচন চিনাক্ত কৰিব পৰা | প্ৰশ্নবোধক বাক্য গঠন কৰিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | গ্ৰন্থমেলা আৰু গ্ৰন্থাগাৰৰ পাৰ্থক্য বুজি লিখিব পৰা | শিশু-সাহিত্যিকৰ নাম চিনাক্ত কৰিব পৰা | পুথিভঁৰালৰ বিষয়ে লিখিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | শিশু আলোচনীৰ নাম জনা আৰু ক'ব পৰা | শিশু-সাহিত্যিকসকলে ৰচনা কৰা পুথিৰ নাম সংগ্ৰহ কৰিব পৰা | বাতৰি কাকতৰ নাম আৰু সম্পাদকৰ নাম জনা আৰু লিখিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ  তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৭

# ফুলকোঁৱৰৰ গীত



কাঠৰ পখী ঘোঁৰা    জেউতি চৰিলে
উৰি যাওঁ উৰি যাওঁ কৰিল,
ছমাহৰ বাটকে    যায় একে দিনে
মালিনীৰ বাৰীতে পৰিল।
কাঠৰ পখী ঘোঁৰা    এৰি ফুলকোঁৱৰে
ভৰিৰে মাৰিলে টিপা,
সেউতী মালতী    তগৰ গুটিমালী
সৰেও ধৰিলে শিপা।



কাঠৰ পখী ঘোঁৰা    এৰি ফুলকোঁৱৰে
মুখেৰে বজালে শঁখা,
সেউতী মালতী    তগৰ গুটিমালী
সৰেও ধৰিলে পোখা।
কাঠৰ পখী ঘোঁৰা    এৰি ফুলকোঁৱৰে
সৰালৈ মাৰিলে শাল,
সেউতী মালতী    তগৰ গুটিমালী
সৰেও মেলিলে ডাল।

কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
সৰালৈ মাৰিলে চলি,
সেউতী মালতী তগৰ গুটিমালী
সৰেও পেলালে কলি।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
সৰালৈ মাৰিলে শূল,
সেউতী মালতী তগৰ গুটিমালী
সৰেও মেলিলে ফুল।







ফুলনি বাৰীতে থাকোঁতে কোঁৱৰে
ইপাহি সিপাহি লেখি,
বাটৰ বাটৰুৱাই কৰে হৰি হৰি
ফুলৰে তিৰ্‌বিৰ্ দেখি।
ই বোলে মালিনী সি বোলে মালিনী
তোৰ দশা ভাল হ'ল,
বাৰে বছৰীয়া শুকান ফুলৰ বাৰী
ফুলি তমস্কাৰ হ'ল।

*বিঃ দ্ৰঃ — গীতটিত 'পখী ঘোঁৰা'ৰ ঠাইত পাঠভেদে (পাঠান্তৰো) 'পক্ষী ঘোঁৰা' আছে।*

**ক্ৰিয়া-কলাপ**      **ক — পাঠভিত্তিক ক্ৰিয়া**



**গীতটো লগে ভাগে গাওঁ আৰু আবৃত্তি কৰোঁ আহা**




**গীতটোৰ কাহিনীভাগ নিজৰ কথাৰে সজাই-পৰাই কোৱা।**



**তলৰ শব্দবোৰৰ অৰ্থ গছৰ পাতৰ পৰা আনি শিক্ষকৰ সহায়ত মিলাই লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| টিপা | .............................. |
| শাল | .............................. |
| চলি | .............................. |
| শূল | .............................. |
| দশা | .............................. |
| শঁখা | .............................. |
| তমস্কাৰ | .............................. |






**উত্তৰ দিয়া।**

(ক) ফুলকোঁৱৰৰ উঠি উৰি যোৱা ঘোঁৰাটো কিহৰ আছিল?

(খ) ঘোঁৰাত উঠি গৈ ফুলকোঁৱৰ ক'ত পৰিছিল?

(গ) ফুলকোঁৱৰে ছমাহৰ বাট এদিনতে কেনেকৈ পালে?

(ঘ) ফুলনিখনৰ ফুলবোৰ কোনে ফুলালে?



**বুজাই লিখা।**

(ক) ই বোলে মালিনী      সি বোলে মালিনী

তোৰ দশা ভাল হ'ল,

গীতফাকিত "মালিনী" কাক বোলা হৈছে? মালিনীৰ দশা কিয় ভাল হোৱা বুলি কৈছে?

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

(খ) ফুলকোঁৱৰৰ হাতৰ পৰশত ফুলনি বাৰীখন কেনেদৰে তমস্কাৰ হৈছিল?

(গ) শিপা ধৰাৰ পৰা কি কি স্তৰ পাৰ হৈ ফুলবোৰ ফুলিছিল?

(ঘ) বাৰ বছৰীয়া শুকান ফুলৰ বাৰীখন কেনেদৰে সলনি হ'ল?

**'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।**

| ক অংশ | খ অংশ |
| --- | --- |
| (ক) জেউতি চৰিলে | ফুলৰে তিৰ্বিৰ্ দেখি। |
| (খ) ফুলনি বাৰীত থাকোঁতে কোঁৱৰে | সৰেও পেলালে কলি। |
| (গ) কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে | ইপাহি সিপাহি লেখি, |
| (ঘ) তগৰ গুটিমালী | উৰি যাওঁ উৰি যাওঁ কৰিল, |
| (ঙ) কৰে হৰি হৰি | সৰালৈ মাৰিলে শাল, |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**গীতটোৰ পৰা চন্দ্ৰবিন্দু (ঁ) থকা শব্দবোৰ বাছি উলিয়াই লিখা আৰু শুদ্ধকৈ উচ্চাৰণ কৰিবলৈ শিকা।**

**শুদ্ধ শব্দ বহুৱাই তলৰ বাক্যবোৰ সম্পূৰ্ণ কৰা।**

(ক) ................ সদায় স্কুললৈ যাওঁ (সি/মই)

(খ) ৰতনে সদায় ফুটবল ..................... (খেলে/খেলিছিল)

(গ) গোলাপ ফুলপাহি ............. ৰঙা (ধক্‌ধকীয়া/টিক্‌টিকীয়া)

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

**গীতটোত ব্যৱহাৰ হোৱা কিছুমান শব্দ বৰ্তমান এনেদৰে লিখা হয়।**

| **গীতটোত ব্যৱহাৰ হোৱা ৰূপ** | | **বৰ্তমান লিখা ৰূপ** |
|---|---|---|
| কৰিল | .......................... | কৰিলে |
| শঁখা | .......................... | শংখ |
| সৰালৈ | .......................... | সকলোলৈ |
| একেদিনে | .......................... | এদিনতে |
| সৰেও | .......................... | সকলোৰে |
| বজাল | .......................... | বজালে |

**তলৰ গীতফাকিৰ পৰা বিশেষ্য পদকেইটা বাছি উলিওৱা।**

কাঠৰ পখী ঘোঁৰা জেউতি চৰিলে
উৰি যাওঁ উৰি যাওঁ কৰিল,
ছমাহৰ বাটকে যায় একে দিনে
মালিনীৰ বাৰীতে পৰিল।
কাঠৰ পখী ঘোঁৰা এৰি ফুলকোঁৱৰে
ভৰিৰে মাৰিলে টিপা,
সেউতী মালতী তগৰ গুটিমালী
সৰেও ধৰিলে শিপা।

## জানি লোৱা

গীতটোৰ 'তিৰ্‌বিৰ্' শব্দটোলৈ মন কৰা। এইটো এটা **ধ্বন্যাত্মক বা অনুকাৰ** শব্দ। 'তিৰ্ ' এই শব্দৰ ধ্বনি সাদৃশ্যত 'বিৰ্' শব্দ সৃষ্টি কৰি 'তিৰ্‌বিৰ্' কৰা হৈছে। ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা এনেধৰণৰ আন কেইটামান ধ্বন্যাত্মক শব্দ হৈছে — **ঢং ঢং, টং টং, কা কা** আদি।

## গ—জ্ঞান সম্প্ৰসাৰণ



'শংখ' এবিধ মুখেৰে বজোৱা বাদ্য। মুখেৰে আৰু কি কি বাদ্য বজাব পাৰি?



কেইটামান লোকগীত গাওঁ আহা

### নিচুকনি গীত

আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰিব
মইনাই বুটলি খাব।





### বিয়ানাম

মাৰাৰ অলংকাৰ
থোৱা কাতি কৰি
ঐ' ৰাম, দেউতাৰাৰ অলংকাৰ থোৱাহে
ৰামচন্দ্ৰই পঠাইছে
সুবৰ্ণৰ অলংকাৰ
ঐ' ৰাম, হাতে যোৰে কৰি লোৱাহে।

### বিহুগীত

চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলী লতা,
কৈ থাকোঁ মানে ওৰকে নপৰে
আমাৰে বিহুটিৰ কথা।



### বনগীত

পকাধানৰ মাজে মাজে
সৰু সৰু আলি ঐ
সৰু সৰু আলি
আলিত পৰি গীত জোৰে
জাক, বালিমাহী ঐ
জাক বালিমাহী।

*গীতটি সংগ্ৰহ কৰি শিকাৰুক গোৱাব।*

## আবৃত্তি কৰোঁ আহা

### ককা আৰু নাতি-ল'ৰা

ককা আৰু নাতি-ল'ৰা একেলগে বহি
সাজিছে বালিৰ ঘৰ দুয়ো হাঁহি হাঁহি।
পোনাটি পুৱাৰ যেন প্ৰথম কিৰণ
আনজন সন্ধিয়াৰ হেঙুলী ৰহণ।

হাঁহি হাঁহি পোনাটিয়ে কয় উলাহেৰে
"সাজিম ইয়াতে ঘৰ অতি যতনেৰে
থাকিব ইয়াতে মোৰ হাতী-ঘোঁৰা যত,
লগুৱা-লিগিৰী আৰু বয়-বস্তু কত।
চাৰিওফালে ওখ ওখ ঢাপ তুলি মই
ৰাখিম ঘৰটি মোৰ চোৰ নহাকই
মাজত ফুলনিখনি জেউতি চৰাব,
বাটৰুৱা ভোল গই বৈ বৈ চাব।"



কবি—যতীন্দ্ৰ নাথ দুৱৰা

*(উৎস — মৰুৱা ফুল, পৃষ্ঠা—২১, প্ৰকাশক— অসম প্ৰকাশন পৰিষদ)*
*বিঃ দ্ৰঃ - আবৃত্তি কৰাৰ সুবিধাৰ বাবে দুটা স্তৱক তুলি দিয়া হৈছে।*

## ঘ — প্ৰকল্প

- **তোমালোকৰ অঞ্চলত প্ৰচলিত লোকগীত আৰু স্থানীয় গীতসমূহ সংগ্ৰহ কৰি লিখা।**

☞ *আবৃত্তি প্ৰতিযোগিতা পাতি সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

## পাঠ ৭

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শুদ্ধ উচ্চাৰণেৰে তাল, লয় আৰু ছন্দৰে গীতটো গাব পৰা আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- অসমীয়া লোক-সাহিত্যৰ লগত পৰিচয় হোৱা
- আখ্যানমূলক গীতৰ ধাৰণা পোৱা
- লোকগীত আৰু স্থানীয় গীতসমূহ সংগ্ৰহ কৰি গাবলৈ আগ্ৰহী হোৱা
- চন্দ্ৰবিন্দু ( ঁ) ৰ শুদ্ধ উচ্চাৰণ আৰু ইয়াৰ প্ৰয়োগ সম্পৰ্কে জনা
- অনুকাৰ বা ধ্বন্যাত্মক শব্দৰ ধাৰণা লাভ কৰা
- বিহুগীত, বনগীত, লোকগীত, বিয়ানাম আদি গাবলৈ আগ্ৰহী হোৱা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন


| আখ্যানমূলক গীত | গীতটি আবৃত্তি কৰিব পৰা | গীতটিত থকা শব্দৰ অৰ্থ জনা | গীতটিৰ কাহিনী ভাগ বুজি পোৱা আৰু ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | চন্দ্ৰবিন্দু ( ঁ) থকা শব্দ শুদ্ধকৈ উচ্চাৰণ কৰিব পৰা | বাক্যত পদৰ শুদ্ধ প্ৰয়োগ কৰিব পৰা | বিশেষ্য পদ বাছি উলিয়াই লিখিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | মুখেৰে বজোৱা বিভিন্ন বাদ্য-যন্ত্ৰৰ নাম ক'ব পৰা | অসমীয়া লোকগীত সম্পৰ্কে জনা আৰু ক'ব পৰা | কবিতা আবৃত্তি কৰিব পৰা | নিচুকনি গীত, বিহুগীত, বনগীত, বিয়ানাম আদি গাব জনা | | |
| | | | | | | |
| প্ৰকল্প | নিজৰ অঞ্চলত প্ৰচলিত লোক গীত আৰু স্থানীয় গীত সংগ্ৰহ কৰি লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৮

# ৰঙৰ ৰহস্য

E8N3Y1



"ৰং ৰং নানা ৰং কিনিবলৈ যাওঁ
ৰংপুৰ অভিমুখে আমি আগুৱাওঁ।"

এই গীতটি নিশ্চয় তোমালোকৰ চিনাকি গীত। গীতটি গাই বা শুনি তোমালোক চাগৈ আপোন-পাহৰা হোৱা। তলৰ গীতটি বাৰু শুনিছানে?

" ৰং কিনিবা কোনে অ' ৰং কিনিবা কোনে?
মোনা ভৰাই ৰং আনিছোঁ কিনা মোনে মোনে।"

ৰং বা ৰঙীন বস্তুৱে মন ৰঙিয়াল নকৰেনে বাৰু? নীলা আকাশ, বহুৰঙী ৰামধেনু, উদয় হোৱা বা অস্ত যোৱা ৰঙা বেলিৰ ৰঙে সকলোৰে মন মুগ্ধ কৰে।

শাওণ মাহৰ সেউজীয়া পথাৰ আৰু আঘোণ মাহৰ পথাৰ ভৰা সোণোৱালী শইচেও বিমল আনন্দ দিয়ে।

আদিম মানুহৰো ৰঙৰ প্ৰতি আকৰ্ষণ আছিল। তাহানিখন গুহাত বাস কৰা লোকেও গুহাৰ বেৰত ৰঙীন ছবি আঁকিছিল।

পিছে ৰং নো কি? আমি ভিন ভিন ৰং কিয় দেখিবলৈ পাওঁ? ৰঙৰ ৰহস্য ভেদ কৰিবলৈকে বহুকাল জুৰি মানুহে চেষ্টা কৰি আহিছে। ছাৰ আইজাক নিউটন নামৰ বিজ্ঞানী এগৰাকীয়ে পোনপ্ৰথমে পৰীক্ষা কৰি দেখুৱাইছিল যে সূৰ্যৰ পোহৰত সাতোটা ৰং আছে। তেওঁ এই কথাও প্ৰমাণ কৰিছিল যে এই সাতোটা ৰং মিলিহে বগা পোহৰ হয়। বেলিৰ পোহৰত থকা ৰং সাতোটাৰ নাম তোমালোকে জানা নিশ্চয়; সেইকেইটা হ'ল— বেঙুনীয়া, ঘননীলা, নীলা, সেউজীয়া, হালধীয়া, সুমথিৰা আৰু ৰঙা। ইংৰাজী ভাষাত এই ৰং বুজোৱা শব্দ সাতোটাৰ প্ৰতিটোৰে প্ৰথম আখৰটো লৈ এটা শব্দ গঠন কৰা হৈছে। সেই শব্দটো হৈছে 'ভিবজিওৰ' (VIBGYOR)। বেলিৰ পোহৰৰ ৰহস্য আৱিষ্কাৰৰ পাছতহে মানুহে ৰঙৰ ৰহস্য বুজিব পৰা হ'ল।

এতিয়া ভিন ভিন ৰং দেখাৰ কাৰণ কি জানি লোৱা। কোনো বস্তুৰ পৰা পোহৰ প্ৰতিফলিত হৈ আমাৰ অক্ষিপটত অৰ্থাৎ আমাৰ চকুৰ পৰ্দাত পৰিলে আমি বস্তুটো দেখোঁ। আন্ধাৰত থকা বস্তু আমি এইকাৰণেই নেদেখোঁ যে তাত পোহৰ নপৰে। গতিকে তাৰপৰা পোহৰ প্ৰতিফলিত হৈ আমাৰ অক্ষিপটত নপৰে। আমি কোনো এটা বস্তু নীলা দেখাৰ কাৰণ হ'ল বস্তুটোৱে তাৰ ওপৰত পৰা পোহৰৰ ৰংকেইটাৰ ভিতৰত কেৱল নীলা ৰঙটোহে আমাৰ চকুলৈ প্ৰেৰণ কৰে। পোহৰৰ বাকীকেইটা ৰঙক নীলা ৰঙে শুহি লয়। উদয় হ'বলৈ ধৰা বেলিটো আমি ৰঙা দেখোঁ, কাৰণ বেলিৰ পোহৰৰ বাকীকেইটা ৰং বায়ুমণ্ডলে শুহি লোৱাত কেৱল ৰঙা ৰংটোহে আমাৰ অক্ষিপটত পৰেহি। একেদৰে ক'লা চিয়াঁহী, শ্ৰেণী কোঠাৰ ব'ৰ্ডখন বা চিলথখন আমি ক'লা দেখোঁ; কাৰণ সেইবোৰৰ ওপৰত পৰা পোহৰৰ কোনো ৰঙেই আমাৰ অক্ষিপটত নপৰেহি। এই বস্তুবোৰে আটাইকেইটা ৰং শুহি লয়।

অন্য প্ৰাণীবোৰেও আমি দেখাৰ দৰে ৰংবোৰ দেখেনে? বিজ্ঞানীসকলে এই বিষয়ে ভালেমান পৰীক্ষা-নিৰীক্ষা চলাই আছে। তেওঁলোকে পৰীক্ষা কৰি পাইছে যে গৰিলা, গিবন্, চিম্পাঞ্জী আৰু ওৰাংওটাং জাতীয় বন-মানুহবোৰে আমাৰ দৰেই ৰং চিনিব পাৰে। কিছুমান চৰায়েও আমাৰ দৰে ৰং চিনি পায়। ঘঁৰিয়ালে বোলে সকলো বস্তুৰে ৰং মটীয়াহে দেখে। মৌ-মাখিয়ে একা? মৌ-মাখিয়ে অতিবেঙুনীয়া ৰংটোও দেখে। পিছে ৰঙা ৰং হেনো ইহঁতে ধৰিব নোৱাৰে। ৰূপকথাৰ যাদুকৰৰ দৰে আমিও মৌ-মাখি বা ঘঁৰিয়াল হৈ এবাৰ এই ধৰাখন চাব পৰা হ'লে কেনে মজাৰ কথা হ'লহেতেঁন!

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়া।**

**উত্তৰ দিয়া।**

(ক) আদিম মানুহে ক'ত বাস কৰিছিল? তেওঁলোকে ৰঙীন ছবি ক'ত আঁকিছিল?

(খ) সূৰ্যৰ পোহৰত কেইটা ৰং থাকে? সেই ৰংকেইটাৰ নাম কি কি?

(গ) আমি বস্তু এটা কেতিয়া দেখোঁ? আন্ধাৰত থকা বস্তু দেখা নোপোৱাৰ কাৰণ কি?

(ঘ) বগা ৰং কেনেকৈ সৃষ্টি হয়? চক পেঞ্চিলডাল বগা দেখাৰ কাৰণ কি?

(ঙ) মানুহে দেখাৰ দৰে সকলো প্ৰাণীয়ে ৰংবোৰ নেদেখে। ৰং দেখা পোৱা প্ৰাণীবোৰ কি কি?

**কাৰ কি ৰং মিলোৱা।**

| | |
|---|---|
| • আকাশখন | ক'লা |
| • গছৰ পাত | হালধীয়া |
| • গাখীৰ | নীলা |
| • সৰিয়হৰ ফুল | বেঙুনীয়া |
| • চুলিটাৰি | সেউজীয়া |
| • বেঙেনা | বগা |

**খালী ঠাই পূৰ কৰা।**

(ক) ঘঁৰিয়ালে বোলে সকলো বস্তুৰে ৰং ________________ দেখে।

(খ) আটাইকেইটা ৰঙৰ পোহৰ শুহি লোৱা বস্তুক আমি ________________ দেখোঁ।

(গ) ৰঙৰ ৰহস্য ভেদ কৰা বিজ্ঞানীজনৰ নাম ________________ ।

**সঁচা নে মিছা লিখা।**

(ক) আদিম মানুহৰ ৰঙৰ প্ৰতি আকৰ্ষণ আছিল।

(খ) আঘোণ মাহৰ পথাৰ সেউজীয়া।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

(গ) মৌ-মাখিয়ে হেনো ৰঙা ৰং ধৰিব নোৱাৰে।

(ঘ) কিছুমান চৰায়েও আমাৰ দৰে ৰং চিনি পায়।

(ঙ) মানুহে অতিবেঙুনীয়া ৰংটোও দেখে।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



**তলত আঁচ দিয়া যুক্তাক্ষৰকেইটা ভাঙি দেখুওৱা।**

নিশ্চয়, অস্ত্র, একাদিক্রমে, আৱিষ্কাৰ,

পেন্সিল, বিজ্ঞানী, চিম্পাঞ্জী, বায়ুমণ্ডল



**পাঠটোত <u>ৰঙা, ৰঙীন, নীলা, সেউজীয়া, সোণোৱালী</u> আদি বিশেষণবোৰে কি কি পদৰ গুণ বুজাইছে লিখা।**



**তলত অৰ্থৰে সৈতে শব্দ দিয়া হৈছে। সেই শব্দবোৰেৰে বাক্য সাজা।**

ৰং (আনন্দ, ধেমালি) —

ৰং (বৰণ) —

বহুৰঙী (কেইবা ৰঙৰ) —

ৰঙীন (ৰংযুক্ত) —

ৰঙিল (ৰং বোলোৱা) —

ৰঙিলী (ৰঙিয়াল তিৰোতা) —

ৰঙালী (আনন্দপূৰ্ণ, ধেমেলীয়া, ব'হাগ বিহু) —

ৰঙিয়াল (আমোদী, ৰং লগোৱা, আনন্দময়) —

ৰঙচুৱা (অলপ ৰঙা বৰণৰ) —

ৰংচঙীয়া (বিবিধ বৰণৰ সাজ-সজ্জা) —

ৰং-ধেমালি (আমোদ-প্ৰমোদ, মনৰ আনন্দৰ কাৰণে কৰা ধেমালি) —

ৰং-ৰহইছ (হাঁহি-ধেমালি, ৰগৰ) —


☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## জানো আহা


**অনুস্বাৰ** (ং) আচলতে **ঙ** ধ্বনিৰে এটা ৰূপ। অনুস্বাৰ লগ লাগিলে **ঙ** ধ্বনিটোৰ উচ্চাৰণ ব্যঞ্জনান্ত হয়। আনহাতে অনুস্বাৰযুক্ত শব্দত বিভক্তি যোগ হ'লে অনুস্বাৰ ধ্বনিটো ঙ লৈ পৰিৱৰ্তিত হয়। যেনে— ৰং **→** ৰঙৰ, ৰঙত; কলং **→** কলঙৰ, কলঙলৈ।

## গ — জ্ঞান সম্প্ৰসাৰণ



## জানো আহা

**ৰঙৰ ৰহস্য ভেদ কৰা বিজ্ঞানীজন —**



ৰঙৰ ৰহস্য ভেদ কৰা বিজ্ঞানীজন **ছাৰ আইজাক নিউটন**। তেখেতৰ জন্ম হৈছিল ১৬৪২ চনত ইংলণ্ডত। পিতৃ-মাতৃ অবিহনে আইজাক নিউটন আইতাকৰ লগত ডাঙৰ দীঘল হৈছিল । সৰুকালত তেখেত পঢ়া-শুনাত অমনোযোগী আছিল; কিন্তু নানা ধৰণৰ খেল্‌না আৰু যন্ত্ৰ-পাতি তৈয়াৰ কৰাত বৰ পাৰ্গত আছিল। কম বয়সতে আইজাক নিউটনে **বায়ুকল** আৰু **বেলিঘড়ী** সাজি উলিয়াইছিল।

আইজাক নিউটনে কেম্‌ব্ৰীজ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু তাৰ পাছত তাতেই অধ্যাপনা কৰিছিল। তেখেতৰ **গণিত, পদাৰ্থ বিজ্ঞান** আৰু **জ্যোতিৰ্বিজ্ঞান**লৈ আগবঢ়োৱা অৱদান অবিস্মৰণীয়। পদাৰ্থৰ গতি সম্পৰ্কীয় তিনিটা বিখ্যাত সূত্ৰ তেখেতে আৱিষ্কাৰ কৰিছিল। এই সূত্ৰসমূহক **নিউটনৰ সূত্ৰ** বুলি জনা যায়। গছৰ পৰা আপেল সৰি পৰা দেখি নিউটনে **মাধ্যাকৰ্ষণ তত্ত্ব** আৱিষ্কাৰ কৰাৰ কাহিনী সৰ্বজনবিদিত। তেখেতৰ অন্যান্য আৱিষ্কাৰৰ ভিতৰত **পোহৰৰ প্ৰতিফলন** আৰু **দূৰবীক্ষণ যন্ত্ৰ** উল্লেখযোগ্য। তেখেত এজন সত্য অন্বেষণকাৰী মহান বিজ্ঞানী আছিল। ১৭২৭ চনৰ ২০ মাৰ্চত ছাৰ আইজাক নিউটনৰ দেহাৱসান ঘটে।



**পোহৰৰ সাতৰঙৰ সংক্ষেপণ ভিবজিওৰ (VIBGYOR) ৰ লগত পৰিচয় হওঁ আহা।**

| | | | | |
|---|---|---|---|---|
| V | - | VIOLET | - | বেঙুনীয়া |
| I | - | INDIGO | - | ঘননীলা |
| B | - | BLUE | - | নীলা |
| G | - | GREEN | - | সেউজীয়া |
| Y | - | YELLOW | - | হালধীয়া |
| O | - | ORANGE | - | সুমথিৰা |
| R | - | RED | - | ৰঙা |





**কবিতাটি লগে-ভাগে গোৱা।**

**ৰঙৰ খেলা**

ৰঙা নীলা হালধীয়া
অকলশৰীয়া,
ৰঙা নীলা মিলি দুয়ো
হ'ল বেঙুনীয়া।
ৰঙাৰ স'তে হালধীয়া
পালোঁ সুমথিৰা,
হালধীয়া নীলা মিলি
হ'ল সেউজীয়া।
ৰঙা নীলা হালধীয়া
কৰিলে মিহল,
মটীয়া ৰংটি পাবা
ডাঠ বা পাতল।



কবি - নৰকান্ত বৰুৱা

*(উৎস - নৰকান্ত বৰুৱা শিশু-সাহিত্য সমগ্ৰ, প্ৰথমখণ্ড, পৃষ্ঠা-২৩৬, প্ৰকাশক— অন্বেষা)*

এতিয়া তলত দিয়া ৰংবোৰ মিহলাই চোৱা।


(ক) ৰঙা + নীলা =

(খ) ৰঙা + হালধীয়া =

(গ) হালধীয়া + নীলা =

(ঘ) ৰঙা + নীলা + হালধীয়া =

ৰামধেনু এখন আঁকি তলত দিয়া ক্ৰমত ৰং বোলোৱা।



R ৰঙা

O সুমথিৰা

Y হালধীয়া

G সেউজীয়া

B নীলা

I ঘননীলা

V বেঙুনীয়া

দলত আলোচনা কৰি চমুটোকা লিখা।

- ৰংপুৰ
- ৰামধেনু
- বায়ুমণ্ডল
- গুহা
- বন-মানুহ
- অক্ষিপট

তোমালোকে দেখা বস্তুবোৰ ৰং অনুসৰি ভাগ কৰা।

| বগা | ৰঙা | ক'লা | নীলা | হালধীয়া | সেউজীয়া |
|---|---|---|---|---|---|
| গাখীৰ | তেজ | চুলি | নীল | পাটমাদৈ | ঘাঁহ |
| | | | | | |
| | | | | | |
| | | | | | |
| | | | | | |

VIBGYOR- অৰ দৰে সাতোৰঙৰ প্ৰথম আখৰবোৰেৰে অসমীয়া শব্দ এটা গঠন কৰা।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## ঘ — প্ৰকল্প

- ৰঙীন কাগজেৰে ফুল, ফুলৰ মালা, শিকলি বা সজাই থোৱা সামগ্ৰী তৈয়াৰ কৰা।
- আকাশত ৰামধেনু ওলোৱা দৃশ্য এটা ৰং বোলাই আঁকা।
- কি ৰং হয় চোৱা আৰু বহীত লিখা।

— চূণৰ পানীৰ লগত হালধি মিহলালে

— কলাখাৰৰ লগত মিঠাতেল মিহলালে

— পূৰৈ শাকৰ পকা গুটি হাতেৰে মোহাৰিলে

— জেতুকাৰ পাত বটি হাতত লেপ দিলে

- কেনে দেখি কোৱা আৰু বহীত লিখা।


— এটি ৰঙা ফুল ভিন ভিন ৰঙৰ অতি পাতল কাগজ বা কাঁচৰ মাজেৰে চালে

- ছবিবোৰত ৰং বোলোৱা।









*☞ পাঠৰ পৰা শ্ৰুতলিপি দিব।*

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ৮

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বৰ্ণনামূলক পাঠ পঢ়ি বুজি পোৱা, ক'ব আৰু লিখিব পৰা
- ছাৰ আইজাক নিউটনৰ বিষয়ে জনা
- সূৰ্যৰ পোহৰত থকা ৰংকেইটাৰ বিষয়ে জনা
- ভিন ভিন ৰং দেখাৰ কাৰণ সম্পৰ্কে অৱগত হোৱা
- বিভিন্ন প্ৰাণীয়ে দেখা ৰঙৰ বিষয়ে জনা
- এটা ৰঙৰ লগত আন আন ৰং মিহলাই যে এবিধ নতুন ৰং প্ৰস্তুত কৰিব পাৰি সেই বিষয়ে জনা
- অনুস্বাৰ (ং) যে 'ঙ' ধ্বনিৰ অন্য ৰূপ তাকে জনা
- শ্ৰুতলিপি শুদ্ধকৈ লিখিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| গদ্য পাঠ (বিজ্ঞানভিত্তিক) | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | প্ৰাকৃতিক বস্তুৰ ৰঙৰ নাম ক'ব পৰা | বিভিন্ন প্ৰাণীয়ে দেখা ৰঙৰ বিষয়ে জনা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা | বিশেষণ পদৰ প্ৰয়োগ জনা | বাক্য ৰচনা কৰিব পৰা | 'ঙ' আৰু 'ং' ৰ ব্যৱহাৰ জনা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | ছাৰ আইজাক নিউটনৰ বিষয়ে জনা আৰু ক'ব পৰা | ৰামধেনুৰ সাতো ৰঙৰ বিষয়ে বিতংভাৱে জনা আৰু ক'ব পৰা | 'ৰঙৰ খেলা' কবিতাটি গাব পৰা | এটা ৰঙৰ লগত আন এটা ৰং মিহলাই নতুন ৰং উলিয়াব পৰা | বিভিন্ন বিষয়বস্তু সম্পৰ্কে চমুকৈ লিখিব পৰা | ৰং অনুসৰি বিভিন্ন বস্তুৰ ভাগ কৰিব পৰা |
| | | | | | | |
| প্ৰকল্প | কাগজেৰে ফুল, মালা,শিকলি আদি সজোৱা সামগ্ৰী তৈয়াৰ কৰিব পৰা | প্ৰাকৃতিক বস্তুৰ পৰা পোৱা ৰঙৰ নাম লিখিব পৰা | ৰঙীন কাগজ বা কাঁচৰ মাজেৰে বিভিন্ন ৰং চাই লাভ কৰা অভিজ্ঞতা লিখিব পৰা | বিভিন্ন ছবিত নিৰ্দিষ্ট ৰং কৰিব পৰা | | |
| | | | | | | |


☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৯

# ভতুৰা আৰু খঁকুৰাৰ খৰিয়াল

L2A4F9

*(গাঁওবুঢ়াৰ ঘৰৰ বাট-চ'ৰাৰ দৃশ্য। এখন কাঠৰ ডাঙৰ চকী আৰু এখন মজলীয়া আকাৰৰ বেঞ্চ থাকিব। কাঠৰ চকীখনত খঁকুৰা (মেকুৰী) ই বহি টোপনিয়াই থাকিব। মজিয়াত দুখন থাল থাকিব। এনেতে বাহিৰৰ পৰা ভতুৰা (কুকুৰ) সোমাই আহি খঁকুৰাৰ ওচৰত থিয় হ'ব আৰু কাজিয়া কৰিবলৈ আৰম্ভ কৰিব)।*



ভতুৰা *(ভুক্‌ভুকাই)* — হেৰ' খঁকুৰা, তই চকীখনতে লেপেট্ খালি কিয়? নাজাননে সেইখনত যে গাঁওবুঢ়া দেউতাহে বহে! তাত শুবলৈ তোৰ লাজ লগা নাইনে?

খঁকুৰা *(মেউ-মেউকৈ)* — বৰ লাজ-মান বুজাটো নোলাবিচোন! হেৰ', গৰাকীৰ ঘৰতে মাছে-মঙহে উদৰ পূৰাই খোৱাৰ পাছতো দেখোন বিয়া-সবাহৰ গোন্ধ পালেই চুৰাপাত চেলেকিবলৈ লৰ মাৰ; তেতিয়া তোৰ লাজ-মান ক'লৈ যায় অ'?

ভতুৰা*(খঙতে জাঁকি উঠি)* — লোকৰ চৰুৰ ভজা মাছ চুৰি কৰি মুখ-ঠেকেচা খাওঁতে যাৰ জনম গ'ল, তাৰ মুখত এতিয়া বৰ বৰ কথা। ৰ'বি, আজি তোক মই এসেকা দিহে এৰিম। (ভতুৰাই ভুক্‌ভুকাই খঁকুৰাক খেদি যায়। খঁকুৰাই মেউ-মেউকৈ জাঁপ মাৰি চকীৰ পৰা নামি দৌৰিবলৈ ধৰে।)

(এনেতে গাঁওবুঢ়াৰ ঘৈণীয়েক অৰ্থাৎ গিৰীহঁতনী অকুমণিক লগত লৈ সোমাই আহে। গিৰীহঁতনীৰ হাতত মজলীয়া আকাৰৰ এটা চৰিয়া। অকুমণিৰ হাতত এটা পানীৰ ঘটী। তেওঁলোক সোমাই অহাৰ লগে লগে খঁকুৰাই মেউ-মেউকৈ লেউ-সেউ হৈ গিৰীহঁতনীৰ ভৰিৰ মাজত সোমাব খোজে। ভতুৱায়ো নেজ পাৰি বহি পৰে। গিৰীহঁতনীয়ে পাৰি থোৱা থাল দুখনত ভাত আৰু মাছ দিয়াত ভতুৱা আৰু খঁকুৰাই খাবলৈ আৰম্ভ কৰে।)

অকুমণি— ইহঁতৰ খোৱা পানীখিনি ক'ত দিওঁ জেঠাই?

জেঠাই — ইহঁতৰ খোৱা শেষ হ'লে থাল দুখনতে ঢালি দিবা।

অকুমণি— থালত দিলে সিহঁতে খাব কেনেকৈ?

জেঠাই — কিয়? কুকুৰ আৰু মেকুৰীয়ে যে পনীয়া বস্তু জিভাৰেহে চেলেকি খায়,সেইটো তুমি নাজানা নেকি?

অকুমণি — হয় নেকি? মই সঁচাকৈয়ে নাজানিছিলোঁ জেঠাই।

জেঠাই — আহা, এতিয়া আমি ভিতৰলৈ যাওঁ । অলপ জিৰণি লওঁ ব'লা।

অকুমণি — অলপ ৰ'বচোন জেঠাই ! ইহঁতেনো কেনেকৈ পানী খায় চাই যাওঁ।

জেঠাই — (অকুমণিয়ে জেঠায়েকৰ কাষতে বহি ল'লে) শুনা অকুমণি, কুকুৰ আৰু মেকুৰী উভয়ে ঘৰচীয়া প্ৰাণী।

অকুমণি — তাৰমানে য'তেই মানুহৰ বসতি আছে, ত'তেই কুকুৰ, মেকুৰীৰো বসতি আছে, নহয়নে?

জেঠাই — এৰা, তুমি ঠিকেই কৈছা। পৃথিৱীৰ সকলো দেশতেই কুকুৰ আৰু মেকুৰী আছে। বনৰীয়া কুকুৰ, মেকুৰীও থকা বুলি শুনিছোঁ। কিন্তু মই হ'লে দেখা নাই।

অকুমণি— জানে জেঠাই, মই শুনিছোঁ, বৰফৰ দেশতো বোলে কুকুৰ আছে। সিহঁতে হেনো শ্লেজগাড়ী নামৰ এবিধ গাড়ীও টানে।

জেঠাই — অ' হয় নেকি? তুমি দেখিছোঁ বহুত খবৰেই ৰাখা। চোৱা, চোৱা, সিহঁতে চপ্-চপাই পানী খাবলৈ আৰম্ভ কৰিলেই। পিছে দুয়োয়ে একেধৰণে পানী খায়। এটা কথা জানানে? মেকুৰীয়ে পানীলৈ ভয় কৰে, আনহাতে কুকুৰে আকৌ পানীত সাঁতুৰিবও পাৰে। মেকুৰীয়ে গছ বগাব পাৰে, কিন্তু কুকুৰে নোৱাৰে।

অকুমণি— কুকুৰ আৰু মেকুৰীৰ মাজত যেনেদৰে কিছু মিল আছে, তেনেদৰে অমিলো আছে, নহয়নে জেঠাই?

জেঠাই— আছেতো। প্ৰথমতে সিহঁতৰ আকৃতিলৈকে নোচোৱা কিয়? মেকুৰীৰ তুলনাত কুকুৰ কিমান ডাঙৰ!

অকুমণি — (ভতুৱা আৰু খঁকুৱাক ভালদৰে নিৰীক্ষণ কৰি) অকল সেয়াই নহয় জেঠাই, ইহঁতৰ অংগ-প্ৰত্যংগবোৰৰো কিছু কিছু অমিল আছে।

জেঠাই — তুমিনো ইহঁতৰ ক'ত ক'ত মিল আৰু ক'ত ক'ত অমিল দেখিছা?

অকুমণি — ভতুৱাৰ মুখখন দীঘল আৰু জোঙা। খঁকুৱাৰ মুখখন ঘূৰণীয়া আৰু থোপোকা। দুয়োৰে গা মিহি নোমেৰে ঢকা। খঁকুৱাৰ চকু দুটা ঘূৰণীয়া আৰু উজ্জ্বল; কিন্তু ভতুৱাৰ তেনে নহয়। দুয়োৰে দুপাৰিকৈ চোকা দাঁত আছে। খঁকুৱাৰ কাণ দুখন সৰু আৰু থিয়। ভতুৱাৰ কাণ দুখন দীঘল আৰু তললৈ ওলমি পৰা। দুয়োৰে ঠেঙত জোঙা নখ আছে। ভতুৱাৰ নেজডাল কেঁকোৰা আৰু ওপৰ ফালে উঠি থকা; কিন্তু খঁকুৱাৰ নেজডাল দীঘল। খঁকুৱাৰ মুখত দুকোছা দীঘল গোঁফ আছে। ভতুৱাৰ নাই। দুয়োৰে খাবলৈ বহাৰ ভংগী আৰু খোৱাৰ ধৰণো বেলেগ বেলেগ।



জেঠাই— তুমি ঠিকেই ধৰিছা; আৰু কি জানা, মানুহে খোৱা প্ৰায়বোৰ খাদ্যকে দুয়ো খায়। কুকুৰ আৰু মেকুৰী উভয়ৰে কিন্তু বুদ্ধি চোকা। ইহঁতৰ ঘ্ৰাণ শক্তিও তীক্ষ্ণ। দুয়ো চিকাৰী প্ৰাণী। ইহঁতে সহজে পোহ মানে। কুকুৰ বৰ প্ৰভুভক্ত আৰু বিশ্বাসী। ই অতি সতৰ্কতাৰে গৃহস্থৰ ঘৰত পহৰা দিয়ে। গছৰ পাত সৰি পৰাৰ শব্দ শুনিও ইহঁতে ভুকিবলৈ ধৰে। আজি-কালি চোৰ-ডকাইত ধৰা কাৰ্যত পুলিচেও কুকুৰ ব্যৱহাৰ কৰে। অৱশ্যে মেকুৰী তেনেকুৱা নহয়। মেকুৰীয়ে উম লগা কোমল ঠাইত শুবলৈ ভাল পায়। এন্দুৰ, নিগনি আদি মাৰি গৃহস্থৰ উপকাৰো সাধন কৰে।

অকুমণি— তাৰমানে জেঠাই, ইহঁত আমাৰ উপকাৰী জন্তু?

জেঠাই — হয়, ইহঁত মানুহৰ বৰ উপকাৰী। এতিয়া ইহঁত শুব। আমিও অলপ জিৰণি লওঁগৈ ব'লা।

*(অকুমণি জেঠায়েকৰ লগত ঘৰৰ ভিতৰলৈ সোমাই গ'ল। ভতুৱা আৰু খঁকুৱায়ো খৰিয়াল সামৰি টোপনি মাৰিবলৈ ধৰিলে।)*



**ক্ৰিয়া-কলাপ**

**ক — পাঠভিত্তিক ক্ৰিয়া**



**পাঠত থকা চৰিত্ৰসমূহৰ লগত পৰিচয় হোৱা।**

| | | |
|---|---|---|
| ভতুৱা | — | এটা শকত-আৱত ধেকুৱা কুকুৰ। |
| খঁকুৱা | — | এটা লুভীয়া বোন্দা, বোন্দা মানে মতা মেকুৰী। |
| জেঠাই | — | অকুমণিৰ মাকৰ বায়েক, গাঁওবুঢ়াৰ ঘৈণীয়েক। |
| অকুমণি | — | গিৰীহঁতনী (জেঠাই)ৰ ভতিজাক |



**উত্তৰ দিয়া।**

(ক) ভতুৱা আৰু খঁকুৱাৰ মাজত কিয় খৰিয়াল লাগিছিল?

(খ) ভতুৱাই কোৱা কথাখিনি শুনি খঁকুৱাই কি কৈছিল?

(গ) 'লোকৰ চৰুৰ ভজা মাছ চুৰি কৰি মুখ-ঠেকেচা খাওঁতে যাৰ জনম গ'ল, তাৰ মুখত এতিয়া বৰ বৰ কথা। ৰ'বি আজি তোক মই এসেকা দিহে এৰিম।' এই কথাষাৰ কোনে কাক কৈছিল?

(ঘ) ' জানে জেঠাই, বৰফৰ দেশতো বোলে কুকুৰ আছে।'

- এই কথাষাৰ কোনে কৈছে? বৰফৰ দেশত কুকুৰে কি গাড়ী টানে?



**বহলাই লিখা।**

(ক) কুকুৰ আৰু মেকুৰীৰ আকৃতি আৰু স্বভাৱৰ কি কি মিল আৰু কি কি অমিল আছে?

(খ) কুকুৰ আৰু মেকুৰীয়ে মানুহৰ কি কি উপকাৰ সাধন কৰে?

(গ) অকুমণি আৰু জেঠায়েকৰ মাজত হোৱা কথাখিনি পঢ়া আৰু সেইখিনি জুকিয়াই লৈ কুকুৰ আৰু মেকুৰীৰ বিষয়ে লিখা।



**তলত দিয়া শব্দবোৰৰ অৰ্থ অভিধান বা শব্দ সম্ভাৰৰ পৰা জানি লৈ বহীত লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| উদৰ | চুৰাপাত | চৰু | এসেকা | বিষম | উভয়ে |
| আকৃতি | থোপোকা | তীক্ষ্ণ | চোকা | উম | গৃহস্থ |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

নিমন্ত্ৰণ = ন্ত্ৰ = ন + ত + ৰ — নই তই ন্ত তাত 'ৰ' কাৰে ন্ত্ৰ



**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

ন + ত + ৰ  নই  তই  ন্ত  তাত 'ৰ'  কাৰে  ন্ত্ৰ



**পঢ়োঁ আহা**

অন্ত্ৰ  স্বতন্ত্ৰ  আমন্ত্ৰণ  নিমন্ত্ৰণ  নিয়ন্ত্ৰণ



**শব্দত থকা যুক্তাক্ষৰটো ভাঙি দেখুওৱা আৰু সেই যুক্তাক্ষৰটো ব্যৱহাৰ কৰি দুটাকৈ শব্দ গঠন কৰা।**

উদাহৰণ— গৃহস্থ → স্থ = স + থ  স্থল,  বাসস্থান

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| গোন্ধ | → | ন্ধ | — | ☐ | + | ☐ | | ____ | ____ |
| অন্ত্ৰ | → | ন্ত্ৰ | — | ☐ | + | ☐ | + ☐ | ____ | ____ |
| বুদ্ধি | → | দ্ধ | — | ☐ | + | ☐ | | ____ | ____ |
| বিশ্বাসী | → | শ্ব | — | ☐ | + | ☐ | | ____ | ____ |
| শব্দ | → | ব্দ | — | ☐ | + | ☐ | | ____ | ____ |
| জন্তু | → | ন্তু | — | ☐ | + | ☐ | + ☐ | ____ | ____ |



**তলত দিয়া শব্দবোৰেৰে একোটাকৈ বাক্য ৰচনা কৰা।**

তৎ হেৰায়  জঁকি উঠিল  বিষম দেখি  লেউ-সেউ

চপ্-চপাই  বাটে-পথে  বন্ধু-বান্ধৱী  ডাঙৰ-দীঘল

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পাঠটোত তোমালোকে অকুমণি নামৰ ল'ৰা এজনৰ বিষয়ে পাইছা। অকুমণি নগৰত বাস কৰে বাবে তেওঁক নগৰীয়া বুলি কৈছে। সেইদৰে আমি তেনেকুৱা অনেক শব্দ পাওঁ। তেনে শব্দ লিখোঁ আহা।

- গাঁৱত থাকে যি ____________
- বনত থাকে যি ____________
- পোহ মানে যি ____________
- ঘৰত ৰাখি পোহে যাক ____________
- বেছিকৈ ভাত খায় যি ____________
- পেট যাৰ ডাঙৰ ____________
- এলাহ কৰে যি ____________
- খঁক আছে যাৰ ____________
- চাৰি ঠেং আছে যাৰ ____________
- গাঁৱৰ মুখিয়াল জন ____________





## জানো আহা

তোমালোকে ইতিমধ্যে পঢ়ি অহা পাঠবোৰত দাড়ি ( । ), কমা ( , ), প্ৰশ্নবোধক ( ? ) আদি চিন পাই আহিছা। এই চিনবোৰকে যতি চিন বোলে। এই চিনবোৰৰ প্ৰয়োগে বাক্যৰ অৰ্থ প্ৰকাশত সহায় কৰে। তলত এই চিনবোৰৰ বিষয়ে বহলাই দিয়া হৈছে।

১। কমা ( , ) — এটা আখৰ উচ্চাৰণ কৰোঁতে যিমান সময় লাগে, সিমান সময় ৰ'বলৈ হ'লে কমা চিন ব্যৱহাৰ কৰা হয়। শব্দৰ পৰস্পৰ সম্বন্ধ ৰক্ষাৰ বাবে এই চিন ব্যৱহাৰ কৰে। যেনে- তেওঁ, তুমি আৰু যদু আমাৰ তালৈ যাবা।

২। চেমিকোলন ( ; ) — এটা দীঘলীয়া বাক্যত থকা বাক্যাংশ দুটাৰ মাজত সম্বন্ধ থাকিলে অথচ বিৰতিৰ আৱশ্যকতাবোধে চেমিকোলন ( ; ) ব্যৱহাৰ হয়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*


| | |
|---|---|
| | এই চিন বাক্যত থাকিলে কমাতকৈ অলপ বেছি সময় ৰ'ব লাগে। যেনে- তুমি ঠিকেই ধৰিছা; কুকুৰ আৰু মেকুৰীৰ ঘ্ৰাণ শক্তিও তীক্ষ্ণ। |
| ৩। দাড়ি (।) — | বাক্যটো সম্পূৰ্ণ শেষ হোৱাত দাড়ি চিন ব্যৱহাৰ হয়। এই চিন থাকিলে প্ৰায় দুটা আখৰ উচ্চাৰণ কৰাৰ সমান সময় ৰ'ব লাগে। যেনে- অকুমণি হ'ল নগৰীয়া ল'ৰা। |
| ৪। প্ৰশ্নবোধক চিন (?) — | কোনো প্ৰশ্ন কৰোঁতে বাক্যৰ শেষত এই চিন ব্যৱহাৰ কৰা হয়। যেনে - তোৰ নাম কি? হেৰ' খঁকুৱা, তই চকীখনত লেপেট্ খালি কিয়? |
| ৫। ভাৱবোধক চিন (!)— | মনৰ আনন্দ, বিষাদ, আশ্চৰ্য আদি ভাব প্ৰকাশ কৰোঁতে বাক্যত যি চিন ব্যৱহাৰ কৰা হয়, তাক ভাৱবোধক চিন বোলে। যেনে- উঃ! কি ৰ'দ!, আহ! কি সুন্দৰ! |
| ৬। ডেচ চিন (-) — | কোনো বাক্যৰ লগতে আন বাক্যৰ সম্বন্ধ বুজাওঁতে নাইবা বাক্যৰ কোনো অংশত বিশেষভাৱে জোৰ দিব লগা হ'লে ডেচ চিন ব্যৱহাৰ কৰা হয়। যেনে- ভতুৱাৰ কথা শুনি গোঁফ লৰাই খঁকুৱাই গৰ্জি উঠিল— "বৰ লাজ-মান বুজাটো নোলাবিচোন!" |
| ৮। হাইফেন (-) — | সমাসৰ সমস্যমান পদ দেখুৱাওঁতে, বিপৰীত শব্দৰ যোৰা বুজাওঁতে, অনুৰূপ, অনুকাৰ আদি শব্দ বুজাওঁতে হাইফেন চিন ব্যৱহাৰ কৰা হয়। যেনে- আজি-কালি, লাজ-মান, ল'ৰা-ছোৱালী। |
| ৯। উদ্ধৃতি চিহ্ন বা প্ৰক্ষেপ চিহ্ন (' ') — | আনৰ কথাৰ হুবহু উদ্ধৃতি দিওঁতে উদ্ধৃতি চিহ্ন বা প্ৰক্ষেপ চিহ্ন কমা ব্যৱহাৰ কৰা হয়। যেনে- 'কুকুৰ আৰু মেকুৰীৰ মাজত যেনেদৰে কিছু মিল আছে; তেনেদৰে কিছু অমিলো আছে, নহয়নে জেঠাই?' |

**তলৰ দফাটো পঢ়া আৰু যতি চিন বহুওৱা।**

খঁকুৱাৰ কথাত তৎ হেৰুৱাই ভতুৱা জঁকি উঠিল লোকৰ চৰুৰ ভজা মাছ চুৰি কৰি মুখঠেকেচা খাওঁতে যাৰ জনম গ'ল তাৰ মুখত এতিয়া বৰ বৰ কথা ৰ'বি আজি তোক মই এসেকা দিহে এৰিম

**উদাহৰণত দিয়াৰ দৰে শব্দ গঠন কৰি লিখা।**




*এইদৰে দলীয়ভাৱে আন আন শব্দ গঠনৰ খেল খেলিবলৈ দিব।*

**তলৰ শব্দবোৰৰ প্ৰতিশব্দ (সমাৰ্থক) লিখা।**

ঘৰ — ........................................

পৃথিৱী — ........................................

ঘূৰণীয়া — ........................................

শেষ — ........................................

বিষাদ — ........................................

আনন্দ — ........................................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ—জ্ঞান সম্প্ৰসাৰণ



### জানো আহা


পাঠত তুমি 'জনম' শব্দটো বিচাৰি চোৱা। এই 'জনম' শব্দটো 'জন্ম' শব্দৰ পৰা সৰল কৰা হৈছে। এইদৰে অনেক শব্দ আমাৰ অসমীয়া ভাষাত আছে। তাৰে কেইটামান শব্দ জানি লওঁ আহা।



| | | |
|---|---|---|
| ধৰ্ম | — | ধৰম |
| কৰ্ম | — | কৰম |
| ভক্তি | — | ভকতি |
| ৰত্ন | — | ৰতন |
| ভক্ত | — | ভকত |
| পদ্ম | — | পদুম |
| মুক্তি | — | মুকুতি |
| জ্ঞান | — | গিয়ান |
| শক্তি | — | শকতি |
| যত্ন | — | যতন |



**দুজন বন্ধুৰ মাজত স্কেল এপাটৰ বাবে খৰিয়াল লাগিলে তুমি কি বুলি বুজনি দিবা লিখা।**



### সাঁথৰ ভাঙো আহা



(ক) বগা বগা চাহাবৰ ৰঙা ৰঙা টুপী;
এক ঘোচা মাৰিলে উঠে জ্বলি-পকি।

(খ) ৰজাৰ ঘৰৰ বাকবাঁহ, তাতে-পৰে ৰাজহাঁহ;
ৰাজহাঁহে কণী পাৰে, কোনে কিমান গণিব পাৰে?

(গ) দীঘলকৈ পুখুৰী, চুটিকৈ ঘাট;
বত্ৰিশ জোপা কলগছ, এখনহে পাত।

☞ *(শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক দুটা দলত ভাগ কৰি এটা দলক সাঁথৰ ক'বলৈ আৰু এটা দলক ভাঙিবলৈ দিব)।*



**তলত দিয়া সম্বন্ধবোৰৰ বাবে আমি আৰু কি কি শব্দ ব্যৱহাৰ কৰোঁ, কাষৰ খালী ঠাইত লিখা।**

(ক) দেউতাৰ ককায়েক — বৰদেউতা, ..............................

(খ) বৰদেউতাৰ ঘৈণীয়েক — বৰমা, ..............................

(গ) দেউতাৰ ভায়েক — খুৰা, ..............................

(ঘ) খুৰাৰ ঘৈণীয়েক — খুৰী, ..............................

(ঙ) দেউতাৰ বায়েক — জেঠাই, ..............................

(চ) জেঠাইৰ গিৰীয়েক — জেঠপেহা, ..............................

(ছ) দেউতাৰ ভনীয়েক — পেহী, ..............................

(জ) পেহীৰ গিৰীয়েক — পেহা, ..............................

(ঝ) আইৰ ককায়েক/ভায়েক — মোমাই, ..............................

(ঞ) মোমাইৰ ঘৈণীয়েক — মামী, ..............................

(ট) আইৰ ভনীয়েক — মাহী, ..............................

(ঠ) মাহীৰ গিৰীয়েক — মহা, ..............................



## ঘ— প্ৰকল্প

- **বিভিন্ন প্ৰজাতিৰ কুকুৰৰ ছবি সংগ্ৰহ কৰি ডাঠ কাগজত আঠা লগাই প্ৰতিটো ছবিৰ তলত নাম লিখা।**
- **কুকুৰ আৰু মেকুৰীৰ বিষয়ে থকা সাধুকথা সংগ্ৰহ কৰি লিখা আৰু শ্ৰেণীত পঢ়ি শুনোৱা।**
- **জীৱ-জন্তুৰ বিষয়ে লিখা সাঁথৰ সংগ্ৰহ কৰা।**

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ৯

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- যতি চিহ্নৰ বিষয়ে জানি বুজি শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়িব পৰা
- নাটকীয় ভংগীত পঢ়াৰ কৌশল আয়ত্ত কৰি অভিনয় কৰা কৌশল শিকিব পৰা
- নাটক পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- পাঠ পঢ়ি বুজি পোৱা আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰিব পৰা
- যুক্তাক্ষৰ ভাঙিব পৰা, শব্দ গঠন কৰিব পৰা, এটা শব্দত প্ৰকাশ কৰিব পৰা
- সম্বন্ধবাচক শব্দবোৰৰ বিষয়ে জনা
- প্ৰতিশব্দ (সমাৰ্থক) লিখিব পৰা
- এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| নাটিকা | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পাঠটো নাটকীয় সুৰত পঢ়িব পৰা আৰু অভিনয় কৰিব পৰা | কুকুৰ আৰু মেকুৰীৰ স্বভাৱ আৰু উপকাৰিতাৰ বিষয়ে জনা | নতুন নতুন শব্দৰ অৰ্থ বুজি পোৱা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ব্যৱহাৰিক ব্যাকৰণ | 'ন্ত্ৰ' যুক্তাক্ষৰটো ভাঙিব পৰা, গঠন কৰিব পৰা | 'ন্ত্ৰ' যুক্তাক্ষৰ থকা শব্দ পঢ়িব পৰা | বাক্য ৰচনা কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা | যতি চিনৰ ব্যৱহাৰ জনা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | খৰিয়াল (কাজিয়া) নলগাৰ উপায় ভাবিব পৰা | শব্দ গঠন কৰিব পৰা আৰু অভিধানৰ ব্যৱহাৰ জনা | শব্দৰ সৰলীকৃত ৰূপ জনা আৰু বুজি পোৱা | সাঁথৰ ভাঙিব পৰা | সম্বন্ধবাচক শব্দ জনা | |
| | | | | | | |
| প্ৰকল্প | জীৱ-জন্তুৰ ছবি সংগ্ৰহ কৰিব পৰা | সাধু কথা সংগ্ৰহ কৰি পঢ়িব পৰা আৰু লিখিব পৰা | জীৱ-জন্তুৰ বিষয়ে লিখা<br>সাঁথৰ ক'ব পৰা আৰু ভাঙিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১০

# তিনিটা মাছৰ কাহিনী

B8Q8M4

এখন বিলত ভালেমান মাছ আছিল। সেই বিলতে অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি আৰু যদ্‌ভৱিষ্য নামৰ তিনিটা ডাঙৰ মাছে বহুদিন ধৰি একেলগে বাস কৰি আছিল। এদিন অনাগতবিধাতাই বিলত সাঁতুৰি-নাদুৰি থাকোঁতে সেই ফালেৰে গৈ থকা মাছমৰীয়া কেইজনমানে কথা পতা শুনিলে— "এই বিলখনত বহুদিন কোনেও মাছ মৰা নাই, ইয়াত নিশ্চয় বহুতো ডাঙৰ ডাঙৰ মাছ আছে। গতিকে কাইলৈ পুৱা আহি এই বিলত মাছ মাৰিব



লাগিব।" এইবুলি কৈ মাছমৰীয়াসকল ঘৰাঘৰি গুচি গ'ল। মাছমৰীয়াসকলৰ বজ্ৰসদৃশ কথাবোৰ অনাগতবিধাতাই ভালদৰে শুনি আছিল। তেওঁ সকলো মাছক লগে লগে মাতি আনি মাছমৰীয়াসকলে কৈ যোৱা কথাবোৰ বৰ্ণনা কৰি ক'লে — "কাইলৈ পুৱা মাছমৰীয়াসকল আহি এই বিলৰ মাছবোৰ মাৰি নিঃশেষ কৰিব বুলি কোৱা সকলোৱে নিশ্চয় শুনিছে। আমাক বিপদে হাত-বাউল দি মাতিছে। গতিকে আমি ইয়াত এখন্তেকো থকা উচিত নহয়। ৰাতিয়েই আন ঠাইলৈ গুচি যাব লাগিব। কিয়নো দুৰ্বলীলোক সদায় বলীৰ পৰা আঁতৰত থাকে, অথবা আন সুৰক্ষিত স্থানত আশ্ৰয় লয়।"

অনাগতবিধাতাৰ কথা শুনি প্ৰত্যুৎপন্নমতিয়ে ক'লে — "আপুনি সঁচা কথাকেই কৈছে। ময়ো এই বিল এৰি অতি শীঘ্ৰে ওচৰত থকা আন খাল-বিললৈ যোৱাটোকেই উচিত হ'ব বুলি ভাবোঁ। কিয়নো, যাৰ জীয়াই থকাৰ উপায় থাকে, তেওঁ কিহৰ মোহত বিনাশ হ'ব? 'পিতৃ-পিতামহৰ কুঁৱা' বুলি ভবা কাপুৰুষসকলেহে খাৰুৱা পানীকে খাই জীয়াই থাকে।"



অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতিৰ কথা শুনি উচ্চস্বৰে হাঁহি যদ্‌ভৱিষ্যই ক'লে— "তোমালোকে আলোচনা কৰা কথাবোৰ বৰ ভাল লগা নাই। যদি আয়ুস শেষ হয় তেনেহ'লে অন্য ঠাইলৈ গ'লেও মৃত্যু হ'বই। বনত বিসৰ্জন দি অহাজনো জীয়াই থাকে আৰু ঘৰত সুৰক্ষিতভাৱে থকাজনৰো বিনাশ হয়। আমাৰ সমাজত সাধাৰণতে কোৱা হয় — অসুৰক্ষিতজনকো দৈৱই ৰক্ষা কৰে আৰু সুৰক্ষিত হৈ থকাজনকো দৈৱই বিনাশ কৰে; মই মুখৰ কথাতেই পিতৃ-পিতামহৰ এই বিলখন এৰি যোৱাটো যুক্তিযুক্ত বুলি নাভাবোঁ। গতিকে মই ক'লৈকো নাযাওঁ। তোমালোকে যি ভাল বুলি ভাবা তাকেই কৰা।"

যদ্‌ভৱিষ্যৰ এনেকুৱা আঁকোৰ-গোঁজ মনোভাব দেখি তেওঁক এৰি অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতি নিজৰ নিজৰ পৰিয়ালবৰ্গৰে সৈতে আন বিললৈ গুচি গ'ল। পাছদিনাখন পুৱা মাছমৰীয়াসকলে আহি বিলত জাল পেলালে। তেওঁলোকে জালেৰে মাছ মাৰি গোটেই বিলখন ঘোদালি পেলালে আৰু যদ্‌ভৱিষ্যৰ লগতে থকা অন্যান্য মাছবোৰকো জালেৰে ধৰি ঘৰলৈ লৈ গ'ল।

"সাৱধানৰ মৰণ নাই।" বিপদ অহাৰ আগতেই সাৱধান হোৱা অনাগতবিধাতা আৰু প্ৰত্যুৎপন্নমতি সুখেৰে জীয়াই থাকিল, কিন্তু বিপদৰ কথা নাভাবি হাত সাৱটি থকা যদ্‌ভৱিষ্য বিনাশ হ'ল।

*(এই সাধুটো পঞ্চতন্ত্ৰৰ পৰা লোৱা হৈছে)*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

(ক) "তিনিটা মাছৰ কাহিনী"ত থকা মাছকেইটাৰ নাম কি কি?

(খ) অনাগতবিধাতা কিয় শংকিত হৈছিল?

(গ) অনাগতবিধাতাৰ কথা কোনে সমৰ্থন কৰিছিল?

(ঘ) কোনে বিপদৰ কথা নাভাবি আঁকোৰ-গোঁজ হৈ থাকি মৃত্যুক সাৱটি ল'লে?

(ঙ) মাছমৰীয়াকেইজনে কিহেৰে পুখুৰীত মাছ মাৰিলে?

**কোৱা আৰু লিখা।**

**তলৰ কথাকেইযাৰ কোনে, কি উদ্দেশ্যেৰে কাক কৈছিল?**

(ক) "আপুনি সঁচা কথাকেই কৈছে। ময়ো এই বিল এৰি ওচৰত থকা আন খাল-বিললৈ যোৱাটো উচিত বুলি ভাবোঁ।"

(খ) "মই মুখৰ কথাতেই পিতৃ-পিতামহৰ এই বিলখন এৰি যোৱাটো যুক্তিযুক্ত বুলি নাভাবোঁ।"

(গ) "কাইলৈ পুৱা মাছমৰীয়াসকল আহি এই বিলৰ মাছ মাৰি শেষ কৰিব।"

**সাধুটো নিজৰ কথাৰে কোৱা আৰু লিখা।**

**সাধুটোত মাছ তিনিটাই কোৱা কথাখিনি সহজ কথাৰে লিখা।**

**তলৰ শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধানৰ পৰা চাই লিখা।**

| | | |
|---|---|---|
| অনাগতবিধাতা | প্ৰত্যুৎপন্নমতি | যদ্‌ভৱিষ্য |
| এখন্তেক | ঘোদালি | নিঃশেষ |
| বিনাশ | সুৰক্ষিত | বজ্ৰসদৃশ |
| আঁকোৰ-গোঁজ | উচ্চস্বৰে | হাত-সাৱটি |

**তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা।**

(ক) মাছমৰীয়াহঁতৰ কথা শুনি অনাগতবিধাতাই লগৰীয়া মাছবোৰক কি ক'লে?

(খ) অনাগতবিধাতাই কোৱা কথাটো প্ৰত্যুৎপন্নমতিয়ে কিয় সমৰ্থন কৰিলে?

(গ) যদ্‌ভৱিষ্যই কিয় মৃত্যুক সাৰটি ল'ব লগা হ'ল?

(ঘ) আঁকোৰগোঁজ মনোভাৱে মানুহক কেনেদৰে বিপদত পেলায়?

**তলৰ আধৰুৱা বাক্যবোৰ সম্পূৰ্ণ কৰিবলৈ পাঠটো পঢ়া আৰু খালী অংশটো পূৰ কৰি লিখা।**

(ক) এখন বিলত ভালেমান ..........................................। সেই বিলতে ...................
একেলগে বাস কৰি আছিল। এদিন অনাগতবিধাতাই পুখুৰীত সাঁতুৰি-নাদুৰি
.................................................... মাছমৰীয়া কেইজনমানে কথা পতা
শুনিলে,— "..........................................................................................
মৰা নাই, ইয়াত নিশ্চয় বহুতো ডাঙৰ ডাঙৰ মাছ আছে। গতিকে কাইলৈ
..............................." এইবুলি কৈ মাছমৰীয়াসকল ঘৰা-ঘৰি গুচি গ'ল।

(খ) যদ্‌ভৱিষ্যৰ এনেকুৱা ...........................................................। পাছদিনাখন
পুৱা....................................................পেলালে। তেওঁলোকে জালেৰে
যদ্‌ভৱিষ্যৰ ..................................................... ঘৰলৈ লৈ গ'ল।

*ছাত্ৰ-ছাত্ৰীক সুবিধা অনুসৰি কাৰ্যটো বহী বা শ্লেটত কৰাব।*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

**ন্ন, ক্ক, শ্চ, ঘ্ৰ, ন্ধ, ন্দ, ন্ম, স্থ**

| | | | | | |
|---|---|---|---|---|---|
| অন্ন | ন্ন | ন + ন | নই নই | ন্ন | প্ৰসন্ন, প্ৰত্যুৎপন্নমতি |
| মক্কা | ক্ক | ক + ক | কই কই | ক্ক | মক্কা, বৃক্ক |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| নিশ্চয় | শ্চ | শ + চ | শই | চই | শ্চ | নিশ্চিত, | পশ্চিম |
| ব্যাঘ্ৰ | ঘ্ৰ | ঘ + ৰ | ঘই | ৰই | ঘ্ৰ | ঘ্ৰাণ, | শীঘ্ৰে |
| সন্ধান | ন্ধ | ন + ধ | নই | ধই | ন্ধ | বন্ধন, | ৰান্ধনী |
| সুন্দৰ | ন্দ | ন + দ | নই | দই | ন্দ | বান্দৰ, | মন্দিৰ |
| জন্ম | ন্ম | ন + ম | নই | মই | ন্ম | সন্মান, | উন্মনা |
| সুস্থ | স্থ | স + থ | সই | থই | স্থ | স্থল, | স্থিৰ |

☞ *ক, খ, ত, থ, প, ফ আৰু ম এই আখৰকেইটাৰ লগতহে 'স' যোগ হয়। যেনে— বয়স্ক, স্খলন, অস্ত, স্থান, স্পন্দন, স্ফটিক, ভস্ম ইত্যাদি ছাত্ৰ-ছাত্ৰী সকলক শিকাব।*



**যুক্তাক্ষৰ গঠন কৰি পঢ়োঁ আহা।**

| | | | | |
|---|---|---|---|---|
| ক্ক | ক + ক | কই | কই | ক্ক |
| ন্ন | ন + ন | নই | নই | ন্ন |
| শ্চ | শ + চ | শই | চই | শ্চ |
| ঘ্ৰ | ঘ + ৰ | ঘই | ৰই | ঘ্ৰ |
| ন্ধ | ন + ধ | নই | ধই | ন্ধ |
| ন্দ | ন + দ | নই | দই | ন্দ |
| ন্ম | ন + ম | নই | মই | ন্ম |
| স্থ | স + থ | সই | থই | স্থ |



**তলৰ বাক্যবোৰ পঢ়া।**

(ক) বানপানীয়ে মানুহৰ জীৱন বিপন্ন (বিপদগ্ৰস্ত) কৰে।

(খ) ড° ভূপেন হাজৰিকা এজন বিশ্ববিশ্ৰুত (পৃথিৱীৰ সকলোৱে জনা) লোক আছিল।

(গ) চন্দন (এবিধ গছ) এবিধ মূল্যৱান গছ।

(ঘ) প্ৰবন্ধ (ৰচনা) লিখা ব্যক্তিক প্ৰবন্ধকাৰ বুলি কোৱা হয়।

(ঙ) ভক্ত প্ৰহ্লাদৰ ভগৱানৰ প্ৰতি গভীৰ <u>বিশ্বাস</u> (পতিয়ন) আছিল।

(চ) জ্ঞানীয়ে জগতৰ অজ্ঞান <u>আন্ধাৰ</u> (পোহৰ নথকা) দূৰ কৰে।

(ছ) দেশমাতৃৰ প্ৰতি <u>সন্মান</u> (মান, আদৰ) জনোৱা উচিত।

*বন্ধনীৰ ভিতৰত থকা অৰ্থবোৰৰ লগত আঁচ টনা শব্দবোৰ মিলাই বুজাব আৰু তেনেধৰণৰ বাক্য পঢ়াৰ অনুশীলন কৰাব।*



**উদাহৰণত দেখুওৱাৰ দৰে 'অ' লগাই বিপৰীত অৰ্থ বুজোৱা শব্দ সাজা।**

**উদাহৰণ — সুৰক্ষিত — অসুৰক্ষিত**

বাট —

সংলগ্ন —

চেতন —

ঘটন —

সময় —

বুজন —

কৃত্ৰিম —



**বাক্য ৰচনা কৰা।**

হাত-বাউল দি ..........................................................................

সাঁতুৰি-নাদুৰি ..........................................................................

আঁকোৰ-গোঁজ ..........................................................................

ঘোদালি ..........................................................................

ঘৰা-ঘৰি ..........................................................................

অতি শীঘ্ৰে ..........................................................................

এখন্তেক ..........................................................................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ



**দলত আলোচনা কৰি কি হ'ব কোৱা আৰু লিখা।**


(ক)
- মাছবোৰ যদি নোহোৱা হৈ যায়?
- বিলৰ পানী যদি শুকাই যায়?
- মাছ যদি উভৈনদী হয়?

(খ) তলৰ সমস্যাবোৰ তুমি কেনেকৈ সমাধান কৰিবা?

- বিদ্যালয়লৈ গৈ থাকোঁতে উজুটি খাই পৰি তেজ ওলালে
- সন্মুখত সাপ বা কুকুৰ দেখা পালে
- শ্ৰেণীকোঠাত দুজন ল'ৰাৰ মাজত কাজিয়া লাগিলে



**'মাছ' শব্দত থকা আখৰ দুটাৰে আৰু কিমান নতুন শব্দ গঠন কৰিব পাৰা, দলত আলোচনা কৰা আৰু তলৰ তালিকাত লিখা।**






**তোমালোকে পাঠটোত পোৱা 'তৎক্ষণাত', 'প্ৰত্যুৎপন্নমতি' শব্দ দুটাত ব্যৱহাৰ হোৱা 'ৎ' টো দেখিছা। 'ৎ' থকা বিভিন্ন শব্দ লিখা।**



**মাছৰ বিষয়ে কেইশাৰীমান বাক্য লিখা।**

☞ এই শব্দবোৰত পোৱা 'ৎ'-ক ব্যঞ্জনান্ত/হসন্ত/হলন্ত বোলে। ছাত্ৰ-ছাত্ৰীক বুজাই দিব।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন চাই কোনে কি কৰিছে কোৱা।



তলৰ বাক্যবোৰৰ ভাব বুজাই লিখা।

(ক) সাৱধানৰ মৰণ নাই। (খ) বাছি খাবা, জাগি শুবা।

## ঘ — প্ৰকল্প

- অসমত মাছৰ নামেৰে বহুতো ঠাইৰ নাম আছে। প্ৰতিটো দলে নিজাববীয়াকৈ মাছৰ নামেৰে থকা ঠাইৰ নামৰ তালিকা প্ৰস্তুত কৰা।

উদাহৰণ— কাৰৈমাৰী (জিলা- বৰপেটা)

| মাছৰ নামেৰে ঠাইৰ নাম | জিলাৰ নাম | কি কাৰণে বিখ্যাত |
|---|---|---|
| | | |

*পাঠৰ পৰা শ্ৰুতলিপি দিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

# পাঠ ১০

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধু পঢ়ি বুজি পোৱা আৰু সজাই-পৰাই ক'ব পৰা
- সাধুটো নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ শিকি বাক্যত প্ৰয়োগ কৰিব পৰা
- যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা, যুক্তাক্ষৰ ভাঙিব পৰা
- 'অ' যোগ কৰি বিপৰীত অৰ্থ বুজোৱা শব্দ ক'ব আৰু লিখিব পৰা
- বিপদত কেনেদৰে সাৱধান হ'ব লাগে সেই বিষয়ে জনা
- সমস্যা সমাধান কৰিব পৰা
- ছবি চাই বৰ্ণনা কৰি ক'ব আৰু লিখিব পৰা
- 'মাছ' শব্দৰ আখৰ দুটাৰে বিভিন্ন শব্দ গঠন কৰিব পৰা
- মাছৰ নামেৰে ঠাইৰ নাম ক'ব পৰা, ঠাইখনৰ অৱস্থান উলিয়াব পৰা
- 'ৎ' থকা শব্দ লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| সাধু | সাধুটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | সাধুটো নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা | কোনো বিষয়বস্তুক লৈ কল্পনা কৰি লিখিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | 'অ' ৰে আৰম্ভ হোৱা বিপৰীত শব্দ লিখিব পৰা | বাক্য গঠন কৰিব পৰা | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | সমস্যাৰ সমাধান কৰিব পৰা | বিপদৰ সময়ত সাৱধান হোৱাৰ উপায় উলিয়াব পৰা | 'মাছ' শব্দটোৰ আখৰ দুটাৰে নতুন শব্দ গঠন কৰিব পৰা | মাছৰ বিষয়ে বৰ্ণনা কৰি ক'ব আৰু লিখিব পৰা | ছবি চাই বৰ্ণনা কৰিব পৰা | 'ৎ' থকা শব্দ লিখিব পৰা |
| | | | | | | |
| প্ৰকল্প | অসমত মাছৰ নামেৰে থকা বিভিন্ন ঠাইৰ নাম আৰু জিলাৰ নাম লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১১

# অমলপ্ৰভা দাস

আমাৰ দেশত পুৰুষৰ লগতে সমানে দেশৰ হকে কাম কৰা অনেক নাৰীৰ বিষয়ে আমি পঢ়িবলৈ পাওঁ। তেওঁলোকে সমাজৰ পৰম্পৰা ভাঙি নিজৰ প্ৰতিভাৰে সমাজৰ উন্নতিৰ হকে বহু কাম কৰি গৈছে। তেনে মহিলাসকলৰ ভিতৰৰে এগৰাকী হ'ল অমলপ্ৰভা দাস। নম্ৰ, বিনয়ী আৰু দৃঢ়তাসম্পন্ন অমলপ্ৰভা দাসে জাতিৰ পিতা মহাত্মা গান্ধী আৰু আচাৰ্য বিনোৱাজীৰ আদৰ্শতেই নিজকে বিলীন কৰি দিছিল।



সৰুৰে পৰাই নিজৰ ঘৰখনতে অমলপ্ৰভা দাসে সমাজ সেৱা তথা দেশসেৱাৰ এটি পৰিৱেশ পাইছিল। পঢ়া-শুনাত তেখেত বৰ চোকা আছিল। সেইবুলি অমলপ্ৰভা দাস অনবৰতে কিতাপ-পত্ৰ পঢ়ি থকা বিধৰো নাছিল। স্কুল ছুটীৰ পিছত ঘৰলৈ গৈ মাক দেউতাকক কামত সহায় কৰা, ফুলনিত ফুল ৰোৱা, গছপুলিত পানী দিয়া আদি কাম কৰি তেখেতে বৰ আনন্দ পাইছিল। পঢ়া-শুনাৰ লগতে নাচ-গানতো তেখেত পাৰ্গত আছিল ।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ সময়ত অমলপ্ৰভা দাসৰ পৰিয়ালে পৰম নিষ্ঠাৰে যঁতৰত সূতা কটা কাম কৰিছিল। ১০ বছৰীয়া অমলপ্ৰভা দাসেও সূতা কাটিবলৈ শিকিলে। সেই যে সূতা কাটিবলৈ শিকিলে, গোটেই জীৱন তেখেতে আজৰি সময়ত তাকেই কৰি কটালে। আনকি কলেজত পঢ়ি থকা সময়তো সময় উলিয়াই তেখেতে সূতা কাটিছিল।

স্কুলীয়া শিক্ষা শেষ কৰি অমলপ্ৰভা দাস ডিব্ৰুগড়ৰ পৰা গুৱাহাটী পাইছিলহি। তেখেতৰ উদ্দেশ্য আছিল কটন কলেজত আই. এছ. চি. পঢ়া। পিছে সেই সময়ত কটন কলেজত কেৱল ল'ৰাইহে পঢ়িব পাৰিছিল, ছোৱালীয়ে নোৱাৰিছিল। অমলপ্ৰভা দাসক কটন কলেজত পঢ়িবলৈ দিয়া নহ'ল যদিও তেখেত থমকি নৰ'ল। তেখেত কলিকতা (ক'লকাতা) পালেগৈ আৰু বেথুন কলেজত নামভৰ্ত্তি কৰিলে। এনেদৰে বহু বাধা-বিঘিনি নেওচি তেখেতে ব্যাৱহাৰিক ৰসায়ন বিদ্যাত এম. এছ চি. পাছ কৰে। এৱেঁই এম. এছ চি. পাছ কৰা প্ৰথম অসমীয়া মহিলা।

স্বাধীনতা আন্দোলনৰ বাবে গাঁৱৰ মানুহক একত্ৰিত কৰিবলৈ অমলপ্ৰভা দাসে গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। এনেদৰে ঘূৰি ফুৰোঁতে তেখেত গাঁৱৰ দুখীয়া মানুহৰ দুখ-যন্ত্ৰণা দেখি ব্যথিত হৈছিল। তেতিয়াই তেখেতে উপলব্ধি কৰিছিল যে গান্ধীজীৰ আদৰ্শৰে ঘৰুৱা উদ্যোগ পাতি দেশবাসীয়ে আৰ্থিক অৱস্থা টনকিয়াল কৰিব পাৰে।



শিক্ষা শেষ কৰি অমলপ্ৰভা দাসে গান্ধীজীৰ আদৰ্শ আগত ৰাখি কিছুমান সামাজিক কাম হাতত ল'লে। দেউতাক ডা° হৰিকৃষ্ণ দাসৰ শৰণীয়া পাহাৰত থকা মাটিতে কিছুমান ঘৰুৱা উদ্যোগ পাতিলে। এই উদ্যোগবোৰ হ'ল— তেলপেৰা, কাগজ তৈয়াৰ কৰা, চাবোন তৈয়াৰ কৰা, মৌ পালন কৰা, তাঁতত কাপোৰ বোৱা আদি। সেই সময়ৰ ডেকা-ডেকেৰীসকলক স্বাৱলম্বী হোৱাত এই উদ্যোগবোৰে সহায় কৰিছিল। অমলপ্ৰভা দাসক এই কামত মাক হেমপ্ৰভা দাসে সহায় কৰিছিল। মাকে বিশ্বাস কৰিছিল যে স্বাৱলম্বনৰ জৰিয়তেহে দেশে প্ৰকৃত স্বৰাজ লাভ কৰিব পাৰিব। তেনে সময়তে এই গৰাকী মহীয়সী মাতৃৰ পৰলোক ঘটিল। দেশপ্ৰেমিক ডা° হৰিকৃষ্ণ দাসে

পত্নীৰ আশা পূৰাবলৈকে শৰণীয়া পাহাৰৰ সেই উদ্যোগবোৰৰ ঘৰ-মাটি কস্তুৰবা স্মাৰক নিধিৰ নামত উচৰ্গা কৰিলে। সেয়াই বৰ্তমানৰ কস্তুৰবা আশ্ৰম।

১৯৫৫ চনত ভাৰত চৰকাৰে অমলপ্ৰভা দাসক সমাজহিতকৰ কামৰ স্বীকৃতিৰূপে 'পদ্মবিভূষণ' সন্মান প্ৰদান কৰিছিল। কিন্তু তেখেতে সেই সন্মান গ্ৰহণ নকৰি সেইসময়ৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুলৈ লিখিছিল, "মই সামান্যভাৱে যিকণ সেৱা আগবঢ়াইছোঁ, তাক সন্মানিত কৰাৰ বাবে অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ। কিন্তু মই এই সন্মান গ্ৰহণ কৰিব নোৱাৰিম, কিয়নো ই মোৰ মনলৈ অহংকাৰ ভাব আনি দিব। তাৰ বাবে মোক অনুগ্ৰহ কৰি মাৰ্জনা কৰে যেন।"

অমলপ্ৰভা দাস আজীৱন অবিবাহিতা হৈ আছিল । সৰলমনা আৰু অমায়িক অমলপ্ৰভা দাসে ওৰেটো জীৱন দুখীয়া-নিছলাৰ মংগল চিন্তাৰে অতিবাহিত কৰিলে।


*(উৎস ঃ 'শ্ৰীঅমলপ্ৰভা বাইদেউ' (৭৫ বছৰীয়া জীৱনী) লেখিকা শ্ৰীমতী সমীৰণ দাস, প্ৰকাশক কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধি, শৰণীয়া আশ্ৰম, অসম, গুৱাহাটী)*

**জানো আহা**

**অমলপ্ৰভা দাসৰ পৰিচয়**

শিক্ষা -

- ১৯২৭- চনত গণিত আৰু ভূগোলত লেটাৰ লৈ ডিব্ৰুগড় মডেল বালিকা হাই স্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে।
- ১৯৩৩ চনত স্কটিছ চাৰ্চ কলেজৰ পৰা সুখ্যাতিৰে ডিষ্টিংচনসহ বি. এছ চি. পৰীক্ষা পাছ কৰে।
- কলিকতা (ক'লকাতা) ৰ চায়েন্স কলেজৰ পৰা এম. এছ চি. পাছ কৰে। এম.এছ চি. পাছ কৰা তেখেতেই প্ৰথম অসমীয়া মহিলা।



কস্তুৰবা আশ্ৰম

## ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া



**পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া।**

(ক) অমলপ্ৰভা দাসৰ পিতৃ আৰু মাতৃ কোন আছিল?

(খ) অমলপ্ৰভা দাসে কেতিয়াৰ পৰা সূতা কাটিবলৈ আৰম্ভ কৰিছিল?

(গ) তেখেতে শৰণীয়া পাহাৰত কি কি উদ্যোগ পাতিছিল?

(ঘ) এই উদ্যোগবোৰে দেশবাসীক কেনেকৈ সহায় কৰিব বুলি তেখেতে ভাবিছিল?

(ঙ) চৰকাৰে অমলপ্ৰভা দাসক কি সন্মান দিবলৈ বিচাৰিছিল?



**তলৰ কথাখিনি কোনে, কাক, কিয়, কৈছিল কোৱা আৰু লিখা।**

'মই সামান্যভাৱে যিকণ সেৱা আগবঢ়াইছোঁ, তাক সন্মানিত কৰাৰ বাবে অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ। কিন্তু মই এই সন্মান ল'ব নোৱাৰিম, কিয়নো ই মোৰ মনলৈ অহংকাৰ ভাব আনি দিব। তাৰ বাবে মোক অনুগ্ৰহ কৰি মাৰ্জনা কৰে যেন।'



**স্কুলীয়া জীৱনত অমলপ্ৰভা দাসে পঢ়াৰ উপৰি মাক, দেউতাকক কি কি কামত সহায় কৰিছিল?**



**কটন কলেজত তেখেতক পঢ়িবলৈ কিয় দিয়া নাছিল?**



**শৰণীয়া পাহাৰত উদ্যোগসমূহ স্থাপন কৰাৰ উদ্দেশ্য কি আছিল?**



জানো আহা—

| শব্দ | | অৰ্থ |
|---|---|---|
| পৰম্পৰা | — | অবিচ্ছেদ্য ধাৰা, এটাৰ পাছত আন এটা |
| নম্ৰ | — | নত, দো খাই থকা |
| নিষ্ঠা | — | শ্ৰদ্ধা, দৃঢ় ভক্তি |
| থমকি | — | ৰৈ যোৱা, আগ নবঢ়াকৈ থকা |
| সহ-শিক্ষা | — | ল'ৰা-ছোৱালীয়ে একেলগে শিক্ষা গ্ৰহণ কৰা |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**তলৰ যুক্তাক্ষৰকেইটাৰে একোটাকৈ শব্দ লিখা।**

| | | | |
|---|---|---|---|
| ব্ৰু — | | ম্ৰ — | |
| ষ্ট্ৰ — | | ন্থ — | |
| স্ব — | | শ্ৰ — | |
| ণ্ঠ — | | ন্ম — | |
| ঙ্ক — | | প্ল — | |



**এটা শব্দত প্ৰকাশ কৰোঁ আহা**

(ক) সমাজ সেৱা কৰা লোক —

(খ) দেশক ভালপোৱা মানুহ —

(গ) বিপ্লৱ কৰোঁতাজন —

(ঘ) দেশৰ কাৰণে মৃত্যুবৰণ কৰা লোক —

(ঙ) নিজৰ ওপৰত নিৰ্ভৰ কৰা লোক —

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**উদাহৰণৰ দৰে শব্দ গঠন কৰা।**

উদাহৰণ — নম্ৰ - নম্ৰতা



(ক) সাধু —

(খ) ভদ্ৰ —

(গ) দৃঢ় —

(ঘ) শিক্ষক —

(ঙ) সাৰ্থক —

(চ) মূৰ্খ —

(ছ) সৰল —

(জ) উজ্জ্বল—

**অৰ্থৰ পাৰ্থক্য দেখুৱাই তলত দিয়া শব্দবোৰেৰে একোটাকৈ বাক্য ৰচনা কৰা।**

উদাহৰণ —কথা - অচিনাকি মানুহৰ লগত কথা কওঁতে সাৱধান হ'ব লাগে।

কঠা - পাঁচ কঠাই এবিঘা মাটি হয়।

| | | |
|---|---|---|
| পাত পাট | হাত হাট | ল'ৰা লৰা |
| ছুটী চুটি | গাঁও গাওঁ | গড় গঁড় |

**ভাব বহলাই লিখোঁ আহা**

'যত্ন কৰিলে ৰত্ন পায়'

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ দফাটো পঢ়া আৰু উদাহৰণত দিয়াৰ দৰে বাকচত বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ লিখা।**

সৰুৰে পৰাই অমলপ্ৰভা দাস পঢ়া-শুনাত বৰ চোকা আছিল। সেইবুলি তেখেত অনবৰতে কিতাপ পঢ়ি থকা বিধৰো নাছিল। স্কুল ছুটীৰ পিছত ঘৰলৈ গৈ মাক, দেউতাকক কামত সহায় কৰি দিছিল। ফুলনিত গছপুলি ৰোৱা, শাক-পাচলিত পানী দিয়া আদি কাম কৰি তেখেতে বৰ ভাল পাইছিল। পঢ়া-শুনাৰ লগতে খেলা-ধূলা, গান-নাচতো তেখেত পাৰ্গত আছিল।

| | বিশেষ্য | বিশেষণ | সৰ্বনাম |
|---|---|---|---|
| **উদাহৰণ** — | অমলপ্ৰভা | পাৰ্গত | তেখেত |

## গ—জ্ঞান সম্প্ৰসাৰণ



### জানো আহা

**চন্দ্ৰপ্ৰভা শইকীয়ানী** — চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম হৈছিল ১৯০১ চনৰ ১৬ মাৰ্চত। বজালীৰ দৈশিঙৰি গাঁৱত তেখেতে জন্ম লাভ কৰিছিল। তেখেতৰ পিতৃৰ নাম ৰাতিৰাম মজুমদাৰ আৰু মাতৃৰ নাম গংগাপুৰীয়া মজুমদাৰ।

সেই সময়ত ছোৱালী শিক্ষাৰ প্ৰচলন নাছিল বুলিয়েই ক'ব পাৰি। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ গাঁও দৈশিঙৰিতো পঢ়াশালি নাছিল। কিন্তু তেখেতৰ পঢ়াৰ প্ৰতি অদম্য হেঁপাহ আছিল। সেইকাৰণে তেখেতে মাহীয়েকৰ ঘৰত থাকি প্ৰাথমিক শিক্ষা লাভ কৰিছিল। প্ৰাথমিক শিক্ষাৰ পাছত আৰু শিক্ষা ল'বলৈ ওচৰতে এম, ই স্কুল নাছিল। কিন্তু তেখেতে ঘৰতে বহি দিন নকটাই এটা ভাল কাম কৰিবলৈ সিদ্ধান্ত ল'লে। সেইমতে তেখেতে দৈশিঙৰি গাঁৱৰ আন ছোৱালীবিলাকৰ বাবে এখন প্ৰাথমিক স্কুল আৰম্ভ কৰিলে। এই সুযোগতে গাঁৱৰ ছোৱালীবিলাকে

অকণমান হ'লেও শিক্ষাৰে আলোকিত হ'ল। এদিন বিদ্যালয় উপ-পৰিদৰ্শকে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ স্কুলখন পৰিদৰ্শন কৰিলে। উপ-পৰিদৰ্শকে কমবয়সীয়া মানুহগৰাকীৰ সমাজসেৱাৰ মনোভাৱ দেখি আচৰিত হ'ল। তেখেতে চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে যাতে পুনৰ পঢ়া-শুনা আৰম্ভ কৰিব পাৰে তাৰ বাবে জলপানি পোৱাৰ সুবিধা কৰি দিলে।

চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নগাঁৱৰ মিছন স্কুলত পুনৰ পঢ়া-শুনা আৰম্ভ কৰিলে। তাৰ পৰাই তেখেতে নৰ্মাল পাছ কৰি শিক্ষকতাৰ জীৱন আৰম্ভ কৰিলে। এইগৰাকী মহিলাই পাছলৈ নাৰীসকলক সমাজলৈ উলিয়াই আনিবলৈ মহিলা সমিতি গঠন কৰিলে। দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰা চন্দ্ৰপ্ৰভা শইকীয়ানী এগৰাকী সু-লেখিকাও আছিল।

**উত্তৰ দিয়া।**

- চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল?
- তেখেতে প্ৰাথমিক শিক্ষা কেনেকৈ লাভ কৰিছিল?
- চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে নিজৰ গাঁৱৰ ছোৱালীবিলাকৰ বাবে কি কৰিছিল?
- তেখেতক পুনৰ পঢ়া শুনা আৰম্ভ কৰাৰ বাবে কোনে সুবিধা কৰি দিছিল?
- তেখেতে নাৰীসকলৰ বাবে কি স্থাপন কৰিছিল?




**অমলপ্ৰভা দাস আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কি কি দিশত মিল আৰু কি কি দিশত অমিল দেখিছা লিখা।**



**গান্ধীজীয়ে যতঁৰত সূতা কাটিছিল। যতঁৰৰ উপৰি আৰু কিহেৰে সূতা কাটিব পাৰি?**

কবিতাটো আবৃত্তি কৰিবলৈ শিকা।

**অৰুণমানিৰ গান**



মা, মই আজি
    সোণ বৰণৰ
    সপোন দেখিলোঁ
তোৰ আঙুঠিৰ ৰঙা বাখৰ
    পাখি পিন্ধি উৰা দেখিলোঁ।
মা, অ' মা
    তোৰ যে মা
    ৰঙা বগা হালধীয়া
    কেচৰছীয়া
    ৰিহা এখন আছিল
তাৰ নিচিনা
    চৰাই এটাই
    মোৰ কাষলৈ আহিল।



মা, অ' মা
    মই টুক বুলিলে
সি কুতুক্ কুতুক্ কৰে
    আৰু ঘূৰ বুলিলে
    লৰ-মাৰি গৈ ফুৰ-ফুৰকৈ উৰে
বুইছ' মা, তাৰ চকু দুটা
    ঠিক, তোৰ আঙুঠিৰ বাখৰ
    আৰু গোটেই গাতে অঁকা বঁকা
    সোণৰ-ৰূপৰ আখৰ।

কবি— জ্যোতিপ্ৰসাদ আগৰৱালা

*(উৎস— জ্যোতিপ্ৰসাদ ৰচনাৱলী, সম্পাদনা — ড° হীৰেন গোহাঁই, পৃষ্ঠা — ৭৮৭, প্ৰকাশক — অসম প্ৰকাশন পৰিষদ)*



আমাৰ ৰাজ্যৰ বিভিন্ন দিশত পাৰদৰ্শিতা দেখুওৱা মহিলাসকলৰ নাম শিক্ষক/অভিভাৱকৰ সহযোগত তলত লিখা।

| নৃত্য | গীত | বাদ্য | খেল | কবিতা ৰচনা | গল্প লিখা | সাঁতোৰা |
|---|---|---|---|---|---|---|
| | | | | | | |



## ঘ—প্ৰকল্প

- পাঠত থকা বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদবোৰেৰে তলৰ তালিকাৰ দৰে এখন তালিকা তৈয়াৰ কৰা।

<u>বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদৰ তালিকা</u>

| বিশেষ্য | বিশেষণ | সৰ্বনাম |
|---|---|---|
| অমল প্ৰভা | নম্ৰ | তেখেত |
| | | |
| | | |
| | | |

☞ *পাঠৰ পৰা শ্ৰুতলিপি দিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- অমলপ্ৰভা দাসৰ জীৱন-কৃতি সম্পৰ্কে জনা
- সমাজ সেৱা বা দেশ সেৱাৰ মনোভাব আৰু ত্যাগৰ মনোভাব জাগ্ৰত হোৱা
- এটা শব্দত প্ৰকাশ কৰিব পৰা
- শব্দ গঠন কৰিব পৰা, অৰ্থৰ পাৰ্থক্য বুজি বাক্য সাজিব পৰা
- ভাব বহলাই লিখিব পৰা
- অমলপ্ৰভা দাসৰ দৰে আন সমাজসেৱী মহিলাৰ বিষয়ে পঢ়ি অনুপ্ৰাণিত হোৱা
- ৰাজ্যৰ বিভিন্ন দিশত পাৰদৰ্শিতা থকা মহিলাসকলৰ নাম জনা
- বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদৰ বিষয়ে জানি লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| গদ্য পাঠ (জীৱনী) | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | অভিধান চাই শব্দৰ অৰ্থ লিখিব পৰা | | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰযুক্ত শব্দ চিনাক্ত কৰিব পৰা | শব্দ গঠন কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰিব পৰা | বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ চিনাক্ত কৰি লিখিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিষয়ে ক'ব পৰা | প্ৰশ্নৰ উত্তৰ দিব পৰা | শ্ৰুতলিপি শুদ্ধকৈ লিখিব পৰা | কবিতা আবৃত্তি কৰিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ চিনাক্ত কৰি তালিকা তৈয়াৰ কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১২

# আগতে নিজে নিকা হ’





আনক ধোৱাৰ আগতে ভাই
নিজে নিকা হ’—
নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল’—
আনক কোৱাৰ আগখিনিতে
নিজে সঁচা ক’—
নিজ সত্যত নিজৰ ৰূপত
দৃঢ়তাৰে ৰ’—
তেহে হ’ব হোৱা, লোৱা, কোৱা, ৰোৱা ঠিক,—
জীৱন ভৰাই জমা হ’ব ধন-সোণ আত্মিক।

কবি—অম্বিকাগিৰী ৰায়চৌধুৰী

*(উৎস— অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী। সম্পাদনা— ড° সত্যেন্দ্ৰ নাথ শৰ্মা, প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা-৪৬৫)*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**পদ্যটি শুদ্ধ উচ্চাৰণেৰে পঢ়া।**



**পদ্যটি আবৃত্তি কৰা।**



**উত্তৰ লিখা।**

(ক) পদ্যটিৰ ৰচক কোন?

(খ) কবিয়ে আনক ধোৱাৰ আগতে নিজকে কি হ’বলৈ কৈছে?

(গ) কবিৰ মতে নিজক নিকা কৰিবলৈ হ’লে কি কি কৰিব লাগে?

(ঘ) কবিৰ মতে আনক সঁচা কথা ক’বলৈ উপদেশ দিয়াৰ আগতে নিজে কি কৰিব লাগে?

**তলৰ শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধানত চাই শিকোঁ আহা**

নিকা পখালি দৃঢ়তা আত্মিক

**কবিৰ মতে জীৱনত কেনেকৈ ধন-সোণ জমা কৰিব পাৰি লিখা।**



**পদ্যকেইফাকি বুজাই লিখা।**

(ক) নিজৰ হিয়া-মনৰ মলি
ধুই পখালি ল'—

(খ) আনক কোৱাৰ আগখিনিতে
নিজে সঁচা ক'

**পদ্যটি গদ্যৰূপত কোৱা আৰু লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**'আত্মিক' শব্দটোত 'ত্ম' যুক্তাক্ষৰটো আছে। যুক্তাক্ষৰটো ভাঙি চাওঁ আহা —**

ত + ম = ত্ম তই মই ত্ম

**এনেধৰণৰ 'ম' যোগ হোৱা পাঁচটা যুক্তাক্ষৰ লিখি প্ৰত্যেকৰে দুটাকৈ শব্দ লিখা।**

**জানো আহা**

তোমালোকে পদ্যটোত হ' ল' ক' ৰ'— এইকেইটা ক্ৰিয়াপদ পাইছা। আদেশ বা অনুৰোধ বুজাবলৈ ক্ৰিয়াৰ যি ৰূপ ব্যৱহাৰ কৰা হয় তাক **অনুজ্ঞা** বোলে। অনুজ্ঞাৰ দুই পুৰুষ— **দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ;** তাৰ কাল দুটা, **নিত্য বৰ্তমান কাল** আৰু **ভৱিষ্যত কাল**।

কাল আৰু পুৰুষ অনুসাৰে ওপৰৰ ক্ৰিয়াপদকেইটাত কেনেদৰে বিভক্তি যোগ হৈছে সিপিঠিত চোৱা—

## অনুজ্ঞাৰ বিভক্তি

| কাল | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|
| | তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত<br>তই, তহঁত | আদৰ অৰ্থত<br>তুমি, তোমালোক | সি, আপুনি, তেখেত |
| নিত্য বৰ্তমান কাল আৰু ভৱিষ্যত কাল | অ<br>ইবি | আ<br>ইবা | অক বা ওক<br>ইব |

| কাল | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|
| | তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত | আদৰ অৰ্থত | |
| নিত্য বৰ্তমান কাল | ল, ৰ<br>ক, হ | লোৱা<br>ৰোৱা<br>কোৱা<br>হোৱা | লওক, হওক<br>ৰওক<br>কওক |
| ভৱিষ্যত কাল | ল'বি, ৰ'বি<br>ক'বি, হ'বি | ল'বা<br>ৰ'বা<br>ক'বা<br>হ'বা | ল'ব<br>ৰ'ব<br>ক'ব<br>হ'ব |



**'গা' আৰু 'খা' ক্ৰিয়াপদকেইটা (অনুজ্ঞা)ত বিভক্তি যোগ কৰি নিত্য বৰ্তমান আৰু ভৱিষ্যত কালৰ ৰূপত লিখা।**

*(অনুজ্ঞাৰ নিত্য বৰ্তমান কালৰ দ্বিতীয় পুৰুষৰ আদৰ অৰ্থত আঁ যোগ হোৱাৰ কথা পৰম্পৰাগত ব্যাকৰণত আছে। আধুনিক অসমীয়াত চন্দ্ৰবিন্দু (ঁ) টো উঠি গৈছে।)*



**তলৰ শব্দকেইটাৰে বাক্য ৰচনা কৰা।**

হিয়া-মন ধুই পখালি দৃঢ়তা নিকা


**তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

সত্য     নিজৰ     জমা     আত্মীয়     নিকা

## গ— জ্ঞান সম্প্ৰসাৰণ

**তোমাৰ মনটো ভালে ৰাখিবলৈ কি কি কাম কৰিবা দলত আলোচনা কৰি লিখা। (ধ্যান, প্ৰাৰ্থনা আদিৰ দৰে কাম)**

**অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাটো আবৃত্তি কৰিবলৈ শিকা।**



### ভাঙিব লাগিব শিল

তই ভাঙিব লাগিব শিল,—
নোৱাৰোঁ বুলিলে নহ'ব যে ভাই
ঢিলতে পৰিব ঢিল।
ক্ষত-বিক্ষত অঙ্গ আৱৰি
মুখেদি ৰক্ত পৰিব বাগৰি,
কলিজাকণিও পৰিব ভাগৰি,
তেহে খুলি যাব খিল।
পৰি মৰি উঠি কোবাব লাগিব,
তেহে পাষাণৰ বক্ষ ভেদিব,
তেহে সুৰধুনী মাতৃ জাগিব,
লৈ খৰ শতধাৰ—
শত জনমৰ কলঙ্ক কালিমা,
পূজি সাঁচি লোৱা গোলামি গৰিমা,
উটুৱাই নিব বাঢ়িব মহিমা,
তেহে, ক'লা-বগা হ'ব মিল।

কবি - অম্বিকাগিৰী ৰায়চৌধুৰী

*(উৎস— অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী, পৃষ্ঠা — ৪৯৪। সম্পাদনা— ড° সত্যেন্দ্ৰ নাথ শৰ্মা। প্ৰকাশক - অসম প্ৰকাশন পৰিষদ, ।)*

*( ইং ১৯২১ চনত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে তেজপুৰ জেলত থাকোঁতে এই গীতটো ৰচনা কৰিছিল। )*

কেতিয়াবা তুমি এৰাব নোৱৰা পৰিস্থিতিত বাধ্য হৈ মিছা কথা ক'বলগীয়া হ'ব পাৰে। তেনে পৰিস্থিতিৰ বিষয়ে কোৱা আৰু লিখা।



কবিয়ে কৈছে— নিজৰ হিয়া-মনৰ মলি

ধুই পখালি ল—

— হিয়া-মনৰ মলি কেনেকৈ আঁতৰাব পাৰি সেই বিষয়ে দলত আলোচনা কৰি কোৱা আৰু লিখা।



## ঘ — প্ৰকল্প

- তোমালোকৰ বিদ্যালয় আৰু ওচৰৰ অঞ্চলত থকা বিভিন্ন ভাষা-ভাষী লোকৰ মাজত কেনেকৈ মিলা-প্ৰীতি গঢ় লৈ উঠিছে, বৰ্ণনা কৰি টোকা প্ৰস্তুত কৰা। (সম্ভৱ হ'লে কাম-কাজৰ ফটো সংগ্ৰহ কৰি সংযোগ কৰিবা।)

- তোমালোকৰ বিদ্যালয় আৰু ওচৰৰ অঞ্চলত বিভিন্ন ভাষা কোৱা লোক আছে। সেই ভাষাবোৰৰ এখনি তালিকা প্ৰস্তুত কৰা। প্ৰতিটো ভাষাৰে দহটাকৈ শব্দ তলৰ তালিকাত লিখা।

| অঞ্চলৰ নাম | ভাষাৰ নাম | শব্দ |
|---|---|---|
| | | |

*ছাত্ৰ-ছাত্ৰীয়ে প্ৰকল্পৰ কাৰ্যটো কৰোঁতে সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ১২

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্যটো ভাব প্ৰকাশ হোৱাকৈ আবৃত্তি কৰিব পৰা
- পদ্যটোৰ জৰিয়তে মূল্যবোধৰ ভাব জন্মা
- মূল্যবোধ থকা পদ্য পঢ়িবলৈ আগ্ৰহী হোৱা
- আত্মবিশ্লেষণৰ জৰিয়তে নিজকে সংশোধন কৰিবলৈ শিকা
- একে অৰ্থ প্ৰকাশক শব্দ, বিপৰীত অৰ্থ প্ৰকাশক শব্দ আদিৰ জৰিয়তে শব্দ ভাণ্ডাৰ চহকী কৰা
- পদ্যটি গদ্যৰূপত লিখিব পৰা
- আদেশ বা অনুৰোধ বুজোৱা ক্ৰিয়াপদ (অনুজ্ঞা)ৰ ধাৰণা পোৱা
- নিজৰ চিন্তা আৰু যুক্তিৰে লিখিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্যটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পদ্যটো আবৃত্তি কৰিব পৰা | পাঠত থকা নতুন শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পদ্যৰ দফা বুজাই লিখিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | ত্ম-যুক্তাক্ষৰেৰে শব্দ গঠন কৰিব পৰা | অনুজ্ঞাত বিভক্তি যোগ কৰি ক্ৰিয়াপদ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | দলত আলোচনা কৰি মন নিকা হোৱাৰ উপায় উলিয়াব পৰা | পৰিস্থিতি অনুসৰি কথা ক'ব পৰা | যুক্তি দৰ্শাই লিখিব পৰা | দেশপ্ৰেমমূলক পদ্য আবৃত্তি কৰিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | নিজ অঞ্চলৰ বিভিন্ন ভাষা-ভাষী লোকৰ মাজত গঢ়ি উঠা মিলা-প্ৰীতিৰ বিষয়ে বৰ্ণনা কৰি টোকা লিখিব পৰা | | নিজৰ অঞ্চলৰ বিভিন্ন ভাষাৰ তালিকা কৰিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৩

# ওজা-পালি

D1Y9D6

তোমালোকে কেতিয়াবা ওজা-পালিয়ে অনুষ্ঠান পৰিৱেশন কৰা দেখিছানে? উৎসৱ-পাৰ্বণ, পূজা, সবাহ আদিত তোমালোকে এনেধৰণৰ অনুষ্ঠান নিশ্চয় দেখা পাইছা। সঁচাকৈয়ে ই এক অতি মনপৰশা আৰু আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান। পৌৰাণিক আৰু লৌকিক আখ্যান-উপাখ্যানৰ কাহিনী, গীত-পদ, নৃত্য আৰু অভিনয়ৰ মাজেদি সহজ-সৰলভাৱে লোক-সমাজত প্ৰচাৰ কৰা অনুষ্ঠানবোৰেই হ'ল লোক-নাট্য অনুষ্ঠান। ওজা-পালিও তেনে এটি লোক-নাট্য অনুষ্ঠান। আমাৰ ৰাজ্যত এই ওজা-পালি কেইবাশ বছৰৰ আগৰ পৰা চলি আহিছে। বেদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদিত থকা আখ্যান-উপাখ্যানৰ মূল কাহিনীভাগক গীত-পদ, নৃত্য অৰু অভিনয়ৰ জৰিয়তে ওজা-পালিয়ে দৰ্শকৰ আগত দাঙি ধৰে।



তোমালোকে ওজা-পালি অনুষ্ঠান চাওঁতে মন কৰিবাচোন, তাত এজন লোকে মূল কাহিনীভাগ নৃত্য-গীত আৰু অভিনয়ৰ জৰিয়তে বৰ্ণনা কৰে। তেওঁক ওজা বোলে। তেওঁৰ দলত পাঁচ-ছয়জনমান পালি থাকে। ওজাই 'দিহা'ৰে একোটা পৌৰাণিক কাহিনী বিভিন্ন

ৰাগত গাই যায়। পালিসকলে খুঁটি-তাল বজাই সেই 'দিহা' দোহাৰে আৰু ভৰিৰে তাল ৰাখি থাকে। গীতৰ লগে লগে ওজাই বিভিন্ন অংগ-ভংগীৰে নাচে। পালিসকলৰ মাজত এজন মুখ্য পালিও থাকে। তেওঁ ওজাৰ সোঁ-হাতস্বৰূপ। তেওঁক ডাইনা-পালি বোলে। ডাইনা-পালিজন প্ৰধানকৈ সুৰসিক হয়। পালিসকলৰ লগত গীত গোৱাৰ উপৰি তেওঁ ধেমেলীয়া কথাৰ অৱতাৰণা কৰি হাস্যৰসৰ সৃষ্টি কৰে। সময়ে সময়ে তেওঁ ওজাৰ সৈতে কথোপকথনত ভাগ লয় আৰু আখ্যানৰ জটিল কথাবোৰ ঘৰুৱাভাৱে দৰ্শকৰ সন্মুখত দাঙি ধৰে।

ওজা-পালিয়ে পৰিধান কৰা সাজ-পাৰ অতি সাধাৰণ। সকলো সদস্যই চুৰিয়া-চোলা পিন্ধে আৰু ডিঙিত চেলেং লয়। কেৱল ওজাই মূৰত পাগুৰি মাৰে। পালিসকলে সোঁ-হাতত একোযোৰ খুঁটি-তাল মেৰিয়াই লয়।



ওজা-পালি কেইবা প্ৰকাৰৰো আছে। ইয়াৰ ভিতৰত সুকনান্নী বা সুকনাৰায়ণী গোৱা ওজা-পালি, বিয়াহৰ বা ব্যাস গোৱা ওজা-পালি, ভাইৰা বা ভাৰৱীয়া বা ৰামায়ণ গোৱা ওজা-পালি, বৈষ্ণৱী ওজা, তুকুৰীয়া ওজা, আপী ওজা আদি উল্লেখযোগ্য।

মহাপুৰুষ শংকৰদেৱেও নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে মাজে-সময়ে ওজা-পালিৰ সহায় লৈছিল। তেতিয়াৰে পৰা অসমৰ সত্ৰসমূহত ওজা-পালি নৃত্য প্ৰচলিত হৈ আহিছে। সকলো প্ৰকাৰৰ ওজা-পালিয়ে আমাৰ লোক-সমাজত ধৰ্মীয় শিক্ষাৰ লগতে নৈতিক শিক্ষাও প্ৰচাৰ কৰি আহিছে। এনেদৰে ওজা-পালিৰ নিচিনা লোক-নাট্য অনুষ্ঠানে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে।

তলত সুকনান্নী ওজাই গোৱা পদৰ এটি নমুনা দিয়া হৈছে। তোমালোকে কোনো জনা লোকৰ সহায়ত গাবলৈ শিকিবা।

দিহা ।। দাৰুণ বিধি কি লেখিলা আমাৰ কপালে।
দাৰুণ বিধি কি লেখিলা মোৰে।।

পদ ।। প্ৰভু প্ৰভু বুলি বেউলা ডাক চাৰি বোলে।
ডাক দিলা দেৱসৰে মেৰৰ উপৰে।।
নাকান্দা নাকান্দা তুমি বেউলা সুন্দৰী।
অৱশ্যে পাইবা লখাইক গৈলে দেৱপুৰী।।
দেৱগণ বচন বেউলা নুশুনিল কাণে।
হা প্ৰভু হা প্ৰভু বুলি বেউলাই কান্দে।।
না হইল মাস পক্ষ দিন অষ্ট চাৰি।
কাল ৰাত্ৰিত পদ্মাৱতী মোক কৈল বাৰী।।
বিষাদ ভাবিয়া বেউলা কৰয় ক্ৰন্দন।
শুনিতে উপজে দুখ শুনে যিবা জন।।
কোন দোষে প্ৰভু মোৰ হৈল দৰিশন।
তুমি অবিহনে মই জীম কিবা কাৰণ।।
হা প্ৰভু হা প্ৰভু আমাক এৰি গৈলা তুমি কোথা।
কোন দোষে মোৰ কৈল এমন অৱস্থা।।



☞ *ছাত্ৰ-ছাত্ৰীক গোৱাবলৈ চেষ্টা কৰিব।*

*(উৎস - অসমীয়া লোক-নাট্য পৰম্পৰা, ডঃ শৈলেন ভৰালী, পৃষ্ঠা— ১১৯, গুৱাহাটী বিশ্ববিদ্যালয়, প্ৰকাশক - বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড)*

**ক্রিয়া-কলাপ**

## ক— পাঠভিত্তিক ক্রিয়া

**উত্তৰ দিয়া।**

(ক) ওজা-পালি কি?

(খ) ওজা-পালিৰ মুখ্য পালিজনক কি বোলা হয়?

(গ) ওজাৰ লগত কোন কোন থাকে?

(গ) ওজা-পালিৰ প্ৰকাৰবোৰ কি কি?

(ঘ) ওজা-পালি ক'ত ক'ত পৰিৱেশন কৰা দেখা যায়?

**চমু উত্তৰ দিয়া।**

(ক) ওজা-পালিয়ে পৰিধান কৰা সাজ-পাৰ কেনেকুৱা?

(খ) ওজা-পালিত ওজাই গোৱা গীতসমূহৰ কাহিনীভাগ ক'ৰ ক'ৰ পৰা লোৱা হয়?

(গ) ডাইনা-পালিজনৰ প্ৰধান কাম কি কি?

(ঘ) অনুষ্ঠান পৰিৱেশন কৰোঁতে কোনে কি দায়িত্ব পালন কৰে?

(ঙ) মহাপুৰুষ শংকৰদেৱে কিহৰ কাৰণে ওজা-পালিৰ সহায় লৈছিল?



**শব্দৰ লগত অৰ্থ মিলাও আহা—**

| শব্দ | অৰ্থ |
|---|---|
| দোহাৰে | লৰাই |
| সৌষ্ঠৱ | আকৰ্ষিত |
| দোলাই | বুজিব পৰা |
| আকৃষ্ট | সৌন্দৰ্য |
| বোধগম্য | পুনৰ গায় |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**খালী ঠাই পূৰ কৰা।**

ওজা-পালি অনুষ্ঠানৰ মুখ্য পৰিচালকজন হ'ল ____________। ওজাই আখ্যানৰ

____________ লগাই দিয়ে। পালিসকলে সেই দিহা ____________ দোহাৰে।

____________ ৰসাল কথাৰে লোক-সমাজক আকৃষ্ট কৰে।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)





**পাঠত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ লিখা। সেইবোৰত পোৱা যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা। প্ৰত্যেকটো যুক্তাক্ষৰ ব্যৱহাৰ কৰি দুটাকৈ শব্দ লিখা।**

উদাহৰণ— অনুষ্ঠান, সৌষ্ঠৱ } => ষ্ঠ => ষ + ঠ   ষই   ঠই   ষষ্ঠ   গৰিষ্ঠ



**উদাহৰণত দেখুওৱাৰ দৰে শব্দ গঠন কৰা।**

উদাহৰণ— ঢোল => ঢুলীয়া      ভাও => ভাৱৰীয়া

খোল =>        লগ =>

লোণ =>        বন =>

গোঁফ =>        কায =>

যোৰ =>        নাও =>

**বাক্য ৰচনা কৰা।**

খুঁটি-তাল (বেঁটু বা খুবলি নথকা কাঁহৰ সৰু তাল)

খুঁটি-খা (নিজৰ ঠোঁট বা হাতেৰে ধৰি আহাৰ খা)

খুঁটি-গছা (মাটিত খুঁটি পোতাৰ দৰে পুতি থ'ব পৰা সৰু গছা)

খুঁটি-নাটি (কোনো বিষয়ৰ সৰু ভাগ, সৰু-সুৰা কথা, আঁতিগুৰি)

খুঁটি-পোত (থাকিবলৈ ঠাই ল)

খুঁটি-ঢৰা (চটাই ঢৰা)

খুঁটিয়া-খুঁটি (পৰস্পৰে পৰস্পৰক  বা ইটোৱে সিটোক আঘাত কৰা কাৰ্য)

## গ— জ্ঞান সম্প্ৰসাৰণ

**জানো আহা**

**পুতলা নাচ** - কাহিনী, সাধুকথা বা ৰূপকথাক ৰসালভাৱে উপস্থাপন কৰিবলৈ পুতলা নাচৰ সহায় লোৱা হয়। সাধাৰণতে কুঁহিলাৰ পৰা তৈয়াৰী এই পুতলাবোৰে কাহিনীৰ বিভিন্ন চৰিত্ৰক প্ৰতিনিধিত্ব কৰে। সেইবোৰক চৰিত্ৰৰ লগত খাপ খোৱাকৈ কাপোৰ-কানি পিন্ধাই সজাই-পৰাই উলিওৱা হয়। প্ৰতিটো পুতলাৰে হাত, ভৰি, মূৰ আদি ক'লা ৰঙৰ ৰছীৰে বান্ধি লোৱা হয়। পুতলা নচুৱাবলৈ এখন সৰু মঞ্চ লাগে। মঞ্চৰ পিছফালে এখন আঁৰ কাপোৰ থাকে। আঁৰ কাপোৰৰ পিছফালে সূত্ৰধাৰ আৰু মঞ্চত পুতলাবোৰ থাকে। সূত্ৰধাৰে ৰছীৰ সহায়ত পুতলা নচুৱায় আৰু পেঁপাৰ সহায়ত পুতলাৰ হৈ বচন মাতে। মাজে মাজে ভাৰৰীয়া চৰিত্ৰৰ প্ৰৱেশ ঘটাই হাঁহিৰ থুন্‌পাক সৃষ্টি কৰে।



**কুশান গান—**



কুশান গান গোৱালপাৰা জিলাত প্ৰচলিত এবিধ নৃত্য-গীত, সংলাপ আৰু অভিনয়ৰে পুষ্ট লোক-নাট্য অনুষ্ঠান। কুশান গানত 'গীতালে' এক তাঁৰযুক্ত 'বেনা' নামৰ বাদ্যযন্ত্ৰ বজায়। তেওঁৰ লগত এজন 'দোৱাৰী', কেইজনমান 'বায়ন' আৰু কেইজনমান নৰ্তকবেশী ল'ৰা বা 'চেংৰা' থাকে।


ৰাইজৰ মাজত এডোখৰ ঠাইত এই শিল্পীসকলে ঘূৰণীয়া হৈ বহি লৈ অনুষ্ঠান পৰিৱেশন কৰে। কুশান গানত পৌৰাণিক আখ্যান নৃত্য-গীতেৰে অভিনয় কৰে। দোৱাৰী আৰু চেংৰাৰ কথোপকথন আৰু নৃত্যৰ মাজত হাস্যৰসৰ কথাই প্ৰাধান্য লাভ কৰে।

**ঢুলীয়া ভাওনা আৰু খুলীয়া ভাওনা—**

ঢুলীয়া ভাওনাৰ ওজা ঢুলীয়াসকলে বৰঢোল বজায় আৰু বিভিন্ন নৃত্য-গীত অভিনয় কৰে। তেওঁলোকৰ লগত একাধিক তালী থাকে। তেওঁলোকে ধৰ্মীয় বিষয়-বস্তুৰ লগতে হাস্য-ৰসাত্মক বিষয় একোটি লৈ সমজুৱাক আনন্দ দিয়ে। খুলীয়া ভাওনাত ঢোলৰ সলনি খোল ব্যৱহাৰ কৰে।



অসমৰ ভিন ভিন সমাজত চলি থকা আন কেইটিমান লোক-নাট্য অনুষ্ঠান হ'ল—

| মিচিংসকলৰ 'গোমৰাগ' | কাৰ্বিসকলৰ 'চ'মাংকান' | বড়োসকলৰ 'খেৰাই' |
|---|---|---|
|  |  |  |




তুমি দেখা বা শুনা যি কোনো এটি লোক-নাট্য অনুষ্ঠানৰ বিষয়ে বৰ্ণনা কৰা।

(ক) কুশান গান

(খ) পুতলা নাচ

(গ) ওজা-পালি





## ঘ—প্ৰকল্প

- বিভিন্ন লোক-নাট্য অনুষ্ঠানৰ লগত জড়িত বিভিন্ন বাদ্য-যন্ত্ৰসমূহৰ নাম লিখা। পাৰিলে সেইবিলাকৰ ছবি সংগ্ৰহ কৰি এটা এলবাম প্ৰস্তুত কৰা।
- ওজা-পালিয়ে পৰিৱেশন কৰা গীত-পদ সংগ্ৰহ কৰি গোৱা। আৱশ্যকবোধে স্থানীয় শিল্পীৰ সহায় লোৱা।

☞ *পাঠৰ পৰা শ্ৰুতলিপি দিব।*

## পাঠ ১৩

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- লোক-সাহিত্যৰ অন্তৰ্গত লোক-নাট্য (ওজা-পালি) ৰ লগত পৰিচয় হোৱা আৰু ক'ব পৰা
- পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ জনা
- শব্দ গঠন কৰিব পৰা
- অৰ্থ অনুসৰি বাক্য ৰচনা কৰিব পৰা
- বিভিন্ন লোক-সংস্কৃতিৰ বিষয়ে জানি ক'ব পৰা
- লোক-নাট্যৰ লগত জড়িত বাদ্য যন্ত্ৰৰ নাম জনা
- বাদ্য-যন্ত্ৰৰ ছবি সংগ্ৰহ কৰি বা নিজে আঁকি এলবাম প্ৰস্তুত কৰিব পৰা
- ওজা-পালিয়ে গোৱা গীত-পদ সংগ্ৰহ কৰি গাবলৈ অভ্যাস কৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| গদ্য পাঠ (লোক-সাহিত্য) | লোক-নাট্য (ওজা-পালি)ৰলগত পৰিচয় হোৱা আৰু ক'ব পৰা | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ ক'ব পৰা | পাঠত দিয়া পদটো গাব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙিব পৰা আৰু শব্দ গঠন কৰিব পৰা | শব্দ গঠন কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বিভিন্ন লোক-নাট্য অনুষ্ঠানৰ বিষয়ে পঢ়িব পৰা | বিভিন্ন লোক-নাট্য অনুষ্ঠানৰ বিষয়ে ক'ব পৰা | বিভিন্ন লোক-নাট্য অনুষ্ঠানৰ বিষয়ে লিখিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | লোক-নাট্যৰ লগত জড়িত বাদ্য-যন্ত্ৰৰ নাম ক'ব পৰা | লোক-নাট্যৰ লগত জড়িত বাদ্য-যন্ত্ৰৰ ছবি সংগ্ৰহ কৰি বা নিজে আঁকি এলবাম প্ৰস্তুত কৰিব পৰা | ওজা-পালিয়ে গোৱা গীত-পদ সংগ্ৰহ কৰি গাব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*


পাঠ ১৪

# সৰু ছোৱালী আৰু পখী

C7Y3H4



আহ, পখী আহ,
ফুল দিম কোঁচ ভৰি
খুৱাম উদৰ পুৰি,
সাজি দিম সোণোৱালী বাহ,
আহ পখী, উৰি উৰি আহ।



আহ, পখী আহ,
পকা পকা ফল দিম
তোৰ স'তে ওমলিম,
পাবি ৰং, আহ পখী, আহ,
সাজি দিম সোণেৰেই বাহ।

আহ, পখী আহ,
তোক মই ভাল পাওঁ,
দেখিলেই চাই ৰওঁ

পাখি মেলি উৰা মাৰি আহ,
আহ পখী সাউৎকৰে আহ।

আহ, পখী আহ
আকাশত উৰি উৰি
অকলে অকলে ফুৰি

গছে-বনে থাকি কিনো গাহ,
আহ পখী, একেচিপে আহ।



☞ *পদ্যটোত ছন্দ মিলাবৰ বাবে 'গাৰ' শব্দৰ সলনি 'গাহ' ৰূপ দিছে*

আহ, পখী আহ,
গীত গাবি সুললিত,
শুনি হ'ম হৰষিত
ওচৰতে আছে এটি বাহ
আহ পখী ততালিকে আহ।



কবি — ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ

*(উৎস - মৰুৱা ফুল, পৃষ্ঠা - ২৮৮ ,প্ৰকাশক - অসম প্ৰকাশন পৰিষদ)*

## ক — পাঠভিত্তিক ক্ৰিয়া

### ক্ৰিয়া-কলাপ



**পদ্যটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**




**পদ্যটো আবৃত্তি কৰা।**



**উত্তৰ লিখা।**

(ক) সৰু ছোৱালীয়ে পখীক কি কি দিব বুলি কৈছে?

- ⇨ কোঁচ ভৰাই
- ⇨ থাকিবলৈ
- ⇨ খাবলৈ




(খ) সৰু ছোৱালীয়ে কিয় বাৰে বাৰে পখীজনীক তেওঁৰ ওচৰলৈ আহিবলৈ কৈছে?

(গ) সৰু ছোৱালীয়ে কিয় পখীজনীক গীত গাবলৈ মাতিছে?



**পদ্যটোত কবিয়ে কোৱা কথাখিনি নিজৰ কথাৰে লিখা।**



**তলত দিয়া শব্দৰ অৰ্থ শব্দ সম্ভাৰ আৰু অভিধান চাই লিখা।**

উদৰ  সাউৎকৰে  একেচিপে  সুললিত  হৰষিত  ততালিকে

চৰাইজনীয়ে যাতে কষ্ট নাপায় তাৰ বাবে সৰু ছোৱালীয়ে কি কি কৰিবলৈ গাত লৈছে?

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

'সাউৎকৰে' শব্দটোৰ অৰ্থ হৈছে 'বেগতে', 'একে চোঁচাই', 'একে চিপতে', 'একেশোহাই'। 'সাউৎকৰে'ৰ দৰে অৰ্থ প্ৰকাশ কৰা পাঠত থকা আন দুটা শব্দ হৈছে 'ততালিকে', 'একেচিপে'। এতিয়া সাউৎকৰে শব্দটো প্ৰয়োগ কৰি ওপৰত উল্লেখ কৰা অৰ্থ প্ৰকাশ হোৱাকৈ চাৰিটা বাক্য ৰচনা কৰা।

তলৰ শব্দকেইটাৰ সমাৰ্থক শব্দ পদ্যটোৰ পৰা বিচাৰি লিখা। (দলত আলোচনা কৰি কৰিবা।)

শুৱলা  বেগতে  পেট  আনন্দিত  গগন

জানো আহা

চন্দ্ৰবিন্দু এটা নিচেই সৰু চিন; ইয়াক স্বৰ আৰু ব্যঞ্জনৰ ওপৰত প্ৰয়োগ কৰা হয় যদিও ই স্বৰৰ লগতহে উচ্চাৰিত হয়। চন্দ্ৰবিন্দু অসমীয়া ভাষাৰ এটা পূৰ্ণাংগ বৰ্ণ। সেইবাবে ইয়াৰ প্ৰয়োগত সতৰ্ক হ'ব লাগে।

চন্দ্ৰবিন্দু ব্যৱহাৰৰ বহুতো বিধি আছে। তলত কেইটামান বিধি উল্লেখ কৰা হ'ল —

- ⇨ প্ৰথম পুৰুষৰ ক্ৰিয়াপদৰ 'ওঁ' বিভক্তিত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়। পদ্যটোত থকা 'পাওঁ' আৰু 'ৰওঁ' শব্দদুটাৰ চন্দ্ৰবিন্দুটো এইবিধি অনুসৰি প্ৰয়োগ হৈছে। উদাহৰণ— মই কৰোঁ, আমি পঢ়োঁ ইত্যাদি।
- ⇨ বহুবচন বুজোৱা - 'হঁত' প্ৰত্যয়ত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়।
  সৰ্বনাম— ইহঁত, সিহঁত, তহঁত
  বিশেষ্য— ল'ৰাহঁত, জীয়াৰীহঁত, জীয়েকহঁত
- ⇨ ক্ৰিয়াপদৰ লগত যোগ হোৱা বহুবচনৰ 'হঁক' প্ৰত্যয়ত চন্দ্ৰবিন্দু যোগ হয়।
  যেনে- আহিবিহঁক। নাযাবিহঁক নেকি? সকলোটি আহিবাহঁক দেই!

⇨ কোনো ক্ৰিয়াৰ কাম কৰোঁতা বুজোৱা - ওঁতা (পুংলিংগ) আৰু - 'অঁতী (স্ত্ৰীলিংগ বাচক) প্ৰত্যয়ত চন্দ্ৰবিন্দু যোগ হয়। যেনে—

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| কৰোঁতা | কৰঁতী |
| কওঁতা | কৰঁতী ইত্যাদি |

⇨ কৃদন্ত- 'ওঁতে'ত চন্দ্ৰবিন্দু হয়। যেনে— কওঁতে, থওঁতে, গৈ থাকোঁতে ইত্যাদি। ওপৰত উল্লেখ কৰা চন্দ্ৰবিন্দুৰ বিধিকেইটা ভালদৰে জানিলেও বানান শুদ্ধ হ'ব।

**উদাহৰণত দেখুৱাৰ দৰে তলৰ শব্দবিলাকৰ অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা।**

যেনে—

ভৰি— ভৰিত দুখ পোৱা বাবে ৰাজুৰ খোজ কাঢ়িবলৈ অসুবিধা হৈছে।

ভৰি— বাগিচাখন ফুলেৰে ভৰি পৰিছে।

| শব্দ | অৰ্থ |
|---|---|
| সজা | চৰাই আদি থোৱা কাঠীৰ সঁজুলি বা বাহ |
| সজা | আনলোকৰ দ্বাৰা নিৰ্মাণ কৰা; তৈয়াৰ কৰা |
| ফল | কোনো কাৰ্যৰ পৰিণতি |
| ফল | গছৰ গুটি |
| ৰং | আনন্দ |
| ৰং | বৰণ |

## গ — জ্ঞান সম্প্ৰসাৰণ

পদ্যটোত সৰু ছোৱালীয়ে চৰাইজনীক বিভিন্ন বস্তু দিব বুলি লোভ দেখুৱাই মাতিছে। তেনেদৰে তোমাকো কোনোবাই বহু বস্তু দিব বুলি লোভ দেখুৱালে, তুমি কি কৰিবা? বস্তুৰ লোভত অচিনাকি লোকৰ ওচৰলৈ গ'লে তোমাৰ কেনেধৰণৰ বিপদ হ'ব পাৰে?

'আহ, পখী আহ/ফুল দিম কোঁচ ভৰি/খুৱাম উদৰ পুৰি/সাজি দিম সোণোৱালী বাহ',- সৰু ছোৱালীয়ে পখীক ওপৰত উল্লেখ কৰা বস্তু দিম বুলি কৈছে। সেইদৰে ছোৱালীজনী যদি পখীৰ ওচৰলৈ যায় পখীয়ে তাইক কি কি দিব পাৰিব বুলি তুমি ভাবা?

## ঘ — প্ৰকল্প

- তুমি চিনি পোৱা এবিধ চৰাইৰ তথ্য সংগ্ৰহ কৰি এখন ৰচনা লিখা।
- তোমাৰ চিনাকি চৰাইৰ ছবি আঁকা।



- ওপৰৰ ছবিখন চাই কাহিনী এটা লিখা।

## পাঠ ১৪

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটি শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্যটি আবৃত্তি কৰিব পৰা
- পদ্যৰ ৰস উপলব্ধি কৰি আনন্দ লাভ কৰিব পৰা
- নতুন শব্দৰ লগত পৰিচয় হোৱা আৰু প্ৰয়োগ কৰিব পৰা
- পদ্যৰ মূল কথাখিনি নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা
- চৰাই-চিৰিকটিৰ প্ৰতি মৰম ভাব জাগ্ৰত হোৱা
- একে অৰ্থ বুজোৱা শব্দ আৰু বিপৰীতাৰ্থক শব্দ লিখিব পৰা
- চন্দ্ৰ বিন্দু (ঁ) সম্পৰ্কে বিস্তৃতভাৱে জানিব পৰা
- বিভিন্ন অৰ্থপ্ৰকাশক শব্দৰে বাক্য গঠন কৰিব পৰা
- চিন্তাশক্তিৰ বিকাশ সাধন হোৱা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | শুদ্ধ উচ্চাৰণেৰে পদ্য পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | নতুন শব্দৰ অৰ্থ বুজিব পৰা, ক'ব পৰা আৰু লিখিব পৰা | পদ্যৰ মুল কথাখিনি নিজৰ কথাৰে লিখিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | একেটা শব্দকে বিভিন্ন অৰ্থ অনুযায়ী বাক্যত প্ৰয়োগ কৰিব পৰা | বিপৰীতাৰ্থক শব্দ লিখিব পৰা | বিভিন্ন অৰ্থ প্ৰকাশক শব্দৰে বাক্য গঠন কৰিব পৰা | চন্দ্ৰ বিন্দুৰ ব্যৱহাৰ সম্পৰ্কে জনা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বস্তুৰ প্ৰলোভনত অচিনাকি মানুহৰ ওচৰলৈ গ'লে হ'ব পৰা বিপদৰ কথা ভাবি ক'ব আৰু লিখিব পৰা | চৰায়ে সৰু ছোৱালীক কি কি দিব পাৰে কল্পনা কৰি ক'ব আৰু লিখিব পৰা | | | | |
| | | | | | | |
| প্ৰকল্প | চিনাকি চৰাই বিষয়ক ৰচনা লিখিব পৰা | চৰাইৰ ছবি আঁকিব পৰা | ছবি চাই কাহিনী লিখিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

# শব্দ সম্ভাৰ

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **অ** |
| অলেখ | - | লেখ বা গণনা কৰিব নোৱৰা,অসংখ্য, বিস্তৰ, বহুত |
| অব্যাহত | - | অবাধ, বাধাহীন, অনৰ্গল |
| অঞ্চল | - | কোনো এক ভৌগোলিক পৰিসীমাৰ বিশেষ খণ্ড, এলেকা; বিশেষ ভূখণ্ডৰ কোনো এটা ভাগ |
| অনুষ্ঠান | - | সভা, অধিৱেশন, বৈঠক; শাস্ত্ৰীয় ক্ৰিয়া- কৰ্ম, উৎসৱাদি |
| অভিমুখে | - | ফালে, দিশে |
| অস্ত | - | মাৰ যোৱা, তললৈ নামি নেদেখা হোৱা |
| অক্ষিপট | - | চকুৰ মণিৰ ভিতৰৰ ফালে থকা মিহি ছাল |
| অনাগত | - | ভৱিষ্যৎ, যি এতিয়াও অহা নাই |
| অদম্য | - | যাক দমাব বা বশ কৰিব নোৱাৰি, অদমনীয়, দুৰ্জয় |
| অংগ-ভংগী | - | অংগৰ সঞ্চালন, মুখ আদিৰ ঠাৰ, অংগৰ ভাঁজ |
| | | **আ** |
| আচৰণ | - | আচাৰ-ব্যৱহাৰ, ৰীতি(যেনে ধৰ্মাচৰণ) |
| আৱেদন | - | কোনো কথা জনোৱা কাৰ্য, নিৱেদন |
| আয়ত্ত | - | বশত অনা, অধীনত অনা, অধিকৃত, দখললৈ অনা কাৰ্য |
| আঁতি-গুৰি | - | আগ-গুৰি, আদি- অন্ত |
| আত্মনিয়োগ | - | স্বনিযুক্তি, কোনো কামত নিজকে লগোৱা কাৰ্য |
| আত্মীয় স্বজন | - | মিতিৰ কুটুম, সম্বন্ধ থকা মানুহ, আপোন মানুহ |
| আপোন-পাহৰা | - | আত্ম-বিস্মৃত, নিজকে পাহৰি থকা |
| আকৰ্ষণ | - | টান, টনা কাৰ্য, কোনো ব্যক্তি বা বস্তুৰ প্ৰতি টান বা দুৰ্বলতা |
| আদিম | - | অতি প্ৰাচীন, বন্য (যেনে আদিম সভ্যতা), অতি পুৰণি |
| আঁকোৰ-গোঁজ | - | ভাল-বেয়া নেমানি কোনো কামত বা কথাত লাগি থকা, ধৰা কামত নেৰা-নেপেৰাকৈ লগা |
| আদৰ্শ | - | আৰ্হি, উদাহৰণ, চানেকি |
| আত্মিক | - | ইজনে সিজনৰ মনৰ বা আত্মাৰ ওচৰ চপা |
| আখ্যান | - | কাহিনী, গল্প, চৰিত, ইতিহাস, সাধুকথা, উপাখ্যান আদি |
| আপোন-পৰ | - | ভিন-পৰ, ভেদ-ভাব |
| আলৈ-আথানি | - | সাৱধানে নোথোৱা, য'তে ত'তে পৰি থকা, ভালকৈ নথৈ লোকচান কৰা |
| | | **উ** |
| উৰুকা | - | বিহুৰ আগৰ বিশেষ দিনটো |
| উপযুক্ত | - | যোগ্য, ন্যায্য, উচিত, সক্ষম; প্ৰাপ্তবয়স্ক |
| উদয় | - | ওপৰলৈ উঠা বা ওলাই অহা; আবিৰ্ভাৱ, উন্নতি |
| উদৰ | - | পেট |
| উম লগা | - | সামান্য তাপ লগা, অলপ গৰম বা তপত |
| উজৰাই | - | জিকাৰ খুৱাই, উজাৰি |
| উচ্চস্বৰে | - | বৰকৈ আটাহ পাৰি; চিঞৰি |
| উত্তম | - | শ্ৰেষ্ঠ, আটাইতকৈ ভাল |
| উদ্যোগ | - | প্ৰচেষ্টা, যত্ন |
| উপাখ্যান | - | আখ্যানৰ অন্তৰ্গত গৌণ কাহিনী |
| উৎসৱ-পাৰ্বণ | - | আনন্দময় কাৰ্য, সমাৰোহেৰে কৰা সকাম |
| উদৰ পুৰি | - | পেট ভৰাই |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **এ** |
| একান্ত | - | একে ঠাইতে বা বস্তুতে মন লগোৱা, একাগ্ৰ |
| একাদিক্ৰমে | - | একৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে, অনুক্ৰমে, নেৰা-নেপেৰাকৈ |
| এখন্তেক | - | এক মুহূৰ্ত, অতি অলপ সময়, ক্ষণ মাত্ৰ |
| এসেকা | - | সেকা দিয়া, শাস্তি দিয়া কাৰ্য |
| একেচিপে | - | একে বলে,এবাৰ বল দিয়েই, একেদোপে |
| | | **ও** |
| ওৰেটো | - | গোটেই, সদায় |
| | | **ক** |
| কাণ দি | - | মনোযোগ দি, মন দি |
| কাপ | - | লেখনী, লিখা কাঠী, কলম |
| কৌতুক-প্ৰিয় | - | ধেমালি-প্ৰিয়, ধেমালি ভাল পোৱা |
| কাপুৰুষ | - | সাহ-পিত নথকা মানুহ, ভয়াতুৰ |
| কুণ্ঠাবোধ | - | সংকোচবোধ, দ্বিধা ভাব, ভয় ভয় ভাব, আশংকাযুক্ত ভাব |
| কোঁচ | - | কোলা, কোনো বস্তু ভৰাই ল'বৰ কাৰণে জোলোঙাৰ নিচিনা কৰি গাত লোৱা কাপোৰৰ এভাগ |
| | | **খ** |
| খতি | - | কাম বন্ধ থকা, চলি নথকা, হানি; শৰীৰৰ কোনো অংগত থকা দোষ |
| খৰিয়াল | - | বিবাদ, কাজিয়া, দ্বন্দ্ব |
| খঁকুৱা | - | সৰহকৈ খাবলৈ বিচৰা, বৰ ভুকীয়া,খাওঁ খাওঁ কৰা(নিন্দাৰ্থত) |
| খাটনি | - | কিবা এটা কৰিবলৈ আনক কৰা নেৰানেপেৰা অনুৰোধ, খটা কাৰ্য; আনৰ নিমিত্তে কৰা পৰিশ্ৰম |
| খুঁটি-তাল | - | এবিধ কাঁহৰ বেটু বা খুবলি নথকা সৰু তাল |
| | | **গ** |
| গুণ | - | স্বভাৱ বা ধৰ্ম, যশস্যা, বিদ্যা আৰু জ্ঞানৰ শ্ৰেষ্ঠতা |
| গৰ্ব | - | অহংকাৰ, গৌৰৱ, অহমিকা, মই বৰ ভাব |
| গতি-গোত্ৰ | - | মতি-গতি, স্বভাৱ, প্ৰকৃতি, চলন, চাল-চলন |
| গ্ৰন্থ মেলা | - | ৰাজহুৱা প্ৰদৰ্শনীৰ জৰিয়তে কিতাপ-পত্ৰ বেচা-কিনা কৰা অনুষ্ঠান-বিশেষ |
| গুহা | - | গহবৰ, পাহাৰৰ ভিতৰলৈ সোমাই যোৱা ডাঙৰ গাঁত |
| গঠনমূলক | - | ইতিবাচক (কথা, মত, সমালোচনা) |
| | | **ঘ** |
| ঘপৰাই | - | বেগেতে, ততালিকে |
| ঘিণ | - | ঘৃণা, বিক্‌চিনা, বিতৃষ্ণা |
| ঘোৰ | - | ভয়ংকৰ, ভয়ানক, অতিশয় |
| ঘৰাঘৰি | - | নিজ নিজ ঘৰলৈ |
| | | **চ** |
| চিৰ | - | নিত্য, আৱহমান, অনন্ত |
| চোকা | - | তীক্ষ্ণ, ধাৰ থকা; বৰ পাৰ্গত; উগ্ৰ, জিভাত ধৰা |
| চলি | - | কাঠৰ সৰু চেপেটা অংশ, চাঁচিএৰুওৱা পাতল কাঠ |
| চৰিলে | - | বাঢ়িলে |
| চেলেং | - | এদোৰোলীয়া পাতল গাত লোৱা উকা বা ফুল দিয়া কাপোৰ |
| | | **ছ** |
| ছিৰ | - | ঠেক আৰু দীঘলীয়াকৈ ফাল |
| ছুটী | - | অৱসৰ; কামৰ পৰা লোৱা সাময়িক অব্যাহতি |

| শব্দ | | অর্থ |
|---|---|---|
| | | **জ** |
| জেপ | - | পকেট, চোলা বা ঠেঙা আদিত লগাই দিয়া মোনা |
| জেউতি | - | জ্যোতি, পোহৰ, দীপ্তি, কান্তি |
| জনপ্ৰিয় | - | লোকপ্ৰিয়, সকলো মানুহৰে প্ৰিয় বা ভাল লগা |
| | | **ড** |
| ডাইনা-পালি | - | ওজা-পালি অনুষ্ঠানত ওজাৰ প্ৰধান সহায়ক পালি; ওজাৰ সোঁহাত স্বৰূপ পালি |
| | | **ত** |
| তিৰস্কাৰ | - | গালি, নিন্দা, বিতণ্ডা, অপমান |
| তৃপ্তি | - | সন্তোষ, ঘাইকৈ খোৱা-লোৱাৰ পৰা পোৱা আনন্দ |
| তমস্কাৰ | - | পৰিপাটি, পৰিষ্কাৰ; সাজ-পাৰ পিন্ধি শুৱনি হোৱা |
| ততালিকে | - | তৎক্ষণাৎ |
| | | **থ** |
| থত্‌মত্ | - | বিবুধি হোৱা অৱস্থা |
| | | **দ** |
| দুৰ্বল | - | বলহীন, শক্তিহীন, নিৰ্বলী, বল নাইকিয়া |
| দৃঢ়মনা | - | ডাঠ মনা, সংকল্প এৰি নিদিয়া |
| দিশ | - | পূব, পশ্চিম আদি ফাল |
| দশা | - | অৱস্থা, ভাগ্য |
| দৃঢ়তাসম্পন্ন | - | ডাঠ মনৰ, সংকল্পত অলৰ-অচৰ, নেৰানেপেৰা |
| দৰিদ্ৰ | - | দুখীয়া, গৰীৱ, দীন |
| দৃঢ়তা | - | কঠিনতা,অলৰ-অচৰ গুণ, সংকল্পবদ্ধতা |
| দোহাৰে | - | পুনৰাবৃত্তি কৰে, পুনৰ কয়, ওজাই গোৱাৰ পিছত গীতৰ যি ভাগ সকলোৱে আকৌ ঘূৰাই গায় |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **ধ** |
| ধৰা | - | পৃথিৱী |
| ধৰফৰাই | - | ইফাল সিফালকৈ লুটি-বাগৰ মাৰি ফুৰি, কষ্ট পাই হাত ভৰি এছাৰি, ছটফটাই |
| | | **ন** |
| নিধন | - | হত্যা, বধ, বিনাশ, সংহাৰ, মৰণ, মৃত্যু |
| নিষ্ঠা | - | দৃঢ় আস্থা, গভীৰ অনুৰাগ, শ্ৰদ্ধা, অত্যধিক মনোযোগ বা ভক্তি |
| নিগৰি | - | লাহে লাহে ওলাই বৈ পৰি (পানী), চাপৰৰ ফাললৈ বৈ |
| নমুনা | - | আদৰ্শ, আৰ্হি; কোনো কথা বা কামৰ সামান্য পৰিমাণ বা ক্ষুদ্ৰঅংশ চাই তাৰ পৰা হোৱা ধাৰণা |
| নিৰাশ | - | আশাহীন, আশাপূৰ নোহোৱা |
| নিশ্চিত | - | নিৰ্ধাৰিত, নিৰ্দিষ্ট |
| নিঃশেষ | - | শেষ বা বাকী নথকা, সমুদায়, সম্পূৰ্ণ, পূৰা |
| নম্ৰ | - | শান্ত, নত, দোঁ খাই থকা; অহংকাৰ শূন্য |
| নিমগ্ন | - | ডুব যোৱা, ভাবি থকা |
| নিৰহংকাৰী | - | অহংকাৰ নোহোৱা, গৰ্ব নথকা, আত্মাভিমানী নোহোৱা |
| নিকা | - | পৰিষ্কাৰ, নিৰ্মল |
| নৈতিক | - | নীতি সম্বন্ধীয়, নীতিগত |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **প** |
| পৰিৱেশ | - | জীৱজগতৰ ওপৰত প্ৰভাৱ পেলোৱা বাহ্যিক অৱস্থা আৰু কাৰকসমূহ, প্ৰাকৃতিক পৰিমণ্ডল, চতুৰ্পাশৰ অৱস্থা |
| প্ৰণিপাত | - | দীঘল হৈ পৰি কৰা প্ৰণাম, দণ্ডৱৎ, সেৱা |
| প্ৰিয় | - | ভালপোৱা (ব্যক্তি বা বস্তু), মৰমৰ, চেনেহৰ |
| পৰম | - | অতি উত্তম, শ্ৰেষ্ঠ ; অত্যন্ত, চৰম |
| পেট-চলা | - | বেছিকৈ শৌচ কৰা ৰোগ |
| পদ্ধতি | - | ৰীতি, নিয়ম, প্ৰণালী |
| প্ৰাৰ্থনা | - | মিনতি, কাকুতি, নিৱেদন |
| পৰিস্থিতি | - | চাৰিওফালৰ অৱস্থা, পাৰিপাৰ্শ্বিক অৱস্থা |
| পৰিপাটি | - | নিয়াৰি, পৰিষ্কাৰ, সুশৃংখল, আটোম-টোকাৰি, সুচাৰু |
| পোখা | - | গজালি |
| পহৰা | - | পৰ দিয়া কাৰ্য, সাৱধান বা সাৰে থাকি শান্তি ৰক্ষা কৰা কাৰ্য |
| প্ৰত্যুৎপন্নমতি | - | উপস্থিত বুদ্ধি আছে যাৰ, উপস্থিত বুদ্ধিসম্পন্ন, তৎক্ষণাৎ উৎপন্ন হোৱা বুদ্ধি বা জ্ঞান থকা |
| প্ৰাণ-বায়ু | - | প্ৰাণীৰ জীৱন ৰক্ষা কৰা বতাহ, উশাহ-নিশাহ |
| পিতামহ | - | পিতাৰ পিতা, ককা, আতা |
| পৰম্পৰা | - | অবিচ্ছেদ্য ধাৰা, এটাৰ পাছত আন এটা,ক্ৰমানুসাৰে চলি অহা কাৰ্য, পুৰুষানুক্ৰমে চলি অহা কাৰ্য, বংশানুক্ৰমে চলি অহা কাৰ্য |
| প্ৰতিভা | - | প্ৰখৰ বুদ্ধি, উদ্ভাৱনী শক্তি |
| পাৰ্গত | - | নিপুণ, সমৰ্থ, জনা |
| পন্থা | - | পথ, উপায় |
| প্ৰত্যাখ্যান | - | অস্বীকাৰ, খণ্ডন, বাতিলকৰণ |
| পখালি | - | পানীৰ দ্বাৰা নিকা কৰি, ধুই দি |
| পৌৰাণিক | - | পুৰাণ সম্বন্ধীয়,আগৰ কালৰ |
| পৰিধান | - | পিন্ধা কৰ্ম, কাপোৰ বা অলংকাৰ ধাৰণকৰণ |
| প্ৰমুখ্যে | - | প্ৰধান, আদি কৰি, মুখ্য কৰি |
| পৰিচালক | - | নিৰ্দেশক; সঞ্চালক; নাটক,সংগীত আদিৰ গুৰি ধৰোঁতা |
| পৰিত্ৰতা | - | শুদ্ধ, শুচি গুণসম্পন্ন |
| | | **ফ** |
| ফেন | - | একেলগে ফুলি উঠা পানী, গাখীৰ, চাবোন আদিৰ বুৰবুৰণি বিশেষ |
| | | **ব** |
| বিনন্দীয়া | - | অতিশয় শুৱনি, আনন্দময় |
| বেশ | - | সাজ-পোছাক; কাপোৰ, অলংকাৰ আদি পিন্ধি থকা অৱস্থা |
| বিধি | - | নিয়ম, ব্যৱস্থা, প্ৰণালী; বিধাতা, ব্ৰহ্মা |
| বিধান | - | কোনো কাৰ্য কৰিবলৈ দিয়া উপায় বা দিহা |
| বাৰে বছৰীয়া | - | কেবা বছৰ জোৰা, কেইবাটাও বছৰ জোৰা |
| বিমল | - | নিৰ্মল, অমলিন, পৱিত্ৰ, নিকা |
| বাটচ'ৰা | - | পদুলিৰ মুখ বা পদুলিৰ মুখত সাজি থোৱা ঘৰ |
| বিষম | - | অসমান, বেয়া, কঠোৰ, উগ্ৰ |
| বজ্ৰসদৃশ | - | বজ্ৰ (ইন্দ্ৰৰ প্ৰধান অস্ত্ৰ)ৰ নিচিনা |

| শব্দ | | অৰ্থ |
|---|---|---|
| বিনাশ | - | ধ্বংস |
| বিসর্জন | - | বিদায় দিয়া কার্য, ত্যাগ, পূজাৰ শেষত পানীত প্ৰতিমা ভহাই দিয়া কার্য |
| বিনয়ী | - | অমায়িক, শান্ত, শিষ্ট, নম্ৰ, অহংকাৰহীন |
| বিলীন | - | লোপ, বিলুপ্ত, লয় পোৱা, মিলি যোৱা |
| বিপ্লৱী | - | প্ৰতিবাদী, ৰাষ্ট্ৰ বা সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনকামী ব্যক্তি |
| | | **ভ** |
| ভৈয়াম | - | সমান মাটি, সমতল ভূমি, সমভূমি |
| ভঁৰালী | - | ভঁৰালত বস্তু সামৰি থওঁতা লোক |
| ভেদ | - | পাৰ্থক্য, বিৰোধ, বিন্ধা, ভিতৰুৱা কথা প্ৰকাশ |
| ভতুৱা | - | ভাত-ভাৰী, খাব পৰা কিন্তু কোনো কামৰ অযোগ্য অচতুৰ |
| ভোৰতাল | - | এবিধ মাজত খোল বা বেঁটু থকা ডাঙৰ তাল |
| | | **ম** |
| মহুৰা | - | তাঁত-শাল ববলৈ ইকৰা বা লেকেচি বাঁহৰ চুঙাত মেৰাই লোৱা সূতা |
| মধুৰ | - | প্ৰীতিকৰ, মনোহৰ, মৌৰ নিচিনা (মিঠা), সোৱাদ; সন্তোষ লগোৱা |
| মঞ্জুৰ | - | অনুমোদন, সন্মতি, স্বীকৃত, মান্তি, গ্ৰহণ |
| মৰ্যাদা | - | মান, সম্ভ্ৰম, সন্মান, গৌৰৱ |
| মালিনী | - | মালাকৰ বা মালা গঁথা তিৰোতামানুহ |
| মুগ্ধ | - | মোহিত, মোহগ্ৰস্ত, অভিভূত, আচৰিত হোৱা |
| মটীয়া | - | মাটি বৰণীয়া, মাটিৰ নিচিনা ৰঙৰ |
| মাহাত্ম্য | - | মহিমা, দৈৱশক্তি, প্ৰতাপ, ক্ষমতা |
| | | **য** |
| যদ্ভৱিষ্য | - | ভৱিষ্যতে যি হয় হ'ব এনে মনোভাৱ |
| যুক্তিযুক্ত | - | উচিত, সংগত |
| | | **ৰ** |
| ৰূপহী | - | সুন্দৰী, শুৱনি |
| ৰসাল | - | ৰস থকা, ৰসযুক্ত, ৰসেৰে ভৰা |
| ৰাজকাৰেং | - | ৰাজ-প্ৰাসাদ, ৰাজহাউলি, ৰজাৰ ঘৰ |
| ৰঙিয়াল | - | ধেমেলীয়া |
| ৰহস্য | - | গুপ্ত, নিগূঢ়, ভিতৰুৱা বা গোপন কথা |
| | | **ল** |
| লখিমী-আদৰা | - | প্ৰথমে দোৱা (কটা) ধানৰ মুঠি উৎসৱ কৰি ঘৰলৈ অনা, আগ অনা, নিজ ঘৰলৈ সৌভাগ্য কঢ়িয়াই অনা |
| লৌহিত্য | - | ৰঙা, ব্ৰহ্মপুত্ৰৰ আন এটা নাম |
| লেখি | - | গণনা কৰি |
| লেপেট খা | - | লেওৰ নিচিনাকৈ লাগি ধৰ্ |
| লোক-নাট্য | - | জনসাধাৰণ মাজত পৰম্পৰাগতভাৱে চলি অহা নাট্যানুষ্ঠান |
| | | **শ** |
| শৰৎ | - | ষড় ঋতুৰ এক ঋতু, আহিন আৰু কাতি মাহ |
| শিৰোনামা | - | চিঠিৰ ওপৰত লিখা নাম, ঠিকনা আদি |
| শৈলী | - | ৰীতি, প্ৰণালী, ভংগী |
| শাল | - | এমূৰ জোঙা চুটি খুঁটি, ডাঙৰ শূল |
| শূল | - | জোঙা অস্ত্ৰ, জোঙা শাল |
| শংকিত | - | ভীত, ভয়যুক্ত, ভয়খোৱা |

| শব্দ | | অৰ্থ |
|---|---|---|
| শোধালে | - | পৰিশোধ কৰিলে, গতালে |
| শীঘ্ৰে | - | বেগাই, সোনকালে |
| | | **স** |
| সেউজ | - | কলপতীয়া বৰণৰ |
| সমাৱেশ | - | একেলগে স্থিতি, বহুত লোক একে ঠাইত গোটখোৱা কাৰ্য, সমাগম, সন্মিলন |
| সঁচ | - | খেতিৰ কাৰণে ৰখা গুটি, কঠীয়া, বিধান, বীজ |
| সন্তুষ্ট | - | পৰিতৃপ্ত, তুষ্ট, সন্তোষযুক্ত, ভালপোৱা |
| সহানুভূতি | - | সমবেদনা, আনৰ সুখত সুখী আৰু আনৰ দুখত দুখী হোৱা ভাৱ |
| সম্বোধন | - | নাম বা সম্বন্ধ ধৰি মতা কাৰ্য, কোনো লোকক মাতোঁতে ব্যৱহাৰ কৰা শব্দ, মাত লগোৱা কাৰ্য |
| সামৰণি | - | শেষ, সমাপ্তি, অন্ত, উপসংহাৰ, সমাপন |
| সাধনা | - | সিদ্ধি লাভৰ কাৰণে কৰা একাগ্ৰ প্ৰচেষ্টা; আৰাধনা, উপাসনা, গভীৰ ঐকান্তিক চেষ্টা |
| সুখ্যাতি | - | সুনাম, যশস্যা |

| শব্দ | | অৰ্থ |
|---|---|---|
| সংক্ৰান্ত | - | সম্পৰ্কিত, সম্বন্ধীয় |
| স্থাপিত | - | প্ৰতিষ্ঠিত, সজা নাইবা পতা |
| সংগ্ৰহ | - | আহৰণ, সংকলন, একত্ৰীকৰণ, একে ঠাই কৰা, একগোট কৰা |
| সবে | - | সকলোৱে, আটায়ে |
| সবালৈ | - | সকলোলৈ, আটাইলৈ |
| সোণোৱালী | - | সোণ বৰণীয়া, সোণৰ বন কৰা,সোণৰ ফুল বছা |
| সুৰক্ষিত | - | ভালকৈ থোৱা বা ৰখা, সকলো ধৰণৰ বিপদ-আপদ আৰু ক্ষতিৰ সম্ভাৱনাৰ পৰা বচাই ৰখা |
| স্বাৱলম্বী | - | নিজে নিজক সহায় কৰোঁতা, আত্মনিৰ্ভৰশীল |
| স্বৰূপ | - | প্ৰকৃত ছবি, যথাৰ্থ ৰূপ |
| স্বাচ্ছন্দ্য | - | সুখ-সুবিধা, কোনো অভাৱ বা অস্বস্তি নোহোৱা অৱস্থা |
| সৰস | - | ৰসাল, জোল থকা, মিঠা সোৱাদৰ |
| সৌষ্ঠৱ | - | সুগঠন, সুৰূপ, উৎকৰ্ষ |
| সঞ্চালন | - | চালনা, লৰোৱা কাৰ্য |
| সাউৎকৰে | - | বেগতে, একে চিপতে, একে চোঁচাই |
| | | **হ** |
| হিত | - | উপকাৰ, ভাল, মংগল |
| হৰষিত | - | আনন্দিত, সন্তোষ পোৱা, সন্তোষজনক |
| হাত-বাউল দি | - | দূৰৈত থকা মানুহক হাতেৰে সংকেত দি (মতা) |

# পঞ্চম শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিত জড়িত ব্যক্তিসকল

**উপদেষ্টা**

**কুমকুম সিন্‌হা**, সঞ্চালক

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পাঠ প্ৰস্তুত প্ৰক্ৰিয়াত জড়িত ব্যক্তিসকল**

**গৌৰী কান্ত ভূঞা**, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**মীৰা শৰ্মা**, অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**নীল শৰ্মা**, প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা অধ্যয়ন প্ৰতিষ্ঠান, গুৱাহাটী

**গীতাঞ্জলি দেৱী**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা

**ৰূপালী হাজৰিকা বৰুৱা**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

**নীলিমা শৰ্মা মহন্ত**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**শাৰদী ভট্টাচাৰ্য**, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**কমলা গোস্বামী**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ড° আনাৰবালা দাস**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**শিখা সিন্‌হা দাস**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**ৰঞ্জুমণি মহন্ত**, শৈক্ষিক বিষয়া, অসম মাধ্যমিক শিক্ষা পৰিষদ, গুৱাহাটী

**অনুভা চক্ৰৱৰ্তী**, সহকাৰী শিক্ষয়িত্ৰী, চম্পাৱতী হাইস্কুল, ধীৰেনপাৰা, গুৱাহাটী

**পৰমেশ্বৰ দাস**, প্ৰধান শিক্ষক, নাজিৰাখাত প্ৰাথমিক বিদ্যালয়, ডিমৰীয়া

**অনিতা ভাগৱতী**, মাছখোৱা মজলীয়া বিদ্যালয়, গুৱাহাটী

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ সমল ব্যক্তি**

**ড° মিজো প্ৰভা বৰা**, প্ৰবক্তা তথা মুৰব্বী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**ড° যুতিফুল বৰুৱা**, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পুনৰীক্ষক মণ্ডলী**

**ড° ৰমেশ পাঠক**, সাহিত্যাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**ড° লীলাৱতী শইকীয়া**, অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**ড° দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**মীৰা শৰ্মা**, অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**গৌৰী কান্ত ভূঞা**, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**পুনৰীক্ষণ কৰ্মশালাত উপস্থিত সমল ব্যক্তি**

**নীলিমা শৰ্মা মহন্ত**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**নীল শৰ্মা**, প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা অধ্যয়ন প্ৰতিষ্ঠান, গুৱাহাটী

**ড° যুতিফুল বৰুৱা**, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সংকলন আৰু সম্পাদনা**

**ড° ৰমেশ পাঠক**, সাহিত্যাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**মীৰা শৰ্মা**, অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**গৌৰী কান্ত ভূঞা**, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**ড° যুতিফুল বৰুৱা**, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সমন্বয়ক**

ড° যুতিফুল বৰুৱা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সহযোগী সমন্বয়কসকল**

**গীতাঞ্জলি দেৱী**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা

**কমলা গোস্বামী**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ড° আনাৰবালা দাস**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**আৰ্হি পাঠক** — হিৰণ্য কুমাৰ নাথ

**অলংকৰণ**

**গুণাভি ৰাম বড়া**, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**হৰজ্যোতি শৰ্মা**, ছয়মাইল, খানাপাৰা

**ডি টি পি—** শৈলেন কুমাৰ তালুকদাৰ
নিৰঞ্জন ডেকা
নিভা ৰাণী দাস
ৰমেন বৰ্মন
পৰাগ শৰ্মা
বীণাপাণি চৌধুৰী
ভণিমা দাস



# বানপানী

## বানপানী হোৱাৰ আগত

তলত উল্লেখ কৰা বস্তুসমূহৰ সৈতে তোমালোকৰ জৰুৰী কালীন (Emergency Kit) বেগটো প্ৰস্তুত ৰাখা --

(১) সৰ্পদংশন আৰু পেটচলা (ডায়েৰীয়া) ৰ বাবে অতিৰিক্ত ঔষধসহ প্ৰাথমিক চিকিৎসাৰ বাকচ,

(২) বস্তু বন্ধাৰ বাবে টান ৰছী,

(৩) বিশুদ্ধ খোৱা পানী, শুকান খাদ্য সামগ্ৰী, নিমখ আৰু চেনি,

(৪) এটা ৰেডিঅ', টৰ্চলাইট আৰু ওপৰঞ্চি বেটাৰী,

(৫) কাপোৰ-কানি আৰু মূল্যবান সামগ্ৰী ৰাখিবলৈ জল-ৰোধী মোনা, ছাতি আৰু বাঁহৰ লাঠি।

## বানপানী হোৱাৰ সময়ত

(১) জৰুৰীকালীন বেগসহ নিৰাপদ আশ্ৰয় স্থানলৈ যোৱা।

(২) বিছনা বা মেজৰ ওপৰত ঘৰুৱা সামগ্ৰীবোৰ উঠাই থোৱা।

(৩) উতলোৱা পানী খাবা।

(৪) বানপানীৰ মাজলৈ নাযাবা।

## বানপানী হৈ যোৱাৰ পাছত

(১) চৌপাশৰ বীজাণু নাশ কৰিবলৈ ব্লিচিং পাউদাৰ আৰু চূণ ব্যৱহাৰ কৰা।

(২) খোৱা খাদ্য ঢাকি ৰাখিবা।

(৩) কীট-পতংগৰ দংশনৰ পৰা সাৱধান থাকিবা।

(৪) চৰকাৰীভাৱে যেতিয়ালৈকে নিৰাপদ বুলি ঘোষণা কৰা নহয়, তেতিয়ালৈকে বাহিৰলৈ নোলাবা।

(৫) ব্যৱহাৰ কৰাৰ আগতে বৈদ্যুতিক সামগ্ৰীবোৰ ভালদৰে শুকুৱাই লোৱা।



জনস্বাৰ্থ আৰু নিৰাপত্তাৰ হিতাৰ্থে প্ৰকাশিত ঃ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰী (এ এচ্ ডি এম্ এ)

## প্ৰাথমিক শিক্ষা প্ৰতিগৰাকী শিশুৰ মৌলিক অধিকাৰ



| | | | | | | | |
|---|---|---|---|---|---|---|---|
| কৃষ্ণ | ইন্দ্ৰ | অশ্ব | চেষ্টা | সহ্য | মুণ্ড | নৃত্য | লঙ্কা |
| স্পষ্ট | অন্ন | নক্সা | গান্ধী | বিষ্ণু | কান্ধ | যুক্তি | ৰঙ্গ |
| তীক্ষ্ণ | বন্ধ | চিহ্ন | ৰাষ্ট্ৰ | শ্ৰদ্ধা | ভক্তি | গুৰু | ছিদ্ৰ |
| মৰ্ত্য | স্কুল | প্ৰাহ্ন | বাঞ্ছা | স্নেহ | বৃক্ষ | উৰ্দু | যক্ষ্মা |
| মুগ্ধ | মিস্ত্ৰী | তন্ন | শঙ্খ | স্ফূৰ্তি | সৃষ্টি | কেন্দ্ৰ | বিহু |
| তুষ্ট | শিল্পী | স্থান | কিন্তু | ইচ্ছা | বিক্ৰী | স্থল | লক্ষ্মী |
| বুদ্ধি | কণ্ঠ | সূক্ষ্ম | জন্তু | আদ্দা | মন্ত্ৰ | অশ্ব | ব্ৰহ্মা |
| ক্ষুব্ধ | বান্ধ | নন্দ | বস্তু | ব্ৰহ্ম | পুষ্প | উষ্ণ | অক্ত |
| বুদ্ধ | নষ্ট | কল্প | যুক্তি | তত্ব | বল্লা | দণ্ড | হ্ৰাস |
| বস্ত্ৰ | কষ্ট | শুদ্ধ | সপ্ত | গুহা | যুগ্ম | ৰুদ্ৰ | গুল্ম |

শিক্ষা (প্ৰাথমিক) বিভাগ
অসম চৰকাৰ